বিশ্ব সাহিত্য

ব্লগ অসম



বুঢ়া আৰু সাগৰ

অনুবাদ ঃ অতুলচন্দ্ৰ মহন্ত

আৰ্নেষ্ট হেমিংওৱেৰ অমৰ সৃষ্টি “The Old Man and The Sea” ৰ মুকলি ভাঙণি

দি ওল্ড মেন এণ্ড দি চী

মূল - আৰ্নেষ্ট হেমিংওৱে

অনুবাদ - অতুল চন্দ্ৰ মহন্ত

আগকথা

আৰ্নেষ্ট হেমিংওৱেৰ অমৰ উপন্যাস ‘দি ওল্ড মেন এণ্ড দি চী’ খন অসমীয়া ভাষালৈ অনুবাদ কৰিলো। সাৰ্থক অনুবাদ কৰাৰ শক্তি আৰু সামৰ্থ আমাৰ নাই। তথাপিও ‘বনলতা প্ৰকাশন’ৰ শ্ৰীমাখন হাজৰিকাৰ উৎসাহতে কিতাপখন অনুবাদ কৰিলো। পাঠকে পঢ়ি কণমান আনন্দ লভিলেও আমাৰ চেষ্টা সাৰ্থক হব।

কিতাপখনৰ এটা সাধাৰণ আলোচনা আৰু হেমিংওৱেৰ এটা চমু জীৱনীও আগবঢ়োৱা হৈছে। আলোচনাটো যুগুতাওঁতে লক্ষীকান্ত মহন্তৰ বিশ্ব-সাহিত্যৰ আভাস নামৰ কিতাপখনৰ সহায় লোৱা হৈছে।

‘বনলতা প্ৰকাশন’ৰ শ্ৰীমাখন হাজৰিকাই কিতাপখন প্ৰকাশ কৰিবলৈ লোৱাত তেখেতলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

আৰ্নেষ্ট হেমিংওৱে - এটি চমু পৰিচয়

বিংশ শতিকাৰ যিসকল বিৰল প্ৰতিভাসম্পন্ন সাহিত্যিকে বিশ্ব সাহিত্য মঞ্চ উজলাই তুলিছিল তেওঁলোকৰ ভিতৰত আমেৰিকান লিখক আৰ্নেষ্ট হেমিংওৱে অন্যতম। আমেৰিকাৰ ইলিয়নিচ প্ৰদেশৰ ওক পাৰ্ক নামে ঠাইত ১৮৯৯ খ্ৰীঃৰ ২১ জুলাইৰ তাৰিখে আৰ্নেষ্ট হেমিংওৱেৰ জন্ম হয়। তেওঁৰ দেউতাকৰ নাম ক্লেৰেন্স হেমিংওৱে। দেউতাক বৃত্তিত এজন ডাক্তৰ আছিল। খেলা ধূলা আৰ চিকাৰ কৰাত তেওঁৰ বৰ ৰাপ আছিল। দেউতাকে পুতেকক সৰু কালৰে পৰা মাছ ধৰা আৰু চিকাৰ কৰাৰ প্ৰতি আকৰ্ষিত কৰিছিল। নিচেই সৰু কালতেই দেউতাকে তেওঁৰ হাতত মাছ ধৰা বৰশী আৰু সৰু বন্দুক তুলি দিছিল। হেমিংওৱেৰ মাক আছিল সঙ্গীত আৰু চিত্ৰবিদ্যাত পাকৈত এগৰাকী শিল্পী। মাকৰ ইচ্ছা আছিল পুতেকক এজন ভাল সঙ্গীত শিল্পী হিচাবে গঢ়ি তুলিব। তাৰবাবে তেওঁ যত্নও কৰিছিল আৰু পুতেকৰ হাতত বাদ্যযন্ত্ৰ তুলি দিছিল। মাক দেউতাক দুয়ো পুতেকক নিজৰ দৰে গঢ়ি তুলিবলৈ যত্নৰ ত্ৰুটি কৰা নাছিল।

হৰ্টন উপসাগৰৰ পাৰৰ মেচিগান চহৰত তেওঁলোকৰ এটি গ্ৰীষ্মকালীন আবাস গৃহ আছিল। তাত থকা দিনকেইটা কিশোৰ হেমিংওৱেৰ বাবে অতি আনন্দৰ দিন আছিল। মেচিগান চহৰত থাকোতে মাকে দিয়া বাদ্যযন্ত্ৰবিলাক কোঠাৰ এচুকত পেলাই থৈ তেওঁ দিনৰ দিনটো সাগৰৰ পাৰত বনৰীয়া চৰাই চিকাৰ কৰি ঘূৰি ফুৰিছিল। চিকাৰ কৰি ঘূৰি ফুৰি হেমিংওৱেই পাইছিল এক বিমল আনন্দ আৰু চৰম তৃপ্তি।

স্কুলত পঢ়ি থকা কালৰে পৰাই হেমিংওৱে গল্প লিখিবলৈ লৈছিল। ওক পাৰ্কৰ স্কুলৰ আলোচনী 'Trapaze'-ত তেওঁ লিখা গল্প প্ৰকাশ হৈছিল। গল্প লিখাৰ উপৰিও স্কুলীয়া জীৱনত তেওঁ বক্সিং খেল শিকিছিল। এই বক্সিং খেলতেই তেওঁ এবাৰ এটা চকুত বৰ বেয়াকৈ দুখ পায়। ডাক্তৰে তেওঁৰ সেই চকুটো ভাল কৰিব নোৱাৰিলে। আনটো চকুও বেয়া হ'ব বুলি ডাক্তৰে আনকি ভয়হে খাইছিল। অৱশ্যে ভাগ্য ভাল যে তেওঁৰ এটা চকু চিৰকাললৈ ঘূণীয়া হলেও আনটো চকু অক্ষত অৱস্থাত ৰ'ল।

১৯১৭ খ্ৰীঃত প্ৰথম মহাসমৰৰ ৰণভেৰি বাজি উঠিল। ওক পাৰ্ক স্কুলৰ শিক্ষা শেষ কৰিয়েই হেমিংওৱেই সৈন্য বাহিনীত ভৰ্ত্তি হ'বলৈ ইচ্ছা কৰিছিল। লগৰ লগৰীয়াৰ সৈতে ৰিক্ৰুইটিং অফিচলৈ তেওঁ বহুবাৰ অহা যোৱা কৰিলে। কিন্তু তেওঁৰ বেয়া চকুটোৰ কাৰণে তেওঁ কোনোপধ্যেই সৈন্য বাহিনীত ভৰ্ত্তি হ'ব নোৱাৰিলে। অৱশেষত সৈন্যবাহিনীত ভৰ্ত্তি

হোৱাৰ আশা ত্যাগ কৰিলে। সাংবাদিক হোৱাৰ মানসেৰে তেওঁ কেন্চাচ নগৰলৈ গ'ল, কেন্চাচ নগৰত "কেন্চাচ চিটি ষ্টাৰ" নামৰ এখন বিখ্যাত কাকতত তেওঁ নিযুক্তি পালে। কিন্তু সৈন্য বাহিনীত সোমোৱাৰ তেওঁ দুৰ্বাৰ হেঁপাহ তেওঁৰ মনৰ পৰা আঁতৰা নাছিল। সেই সময়তে তেওঁ এটা সুযোগ পালে। ইটালীৰ সৈন্য বাহিনীক সহায় কৰিবৰ বাবে এম্বুলেন্স বাহিনীত স্বেচ্ছাসেৱক বিচাৰিলে। এম্বুলেন্স বাহিনীত যোগ দি ১৯১৮ খ্ৰীঃত তেওঁ ইটালীলৈ ৰাওনা কৰে। সৈন্য বাহিনীত যোগ দিয়াৰ অলপ দিনৰ পিছতেই গুলীৰ আঘাতত তেওঁ গুৰুতৰ ধৰণে আহত হয়। ভাগ্য ভাল যে প্ৰায় তিনিমাহ কাল মিলানৰ ৰেড্ক্ৰছ্ চিকিৎসালয়ত চিকিৎসাধীন হোৱাৰ পাছত তেওঁ সুস্থ হৈ উঠিল। আৰোগ্যৰ পিছত তেওঁ পুনৰ সৈন্য বাহিনীত কাম কৰে। ১৯১৯ খ্ৰীঃৰ জানুৱাৰী মাহত প্ৰথম মহাসমৰৰ সামৰণি পৰে আৰু তেওঁ স্বদেশলৈ প্ৰত্যাৱৰ্তন কৰে।

ওক পাৰ্কলৈ ঘূৰি আহি তেওঁ গল্প লিখিবলৈ মন কৰিলে। তেওঁৰ মাকে তেওঁক ব্যৱসায় কৰিবলৈ পৰামৰ্শ দিছিল। কিন্তু তেওঁ মাকৰ কথাত মান্তি নহ'ল। তেওঁ গল্প লিখিবলৈ ধৰিলে। কিন্তু তেওঁ লিখা গল্প ক'তো প্ৰকাশ নহ'ল। মনৰ দুখত 'টৰেন্টষ্টাৰ' নামৰ বাতৰি কাকত এখনৰ সাংবাদিক হৈ টৰেন্টলৈ যাত্ৰা কৰিলে।

টৰেণ্টত তেওঁ বেছিদিন থাকিব নোৱাৰিলে। টৰেন্টৰ পৰা তেওঁ চিকাগোলৈ আহিল আৰু তাত তেওঁ এখন কাকতৰ সম্পাদকৰ দায়িত্ব লয়। এই কাকতখনৰ নাম আছিল "চিকাগো ট্ৰিবিউন"। সেই সময়তে তেওঁ বিখ্যাত ঔপন্যাসিক চাৰ উদ এডাৰচনক লগ পায়। সেই সময় চোৱাতে তেওঁৰ প্ৰথম গল্প 'Double Dale এখন আলোচনীত প্ৰকাশ পায়।

১৯২১ খ্ৰীঃত তেওঁ বিয়া কৰায়। তেওঁৰ পত্নীৰ নাম আছিল হেড্লি ৰিচাৰ্ডচন। ৰিচাৰ্ডচন আছিল তেওঁৰ লৰালি কালৰ বন্ধু। হেড্লিৰ লগত তেওঁ বেচি দিন একেলগে থাকিব নোৱাৰিলে। হেড্লিৰ লগত বিবাহ বিচ্ছেদ কৰি তেওঁ ১৯২৭ খ্ৰীঃত পাউলিনা পেইফাৰ নামৰ এগৰাকী লেখিকাক বিয়া কৰাৰ। ১৯৪০ খ্ৰীঃত তেওঁ মাৰ্থা গেলহৰ্ন নামৰ আন এগৰাকী মহিলাৰ লগত বিবাহ পাশত আবদ্ধ হয়। গেলহৰ্নৰ লগতো তেওঁৰ বিবাহ স্থায়ী নহ'ল, ১৯৪৪ খ্ৰীঃত মেৰী ওৱেলচ নামৰ এগৰাকী যুৱতীক বিয়া কৰাইছিল। মেৰী ওৱেলচৰ লগত তেওঁ সুখেৰে জীৱনৰ বাকী চোৱা কাল কটাইছিল।

টৰেন্টষ্টাৰ কাকতৰ ইউৰোপীয় সংবাদদাতা হিচাপে ১৯২১ খ্ৰীঃত হেমিংওৱে পেৰিচলৈ যায়। পেৰিচত তেওঁ গাৰট্ৰুভ ষ্টেইন, এজৰা পাউণ্ড আদি খ্যাতনামা লেখক সকলৰ সান্নিধ্য লাভ কৰে। কিন্তু তেওঁ নিজকে লেখক হিচাবে প্ৰতিষ্ঠিত কৰিব পৰা নাছিল। তেওঁৰ লেখা বিলাক প্ৰকাশকে প্ৰকাশ নকৰি ঘূৰাই পঠাইছিল। তেওঁৰ মনত দুখ হৈছিল কিন্তু তেওঁ নিৰুৎসাহ হোৱা নাছিল। ১৯২১ খ্ৰীঃত তেওঁৰ প্ৰথম গ্ৰন্থ 'Three Stories and Ten Poems' প্ৰকাশিত হয়। ১৯২৫ খ্ৰীঃত তেওঁৰ গ্ৰন্থ 'In our Time' প্ৰকাশ হয় আৰু ১৯২৬ খ্ৰীঃত তেওঁৰ 'The Sun also Rises' উপন্যাস প্ৰকাশ পায়। এই উপন্যাসখনৰ পৰাই তেওঁ এজন যশস্বী লেখক হিচাবে প্ৰতিষ্ঠা লাভ কৰে।

১৯২৭ খ্ৰীঃত তেওঁ পেৰিচৰ পৰা স্বদেশলৈ উভতি যায়। আমেৰিকা যুক্তৰাষ্ট্ৰৰ দক্ষিণৰ কে-ওৱেষ্ট উপকূলত এক শান্ত পৰিবেশত বাস কৰিবলৈ লয়। কে-ওৱেষ্টত থাকোতেই

প্ৰথম মহাসমৰৰ বিস্তৃত অভিজ্ঞতাৰ ভিত্তিত তেওঁ ‘A Fare well to Arms’ নামৰ উপন্যাসখন ৰচনা কৰে। এই উপন্যাসখনেই হেমিংওৱেক বিশ্ব সাহিত্যত এজন প্ৰতিভাবান সাহিত্যিক হিচাবে প্ৰতিস্থা কৰে আৰু এই উপন্যাসখন বিশ্ব সাহিত্যত ক্লাচিক হিচাবে পৰিগণিত হয়। ১৯৩২ খ্ৰীঃত তেওঁৰ আন এখন শ্ৰেষ্ঠ উপন্যাস ‘Death in the After noon’ প্ৰকাশ হয়। তেওঁ আফ্ৰিকা ভ্ৰমণ কৰে আৰু সেই ভ্ৰমণৰ অভিজ্ঞতাৰে তেওঁ তিনিখন গ্ৰন্থ ৰচনা কৰে। গ্ৰন্থ কেইখন হ’ল ‘The Green Hills of Africa’, ‘The Snows of Kilimanjaro’, ‘The short Happy life of Francis racon bar.’।

১৯৩৬ খ্ৰীঃৰ স্পেইনৰ গৃহযুদ্ধত তেওঁ এজন সৈনিক হিচাবে যোগদান কৰে। গৃহযুদ্ধৰ অভিজ্ঞতাৰে তেওঁ ‘For whom the Bell Tools’ নামৰ উপন্যাসখন লিখি উলিয়ায়। ১৯40 খ্ৰীঃত তেওঁৰ এই মহান গ্ৰন্থখনপ্ৰকাশ পায়।

দ্বিতীয় মহাসমৰ আৰম্ভ হ’ল, পৃথিৱীত তোলপাৰ লাগিল। হেমিংওৱেই যুদ্ধত যোগদান কৰিলে। তেওঁ প্ৰথমে নৌ-বাহিনীত যোগদান কৰে। যুক্তৰাষ্ট্ৰৰ উপকূল অঞ্চল আছিল তেওঁৰ কৰ্মক্ষেত্ৰ। ইয়াৰ পাছতে তেওঁ এখন কাকতৰ যুদ্ধৰ সংবাদদাতা হিচাবে ইউৰোপলৈ যায়। দ্বিতীয় বিশ্ব যুদ্ধতো তেওঁ প্ৰত্যক্ষভাৱে জড়িত হৈ পৰে। যুদ্ধৰ অভিজ্ঞতাৰে তেওঁ আৰু এখন উপন্যাস লিখে। এই উপন্যাস খন তেওঁ ভেনিচত থাকোতে লিখিছিল আৰু উপন্যাস খনৰ নাম দিছিল ‘Across the River into the Trees.’

দ্বিতীয় মহাসমৰৰ অন্তত ধুমুহা সদৃশ হেমিংওৱে যেন ক্লান্ত হৈ পৰিছিল। তেওঁৰ চকুৰ দৃষ্টি শক্তিও যথেষ্ট কমি গৈছিল। দ্বিতীয় মহাযুদ্ধৰ হুলস্থূলৰ মাজতে তেওঁৰ জীৱনলৈ আহিছিল মেৰী-ওৱেলচ। তেওঁ মেৰীক খুউব ভাল পাইছিল। যুদ্ধৰ শেষত দেহ আৰ মনৰ ক্লান্তি দূৰ কৰিবলৈ তেওঁ নগৰীয়া জীৱনৰ বহু নিলগত কিউবাৰ উপকূলৰ এখন গাঁৱত থাকিবলৈ লয়। লগত তেওঁৰ প্ৰিয়তমা পত্নী মেৰী। তেওঁ তাত এক মধুৰ আৰু শান্ত পৰিবেশত দিন অতিবাহিত কৰিছিল আৰু সেই সময়তে তেওঁ ৰচনা কৰিছিল তেওঁৰ অন্যতম মহান গ্ৰন্থ ‘The Old Man and the Sea.’

১৯৫১ খ্ৰীঃত এই উপন্যাসখন প্ৰকাশ পায়। এই উপন্যাসখন প্ৰথমে ‘Time’ আলোচনীত প্ৰকাশ পায়। পিচত কিতাপ আকাৰে প্ৰকাশ কৰা হয়। আকাৰত সৰু হ’লেও এই উপন্যাসখন বিশ্ব সাহিত্যৰ এক অনন্য শ্ৰেষ্ঠ গ্ৰন্থ। হেমিংওৱেই ১৯৫৩ খ্ৰীঃত আমেৰিকা যুক্তৰাষ্ট্ৰৰ শ্ৰেষ্ঠ সম্মান পুলিটজাৰ বঁটা লাভ কৰে। তাৰ পিচৰ বছৰতেই তেওঁৰ ‘The old Man and the Sea’ নামৰ গ্ৰন্থখনে তেওঁলৈ কঢ়িয়াই আনে বিশ্বৰ শ্ৰেষ্ঠ সম্মান নবেল বঁটা।

কিউবাত ফাইডেল কেষ্ট্ৰৰ বিপ্লৱৰ জোৱাৰ উঠিছিল। হেমিংওৱেই কিউবাত থকা উচিত বিবেচনা নকৰিলে। ১৯৫১ চনত তেওঁ স্বদেশলৈ ঘূৰি আহে আৰু ইদাহ প্ৰদেশৰ কেটচুমত থাকিবলৈ লয়। জৰা আৰু ব্যাধিয়ে ইতিমধ্যে তেওঁক সম্পূৰ্ণ অবশ কৰি তুলিছিল। ব্যাধিগ্ৰস্ত শৰীৰত চিকিৎসকৰ দীঘলীয়া চিকিৎসাৰ মাজত তেওঁ যেন মত্যুৰ শীতল পৰশ অনুভৱ কৰিছিল। ১৯৬১ খ্ৰীঃৰ জুলাই মাহৰ দুই তাৰিখে নিচেই পুৱাতেই বিশ্বৰ এই মহান সাহিত্যিক জনে কোনেও গম নোপোৱাকৈ নিজৰ প্ৰিয় বন্দুকটোৰে মুখৰ ভিতৰত গুলী কৰি আত্মহত্যা কৰিলে। বিশ্বৰএজন মহান সাহিত্যিকৰ জীৱন নাটৰ সামৰণি পৰিল।

‘দি ওল্ড মেন এণ্ড দি চী’ - এটি সাধাৰণ আলোচনা

আমেৰিকান লেখক আৰ্নেষ্ট হেমিংওৱেৰ ‘The old Man and the Sea’ - বৃদ্ধ মানুহজন আৰু সাগৰ - বিশ্ব সাহিত্যৰ এক অনুপম গ্ৰন্থ। দুখনকৈ বিশ্বযুদ্ধৰ চাক্ষুষ অভিজ্ঞতাৰে পুষ্ট হেমিংওৱেৰ ৰচনাত হিংসা, হত্যা, লুণ্ঠন আৰু ৰক্তপাতৰ মাজেৰে মানৱ জীৱনলৈ নামি অহা অশ্ৰুসিক্ত কৰুণ কাহিনীয়ে স্বভাৱতে ঠাই পাইছিল আৰু বিৰল প্ৰতিভাৰ গৰাকী হেমিংওৱেৰ হাতত এই কাহিনীবোৰে জীৱন্ত ৰূপ পাইছিল। যুদ্ধৰ অভিজ্ঞতাৰে সৃষ্টি কৰা গল্প আৰু উপন্যাসসমূহৰ উপৰিও মানহৰ জীৱনৰ চিৰন্তন আশা, অসীম কৰ্মপ্ৰেৰণা আৰু অজেয় কৰ্মশক্তিৰ এক নিটোল চিত্ৰ তেওঁৰ ‘দি ওল্ড মেন এড দি চী’।

দ্বিতীয় মহাসমৰৰ অন্তত, দেহ আৰু মনত তেওঁ গভীৰ ক্লান্তি অনুভৱ কৰিছিল। সেয়ে তেওঁ ব্যস্ততাপূৰ্ণ নগৰীয়া জীৱনৰ বহু নিলগত কিউবাৰ সাগৰীয় উপকুলত এক শান্ত নিৰিবিলি জীৱন কটাবলৈ গৈছিল। ধুমুহা সদৃশ এক ব্যস্ততাপূৰ্ণ জীৱন কটোৱাৰ পিচত উপকুলৰ নিৰিবিলি পৰিবেশত এজন বৃদ্ধ মাছমৰীয়াৰ জীৱনক লৈ তেওঁ সৃষ্টি কৰিলে তেওঁৰ অমৰ উপন্যাস ‘দি ওল্ড মেন এণ্ড দি চী’।

কিউবাৰ উপকুলৰ এখন মাছমৰীয়া গাঁৱৰ এজন বৃদ্ধ মাছমৰীয়া। তেওঁৰ নাম চেণ্টিয়াগ’। তেওঁ প্ৰতিদিনেই সাগৰত নাও লৈ মাছ মাৰিবলৈ যায় আৰু প্ৰতিদিনেই তেওঁ সুদা হাতে ঘৰলৈ উলটি আহে। এনেকৈয়ে তেওঁ চৌৰাশী দিন পাৰ কৰিলে। কিন্তু তেওঁ এটাও মাছ ধৰিব নোৱাৰিলে। তেওঁ এজন কেওকিছু নাইকিয়া মানুহ। তেওঁৰ লগ বুলিবলৈ আছিল এটা সৰু ল’ৰা। তাৰ নাম মেনলিন। সি বুঢ়াক ভালপায়। বুঢ়াইও তাক মৰম কৰে। তাৰ লগত কথা বতৰা পাতি বুঢ়াই আনন্দ পায়। সি বুঢ়াৰ পৰা মাছধৰাৰ কৌশল শিকিবলৈ বিচাৰে।

বুঢ়াই তাক বেচবলৰ কথা কয়। আফ্ৰিকাৰ সিংহৰ কথা কয়। কেওঁকিছু নাইকিয়া বুঢ়াই তাক নিজ পুত্ৰৰ দৰে মৰম কৰে। পচাশী দিনৰ দিনা বুঢ়াই সাগৰৰ বহুদূৰলৈ নাও লৈ গ’ল। মাজ সাগৰত তেওঁৰ নাওখনৰ বাহিৰে আৰু কোনো মাছমৰীয়া নাছিল। তেওৰ বৰশীত এটা ডাঙৰ মাৰলিন মাছ লাগিছিল। দুদিন এৰাতি শৰীৰৰ ঘাম পেলাই অশেষ

কষ্ট কৰি তেওঁ মাছটো ধৰিছিল। দ্বিতীয় নিশা প্ৰকাণ্ড মাৰলিন মাছটো লৈ ঘৰ অভিমুখে গৈ থাকোতে মাজসাগৰতে মাছটো হাঙ্গৰে খাই পেলালে। মাছটো বচাবৰ বাবে তেও হাঙ্গৰৰ লগত ভীষণ যুদ্ধ কৰিছিল। কিন্তু মাছটো বচাব নোৱাৰিলে। তেওঁ পৰাজিত হ'ল। হাঙ্গৰে মাছৰ মঙ্গহখিনি খাই শেষ কৰিলে। তেওঁ মাছৰ বিৰাট জকাটোকে লৈ উপকুল পালেহি।

শিশু মেনলিনে তেওঁৰ ক্ষত বিক্ষত হাত দুখন আৰু ভাগৰি পৰা শীৰ্ণ দেহাটো দেখি শোকত ভাগি পৰিছিল। সি তেওক পৰিচৰ্য্যা কৰিছিল। তেতিয়াও বুঢ়াই তাক বেচবলৰ কথা সুধিছিল। ল'ৰাটোৱে বুঢ়াৰ লগত পুনৰ সাগৰত মাছধৰাৰ সংকল্প লৈছিল।

থোৰতে উপন্যাসখনৰ কাহিনী এয়াই। দেখাত সৰু আৰু সাধাৰণ মাছধৰাৰ কাহিনীটোৱেই হেমিংওৱেৰ স্পৰ্শত কাব্যিক ৰূপ ধাৰণ কৰিছে। গদ্যত লিখা ই এখন যেন মহাকাব্যহে। উপন্যাসৰ নায়ক চেটিয়াগ' এজন বৃদ্ধ। তেওঁৰ দেহৰ প্ৰতিটো অঙ্গত বাৰ্ধক্যৰ চিন সুস্পষ্ট। তথাপিও তেওঁ নিতৌ সাগৰত মাছ মাৰিবলৈ যায়। চেণ্টিয়াগ' মানুহৰ চিৰন্তন জীৱন সংগ্ৰামৰ যেন এক মূৰ্ত প্ৰতীক; বুঢ়াৰ শৰীৰৰ প্ৰতিটো অঙ্গই ৰসহীন মৰুভূমিৰ দৰেই শুকান আৰু পুৰণা। কিন্তু তেওঁৰ চকু দুটা সাগৰৰ পানীৰ দৰেই নীলা, সতেজ আৰু উজ্জ্বল। মানুহৰ জীৱনৰ ধৰ্মই হৈছে কৰ্ম্ম। বৃদ্ধ অৱস্থালৈকে শৰীৰে টানে মানে মানুহে কৰ্ম কৰিব লাগিব আৰু এই কৰ্মৰ প্ৰেৰণা হৈছে মানুহৰ আশা আৰু জীৱন জিজ্ঞাসা। বুঢ়াৰ উজ্জ্বল চকুদুটা তাৰেই প্ৰতীক।

হেমিংওৱেই জীৱনৰ শেষ বয়সত 'দি ওল্ড মেন এণ্ড দি চী' ৰচনা কৰিছিল। উপন্যাসৰ নায়কৰ দৰেই তেওঁ নিজৰ ধৈৰ্য আৰু মনৰ দৃঢ়তাৰে জড়া তথা দুৰ্বলতাৰ বিৰুদ্ধে যুঁজ কৰিছিল। নায়ক চেণ্টিয়াগ' যেন হেমিংওৱেৰ মুখপাত্ৰ। মানুহৰ জীৱনত নোপোৱা আৰু পাই হেৰুৱাৰ অশ্ৰুবন্যাতকৈ সাহস, ধৈৰ্য আৰু অসীম কষ্ট সহিষ্ণুতা আদি গুণৰ বলত জীৱন যুদ্ধৰ আগৰণুৱা হব পৰাতেই মানুহৰ জীৱনৰ সাফল্য আৰু মহত্ব।

বুঢ়াৰ কোনো নাই, পত্নীৰ বিয়োগ ঘটিল। তেওঁৰ কোনো সতি সন্তানো নাই। তেওঁৰ একমাত্ৰ লগৰীয়া গাঁৱৰ সৰু ল'ৰা মেনলিন। বুঢ়াই মেনলিনৰ লগত বেচবলৰ কথা পাতে, মাছ ধৰাৰ কথা পাতে। মেনলিনক লগ হিচাপে লোৱা কথাটোৱে যৌৱন আৰ বাৰ্ধক্যৰ সম্পৰ্ক, নতুন প্ৰজন্মৰ প্ৰতি থকা মানুহৰ পৰম আশা আৰু হেপাঁহৰ কথাকে সূচাইছে। নিজৰ পুত্ৰ নহ'লেও মেনলিনৰ মাজেৰে তেওঁ পুত্ৰৰ অভাৱ পূৰণ কৰিছে। মেনলিন হৈছে নতুন প্ৰজন্মৰ প্ৰতীক।

বেচবল, পাঞ্জা আদি খেলবিলাকৰ কথাই আমাৰ জীৱনখেলৰ কথাও সোঁৱৰাই দিয়ে। খেলত জয় পৰাজয় আছেই। কোনো দলৰ জয় হয় আৰু কোনো দলৰ পৰাজয় হয়। কিন্তু নিজৰ সমৰ্থনৰ দলটো জয়ী হোৱা সকলোৱে কামনা কৰে। মানুহৰ জীৱনটোৱে এখন খেলৰ দৰেই। জয়ৰ গৌৰৱ আৰ পৰাজয়ৰ গ্লানি দুয়োটাই আছে। কিন্তু খেলুৱৈ সুলভ মনোবত্তিৰে তাক গ্ৰহণ কৰিব লাগিব। উপন্যাসৰ নায়ক চেটিয়াগই যেন এই খেলৰ মাজেদি প্ৰতিযোগিতাৰ উৎসাহ লাভ কৰিছে। প্ৰতিযোগিতাত জয়ী হবলৈ কৃতিত্ব আৰু নৈপুন্য আয়ত্ব কৰিব পাৰিছে। চৌৰাশি দিন সাগৰত মাছ ধৰিবলৈ গৈও বুঢ়াই এটাও মাছ পোৱা নাই। তেওঁৰ জীৱনৰ এই পৰাজয়ৰ গ্লানি তেওঁ সম্পূৰ্ণ সৰলতাৰে বেচবলৰ

খেলুৱৈৰ দৰেই সহজে লব পাৰিছে। চৌৰাশী দিনৰ অন্তত খেলুৱৈ সুলভ প্ৰতিযোগিতাৰ মনোভাৱেৰে এটা ডাঙৰ মাছ ধৰি সকলো পৰাজয়ৰ গ্লানি ওৰ পেলাবলৈ তেওঁ এক গভীৰ আশা বকুত বান্ধি বিশাল সাগৰৰ বুকুলৈ তেওঁৰ টুলুঙা নাওখন লৈ আগবাঢ়িছে। তেওঁক শুভেচ্ছা জনাইছে একমাত্ৰ নতুন প্ৰজন্মৰ প্ৰতীক শিশু মেনলিনে।

বেচবল আমেৰিকাৰ জাতীয় খেল। কিউবাৰ নিৰ্জন উপকুলত থাকোতেও স্বদেশৰ প্ৰতি গভীৰ প্ৰেম আৰু শ্ৰদ্ধা হেমিংওৱেৰ অন্তৰত উথলি আছিল। বেচবলৰ সঘন উল্লেখে তাৰো ইঙ্গিত দিয়া যেন অনুমান হয়।

সপোনত তেওঁ আফ্ৰিকা সিংহ দেখে। সিংহ শক্তিৰ প্ৰতীক। ভাৰতীয় শাস্ত্ৰটো সিংহক শক্তি প্ৰতীক হিচাপে দেখুৱা হৈছে। শক্তিদেৱী দুৰ্গাৰ বাহন মহাশক্তিমান সিংহ। 'দি ওল্ড মেন এণ্ড দি চী'ত হেমিংওৱেই উল্লেখ কৰা আফ্ৰিকা সিংহও মানুহৰ অজেয় শক্তিৰ প্ৰতীক। আশাৰ দুৰ্নিবাৰ শিখাই মানুহৰ হৃদয়ত জগাই তোলে বলবান সিংহৰ সাহস আৰু অফুৰন্ত কৰ্মশক্তি। এনে এক অফুৰন্ত কৰ্মশক্তিৰ প্ৰেৰণাতে বৃদ্ধ চেন্টিয়াগ'ই সম্পূৰ্ণ অকলশৰে বিশাল সাগৰত নাও মেলিবলৈ সাহস লাভ কৰিছিল।

সাগৰত তেওঁ বহুদূৰ অতিক্ৰম কৰিলে। মাজসাগৰত তেওঁ সম্পূৰ্ণ অকলশৰীয়া। নিসংগতাৰ দুখে তেওঁৰ অন্তৰ দহিছিল। মানুহ সমাজপ্ৰিয়। ইজন সিজনৰ ওপৰত নিৰ্ভৰশীল। মাজ সাগৰত সম্পৰ্ণ নিসঙ্গ অৱস্থাত তেওঁ সেই কথা অনুভৱ কৰিছিল। বাৰে বাৰে তেওঁৰ মেনলিনলৈ মনত পৰিছিল। তেও বাৰে বাৰে কৈছিল মেনলিন লগত থকা হ'লে ভাল আছিল। মানুহক সঙ্গ লাগে। নিজৰ মনৰ কথা প্ৰকাশ কৰিবলৈ কাষত কাৰোবাক লাগে। অৱশেষত তেওঁ নিজে নিজেই ডাঙৰ ডাঙৰকৈ কথা কৈছিল। নিসঙ্গ অৱস্থাত মানুহৰ কি যন্ত্ৰণা হয়। কিমান দুখ হয় সেই সত্য লেখকে চেণ্টিয়াগ'ৰ মাজ সাগৰৰ অনুভতিৰ মাজেৰে প্ৰকাশ কৰিছে।

মাজ সাগৰত অকলশৰীয়া চেন্টিয়াগ'ৰ ভাৱ অনুভতিৰ মাজেৰে। লেখকে অন্য এক সত্যও দাঙি ধৰিছে। প্ৰকৃতিৰ লগত মানুহৰ সম্পৰ্ক অতি নিবিড়। বিশাল সাগৰত চেন্টিয়াগ'ই অকলশৰে নাওমেলি গৈছে। তথাপিও তেওঁ অকলশৰীয়া নহয়। সাগৰখন চেন্টিয়াগ'ৰ অতি আপোন। তেওৰ বাবে সাগৰ এক মহিমাময়ী নাৰী। নাৰীয়ে পুৰুষক অন্তৰ উজাৰি মৰম কৰিব পাৰে আকৌ কেতিয়াবা প্ৰত্যাখান কৰিব পাৰে। সাগৰেও মানুহক নাৰীৰ দৰেই মৰম কৰে আকৌ কেতিয়াৱা ৰাক্ষসীৰ ৰূপ ধৰি মৰম অনুগ্ৰহৰ পৰা বঞ্চিতো কৰে। কিন্তু সাগৰ চেণ্টিয়াগ'ৰ বাবে সদায় এগৰাকী মহিমাময়ী মৰমীয়াল নাৰী! এই সাগৰৰ বুকুত তেও নিসঙ্গ নহয়। সাগৰত সাঁতুৰি-নাদৰি ফুৰা মাছবোৰ, দূৰণিৰ আকাশৰ তৰবোৰ তেওৰ বন্ধু। ভাগৰত লাল কাল হৈ তেওঁৰ নাৱত জিৰণি লোৱা সৰু চৰাইটোৰ লগতে তেওঁ কথা পাতিছে। তেওঁৰ নাৱৰ কাষলৈ অহা শিহুবোৰ তেওঁৰ বন্ধু। অনন্ত প্ৰকৃতিৰ বুকুত মানুহ তেনেহ'লে অকলশৰীয়া নহয়। চেণ্টিয়াগ'ৰ নিসঙ্গতাৰ দুখ পাতলাবলৈকে যেন বনৰীয়া হাঁহৰ জাক উৰি আহিছে।

তেওঁৰ বৰশীত এটা প্ৰকাণ্ড মাৰলীন মাছ লাগিল। মাছটো ইমান ডাঙৰ যে কল্পনা কৰিবলৈও টান। এই বৃহৎ মাছটো মানুহৰ অনন্ত আশাৰ এক প্ৰতীক ৰূপত সজোৱা বুলি ধৰিব পাৰি। মানুহৰ আশাৰ অন্ত নাই ! এই আশাৰ বাবেই আমি আচলতে জীয়াই আছো।

নিৰাশাই আমাৰ মত্যু। লেখকে চেণ্টিয়াগ'ৰ মুখেৰেই কৈছে নিৰাশ হোৱাটো মুৰ্খামী। মাজ সাগৰত চেণ্টিয়াগ'ৰ বিৰামহীন সংগ্ৰাম আৰম্ভ হল। তেওৰ প্ৰতিদ্বন্দ্বী হল বিৰাট মাৰলিন মাছটো। মাছটোৰ জীৱনতো সংগ্ৰাম আছে। মাছটোৰ কথা হ'ল সি কোনো কাৰণতে সাগৰ তলিৰ পৰা আঁতৰি নাযায়। চেটিয়াগ'ৰ কথা হ'ল সি সাগৰত যতেই নাথাকক লাগে তেওঁ তাক বিচাৰি আনিব। আৰম্ভ হ'ল প্ৰকৃত সংগ্ৰাম। ই এক ৰূপকাত্মক জীৱনযুদ্ধ। এই যুদ্ধত জয়ী হোৱা জনেই বাচিব। যদি মাছটোৰ জয় হয় চেটিয়াগ'ৰ মৃত্যু হব আৰু যদি চেণ্টিয়াগ' জয়ী হয় মাছটোৰ মৃত্যু অনিবাৰ্য। কাৰণ তেওঁ সংকল্প বদ্ধ যে তেওঁ তাক বধ কৰিবই। কিন্তু যদি মাছটোৱে নাওখন ভাঙি তেওঁক মাৰিও পেলাই তেতিয়াও কিন্তু তেওঁৰ দুখ নাই। কাৰণ তেওঁৰ মতে মাছটোৰো সেই অধিকাৰ আছে। এই সংগ্ৰাম দুদিন দুৰাতি চলিল। তেওঁ অবৰ্ণনীয় কষ্ট পালে। জীয়াই থাকিবৰ বাবে তেওঁ সাগৰৰ কেঁচা মাছ চোবাই খালে। ৰচি টানি টানি তেওঁৰ পিঠি আৰু হাত ফাটি তেজ বৈছিল। মাজে মাজে তেওঁ মুচ্ছা গৈছিল। তথাপিও বিৰাম নাই। যুদ্ধ চলিয়েই আছিল। কাৰণ তেওঁ জানে যে দুখ কষ্ট মানুহৰ চিৰ সহচৰ। এই দুখ সহ্য কৰিব পাৰিব লাগিব। মনৰ দৃঢ়তা আৰু আত্মবিশ্বাস থাকিব লাগিব। তেওঁ আৰু জানে যে মানুহে পৰাজয়ৰ কাৰণে জন্ম নলয়।

প্ৰচণ্ড সংগ্ৰামৰ অন্তত তেওঁ মাৰলিন মাছটো বধ কৰিলে। তেওঁ মাছটোক ভাল পাইছিল। জীয়াই থাকোতেও বুঢ়াই তাক ভাল পাইছিল আৰু মৰাৰ পিচতো বুঢ়াই তাক ভাল পাই আছে । তেও মাছটোক ভাতৃ বলি সম্বোধন ধৰিছিল। ইমানকৈ ভালপোৱাৰ পিচতো তেওঁ তাক হত্যা কৰিলে। তেওঁৰ মনত পাপবোধ উদয় হ'ল, পাপ সম্পৰ্কত তেওঁ দ্বিধাগ্ৰস্ত। মাছটো হত্যা কৰা পাপ হ'ল নেকি ? তেওঁৰ মনত প্ৰশ্নই ভুমুকি মাৰিলে, কিন্ত, তেওঁ মাছটো অকাৰণে হত্যা কৰা নাই, তেওঁ এজন মাছমৰীয়া। মাছ মৰাই তেওঁৰ কাম আৰু কৰ্ত্তব্য, তেনেহলে কৰ্তব্যৰ খাটিৰতে তেওঁ মাছটো মাৰিলে। জীৱিকাৰ বাবেই তেওঁ তাক হত্যা কৰিলে, এতিয়া এই মাছৰ মাংস খাই বহুতেই তৃপ্তি পাব। তেনেহ'লে তেওঁৰ পাপ ক'ত? প্ৰকৃতি জগতত এই হত্যালীলা অহৰহ চলিয়েই আছে। নিজে বাচি থাকিবলৈকে আনক হত্যা কৰিব লাগিব। ই প্ৰকৃতিৰ নিয়ম, কিন্তু জন্তু-জানোৱাৰ চৰাই-চিৰিকতিতকৈ মানুহ অলপ হলেও পৃথক। তেওঁ মাছটো একমাত্ৰ জীৱিকাৰ বাবেই হত্যা কৰা নাই। গৌৰৱৰ কাৰণেও তেওঁ মাছটো বধ কৰিছে। পাৰহৈ যোৱা চৌৰাশী দিনৰ পৰাজয়ৰ গ্লানি দূৰ কৰিবলৈকে তেওঁ মাছটো হত্যা কৰিলে। পাপ আৰু পূণ্যৰ সম্পৰ্কত লেখকে খাটাং সিদ্ধান্ত নিদি পাঠকক বিচাৰ কৰিবলৈ এৰি দিছে। কিন্তু, শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিবলৈকে যে মাছটো হত্যা কৰা হ'ল ই ধুৰূপ। শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰাই হৈছে মানুহৰ চিৰন্তন চিন্তাৰ প্ৰবাহ।

মাছটো লৈ আনোতে হাঙ্গৰবিলাকে আক্ৰমণ কৰিছিল। মানুহৰ জীৱনৰ সফলতাক বাৰে বাৰে প্ৰতিহত কৰিবলৈ অহা অশুভ শক্তি সমূহৰ প্ৰতিমূৰ্ত্তি হিচাপে বিচিত্ৰ কৰা হৈছে এই হাঙ্গৰৰ জাক। হাঙ্গৰ বিলাকৰ লগত বুঢ়াৰ প্ৰচণ্ড যুদ্ধ হৈছিল। অস্ত্ৰ থকালৈকে বুঢ়াই সিহতৰ হাতৰ পৰা মাছটো কিছু পৰিমাণে ৰক্ষা কৰিব পাৰিছিল। তেওঁ গৰ্ব কৰিছিল যে তেওঁ বৃদ্ধ হব পাৰে কিন্তু তেও নিৰস্ত্ৰ নহয়। চক্ৰবেহুত বীৰ অভিমন্যু পৰাজিত হোৱাৰ দৰেই এটা এটাকৈ তেও সকলো অস্ত্ৰ হেৰুৱালে আৰু নিশাৰ জয়াল আন্ধাৰত নিৰস্ত্ৰ এক

বৃদ্ধ হাঙ্গৰৰ আক্ৰমণত সম্পূৰ্ণ ৰূপে পৰাজিত হ'ল। বিৰাট মাৰলিন মাছটো ধৰাৰ সফলতা এক বিড়ম্বনাত পৰিণত হ'ল।

প্ৰতীক ধৰ্মী এই জীৱন যুদ্ধত কোনোধৰণৰ অলৌকিক শক্তিৰ প্ৰবেশ ঘটা নাই। সম্পূৰ্ণ বাস্তৱতাৰ মাজতে এই যুদ্ধৰ অৱতাৰণা কৰা হৈছে আৰু বাস্তৱতাৰ মাজতেই কাহিনীৰ সমাপ্তি ঘটিছে। তেওঁ মাছ মাৰিবলৈ গৈছিল। বৰশীত এটা ডাঙৰ মাৰলিন মাছ লাগিছিল। মাছটো লৈ আনোতে হাঙ্গৰে মাছটো খাইছিল। এই সকলো ঘটনাই আছিল স্বাভাৱিক আৰু বাস্তৱ। এনে এটা বাস্তৱ ঘটনাৰ মাজেদিয়েই লেখকে মানৱীয় সত্য আৰু মহত্ব উপলব্ধি কৰিবলৈ পাঠকক উদ্বুদ্ধ কৰিছে।

উপন্যাসখনৰ বৰ্ণনা আছিল অতি সজীৱ আৰু বাস্তৱ। চেন্টিয়াগৰ বাবে সাগৰখন অতি চিনাকি। সাগৰৰ সোঁত, সাগৰৰ ঢৌ, সাগৰীয় ঘাঁহবনৰ বৰ্ণনাই পাঠকৰ সন্মুখত এখন জীৱন্ত সাগৰৰ প্ৰতিচ্ছবি তুলি ধৰিছে। ৰচি টাকুৰি, যাঠি, টাঙোন আৰু নাওখনৰ নিখুট বৰ্ণনা আগবঢ়াইছে। আকাশ, ডাৱৰ, সাগৰত জোনবেলিৰ প্ৰভাৱ আদিৰ নিপুণ হাতৰ সৰস বৰ্ণনাই পাঠকৰ মন মোহিত কৰে। সাগৰীয় চৰাই, উৰণীয়া মাছ আৰু শিহুৰ বৰ্ণনাই পাঠকক সাগৰৰ মাজলৈ টানি নিয়ে। বৰশীত লগাৰ পৰা মৃত্যুলৈকে মাৰলিন মাছটোৰ গতি প্ৰকৃতিৰ বৰ্ণনাই পাঠকক মোহাচন্ন কৰি ৰাখে। শেষত সাগৰত হাঙ্গৰৰ লগত চেন্টিয়াগ'ৰ সংগ্ৰাম, সেইয়াও আহিল অতি নিখুট আৰু বাস্তৱ।

প্ৰকৃতিৰ লগত সংগ্ৰাম চিৰন্তন। অজানাক জনাৰ বাবে, ৰহস্যময় প্ৰকৃতিৰ কুঁৱলি ফালি সত্য উদঘাটন কৰাৰ বাবে মানুহে যুগে যুগে সংগ্ৰাম কৰিআহিছে। সাগৰ অন্তহীন অজান ৰহস্যময় জগতৰ প্ৰতীক। এই ৰহস্য উদঘাটন কৰিবলৈ মানুহ সততে উদ্‌বাউল হয়। কিন্তু সকলোৰে বাবে ই সম্ভৱ নহয়। একমাত্ৰ বীৰ সকলৰ বাবেহে ই সম্ভৱ। কাৰণ এই অজান ৰহস্য জানিবলৈ যাওতে বহু সংঘাটৰ সন্মুখীন হয় আৰু কেতিয়াবা ধ্বংসও হয়। উপন্যাসৰ নায়ক চেন্টিয়াগ' এজন বীৰ। তেওঁ দৃঢ়তাৰে অসীম সাহসেৰে বিশাল সাগৰৰ বুকুত নাও মেলি গৈছে। আন বহুত মাছমৰীয়া আছে কিন্তু তেওঁলোকৰ সাহস নাই। মাটিৰ গোন্ধ এৰি তেওঁলোক সাগৰৰ মাজলৈ যাব নোৱাৰে। ভয় আৰু সংশয়ে তেওঁলোকক আগবাঢ়ি যোৱাত বাধা দিয়ে। কিন্তু চেন্টিয়াগ', ব্যতিক্ৰম এক গভীৰ আত্মবিশ্বাসেৰে তেওঁ সাগৰৰ মাজলৈ আগবাঢ়ি গৈছে। ভয় আৰু সংশয় তেওঁৰ কাষত তুচ্ছ। তেওঁ জীৱনৰ প্ৰতীক।

অসীম কষ্ট সহ্য কৰি তেওঁ সংগ্ৰামত জয়লাভ কৰিও শেষত পৰাজয় বৰণ কৰিব লগা হ'ল। তেওঁ মেনলিনক কৈছিল "মই হাৰ মানিলো মেনলিন।" কিন্তু তেওঁ হৰা নাছিল, হাৰিও তেওঁ হৰা নাই। তেওঁৰ জয় ইয়াতেই যে অসীম কষ্ট সহ্য কৰি তেওঁ চেষ্টা কৰিছিল আৰু সিয়েই তেওঁলৈ কঢ়িয়াই আনিছিল জয়ৰ গৌৰৱ মালা। কষ্ট স্বীকাৰ কৰি সংগ্ৰাম কৰি যোৱাই জীৱনৰ সাৰ্থকতা। মানুহৰ বাবে এয়াই সঞ্জীৱনী শক্তি। মেনলিনৰ লগ লাগি পুনৰ মাছমৰাৰ সংকল্পই এই কথাকে সূচাইছে।

উপন্যাসখনৰ সৰল কাহিনীৰ অন্তৰালত প্ৰকৃতি আৰু মানুহৰ অন্তৰৰ অনেক কথাৰে প্ৰতিটো পৃষ্ঠাই সমৃদ্ধ। উপন্যাসখন মানৱ জীৱনৰ এক মহাকাব্যৰ শাৰীলৈ চন্দোময়

গতিৰে উত্তৰণ ঘটিছে। ইয়াতেই উপন্যাসখনৰ শ্ৰেষ্ঠত্ব আৰু মহত্ব। ‘দি ওল্ড মেন্ এণ্ড দি চী’।



বুঢ়া আৰু সাগৰ



টুলুঙা নাও এখনেৰে সাগৰত মাছ মৰাই বুঢ়া মানুহজনৰ কাম। যোৱা চৌৰাশী দিন ধৰি তেওঁ এটাও মাছ ধৰিব পৰা নাছিল। প্ৰথম চল্লিছ দিন তেওঁৰ লগত এটা ল'ৰা আছিল। কিন্তু চল্লিছ দিন পাৰ হ'লত ল'ৰাটোৰ দেউতাকে ভাবিলে যে বুঢ়াজন একেবাৰে দুৰ্ভগীয়া। তেওঁ পুতেকক বুঢ়াজনৰ লগত যোৱা বন্ধ কৰি আন এখন নাওঁত যাবলৈ নিৰ্দেশ দিলে। সেই নাওখনেৰে প্ৰথম সপ্তাহতে তিনিটা ভাল মাছ ধৰিব পাৰিছিল। প্ৰতিদিনেই বুঢ়াজনে খালি নাওঁখন লৈ উভতি অহা দেখি ল'ৰাটোৰ দুখ লাগিছিল। ল'ৰাটোৱে তেওঁক সহায় কৰিছিল। কেতিয়াবা সি তেওঁৰ সূতা, বৰশী নাইবা লোৰ যাঠি ডাল কঢ়িয়াই দিছিল। কেতিয়াবা তেওঁৰ নাৱৰ পালখনকে কঢ়িয়াই সহায় কৰিছিল। তেওঁৰ সেই তাপলি মৰা পালখন দেখাত এক স্থায়ী পৰাজয়ৰ নিচান যেন লাগে।

ক্ষীণকায় শুকান বুঢ়া মানুহজনৰ ডিঙিৰ পিচফালে এটা গভীৰ ক'লা দাগ আছিল। তেওৰ গালত এটা ডাঙৰ মাহ আছিল। এই মাহটোৰ পৰা সূৰ্যৰ কিৰণ যেন প্ৰতিফলিত হৈ সাগৰৰ পানীত পৰিছিল। মাছ ধৰিবলৈ ৰচি টানি থকাৰ বাবে তেওঁৰ হাতত ৰচিৰ এটা দাগ পৰিছিল। তেওঁৰ এই মাহটো আৰু দাগবোৰ মাছহীন মৰুভূমিৰ খহনীয়াৰ দৰেই পূৰণা আছিল।

চকুযোৰৰ বাহিৰে তেওঁৰ সকলোবোৰেই আছিল পূৰণা। কিন্তু তেওঁৰ চকুযোৰ সাগৰৰ পানীৰ দৰেই গভীৰ নীলা, জয়ৰ গৌৰৱেৰে উজ্জ্বল আৰু আনন্দৰ দীপ্তিৰে দীপ্তিমান।

নাওঁখন পাৰত বান্ধি গড়াটো বগাই আহোতে ল'ৰাটোৱে ক'লে, "চেন্টিয়াগো তোমাৰ লগত মই পুনৰ যাব পাৰিম, আমাৰ এতিয়া কিছু টকা হৈছে।"

বুঢ়াজনে ল'ৰাটোক মাছ ধৰিবলৈ শিকাইছিল আৰু সি তেওঁক বৰ ভাল পাইছিল।

বঢ়াই ক'লে, "নহয়, তুমি ভাগ্যবানজনৰ লগত সেই নাওঁখনতে থাকা।" "কিন্তু মন কৰাচোন তুমি চৌৰাশী দিন পাৰ কৰিলা। এটাও মাছ ধৰিব পৰা নাই। কিন্তু যোৱা তিনি সপ্তাহ ধৰি প্ৰতিদিনেই আমি একোটা ডাঙৰ মাছ ধৰিছো।"

বুঢ়াই ক'লে, "মই বুজিছো আৰু মই এইটোও জানো যে মোৰ ওপৰত তোমাৰ বিশ্বাস আছে আৰু সেয়ে তুমি মোৰ লগ এৰিব নোৱাৰা।"

"দেউতাৰ নিৰ্দেশত মই তোমাৰ লগ এৰিলো। কাৰণ তেওঁৰ আদেশ মই অৱজ্ঞা কৰিব নোৱাৰো।"

বুঢ়াই ক'লে "মই জানো আৰু এইটোৱেই স্বাভাৱিক।"

"তেওঁৰ বিশ্বাস কম।"

“নহয় কিন্তু, আমাৰ বিশ্বাস আছে। নহয়নে ?”

ল’ৰাটোৱে শলাগিলে আৰু ক’লে “ব’লা পাৰত এটা বিয়েৰ খাবা। পিচত বস্তু, বাহানি লৈ ঘৰলৈ যাম।”

বুঢ়াই ক’লে “বলা, লগৰ মাছমৰীয়া বিলাকৰ লগত বাৰু কিয় নাখাম ?”

তেওঁলোক গৈ টিপটোত বহিল। কিছুমান মাছমৰীয়াই বুঢ়াৰ লগত ধেমালি কৰিছিল। কিন্তু বুঢ়াৰ খঙ উঠা নাছিল। বয়সীয়াল কেইজনমানে তেওঁলৈ দুখেৰে চাইছিল কিন্তু প্ৰকাশ কৰা নাছিল। তাৰ পৰিৱৰ্ত্তে পানীৰ সোঁতৰ কথা, তেওঁলোকে বৰশী পেলোৱা পানীৰ গভীৰতাৰ কথা, বতৰৰ কথা আদি আন কথাবোৰ পতাত মনোযোগ দিছিল। যিবিলাক মাছমৰীয়াই মাছ পাইছিল তেওঁলোক ঘৰটোৰ ভিতৰত আছিল। মাছবোৰৰ পৰা বৰশী ৰচি আদি কাটি বাহিৰ কৰি ডাঙৰ ডাঙৰ মাছবোৰ তাত তুলি মীন গৃহলৈ কঢ়িয়াইছিল। মীন গৃহত তেওঁলোকে বৰফৰ গাড়ীলৈ বাট চাই আছিল যাতে সোনকালে মাছবোৰ হাভানাৰ বজাৰলৈ নিব পৰা হয়। যি বিলাকে শ্বাৰ্ক ধৰিছিল, তেওঁলোক আনটো মূৰত থকা শ্বাৰ্ক গৃহলৈ গৈছিল। তাত তেওঁলোকে শ্বাৰ্ক বিলাকৰ লিভাৰবোৰ কাটি বাহিৰ কৰিছিল আৰু বাকলি গুচাই মঙহবোৰ টুকুৰা টুকুৰ কৰি কাটিছিল।

বতাহ পূব্ দিশলৈ বলে, বন্দৰত শ্বাৰ্কৰ গোন্ধ বিয়পি পৰে কিন্তু, সেইদিনা বতাহ উত্তৰলৈ বলা বাবে বন্দৰত শ্বাৰ্কৰ গোন্ধ নাছিল। গড়াটোত সুন্দৰ ৰ’দ পৰি আছিল। ল’ৰাটোৱে মাতিলে, “চেন্টিয়াগো।” বুঢ়াজনে ক’লে ‘কি ?’ তেওঁৰ হাতত তেতিয়াও গিলাচটো আছিল আৰু তেওঁৰ মন দূৰ অতীত বিচৰণ কৰিছিল।

“মই তোমাৰ বাবে মাছটোপ আনোগৈ।”

“নালাগে যোৱা, বেচবল খেলাগৈ। মই এতিয়াও নাও বাব পাৰো আৰু ৰিগেলিঅ’ই জাল মাৰিব।”

“মই যাব খোজো। মই যদিও তোমাৰ লগত মাছ মাৰিব নোৱাৰো তথাপিও মই তোমাক অন্য ধৰণে সহায় কৰিব পাৰো।”

বুঢ়াই ক’লে, “তুমি মোক বিয়েৰ আনি দিছা। বাঃ তুমি ইতিমধ্যে ডাঙৰ হৈছা”।

“তুমি যেতিয়া মোক প্ৰথম তোমাৰ লগত নাওত নিছিলা তেতিয়া বাৰু মোৰ কিমান বয়স হৈছিল ?”

“তোমাৰ তেতিয়া পাঁচ বছৰ হৈছিল। মোৰ স্মৃতি এতিয়াও সজীৱ হৈ আছে যে সেই দিনা মই এটা ডাঙৰ মাছ ধৰিছিলো যেতিয়া মাছটোৱে মোৰ নাওখন প্ৰায় ভাঙো যেন কৰিছিল তুমি তেতিয়া ভয়ত প্ৰায় মৰা যেন হৈছিলা। তোমাৰ মনত আছেনে ?”

“হয়, মাছটোৱে ফানখনেৰে চটপ চটপকৈ মৰা শব্দ? ধুপচকৈ পৰি তোমাৰ বহা ঠাইকণ ভাগি যোৱাৰ শব্দ আৰু লাঠিৰে কোবোৱা ধম ধম শব্দবোৰ মোৰ মনত আছে। তুমি মোক নাওখনত থকা বৰশীৰ ভিজা ৰচিবোৰৰ ওপৰত পেলাই দিছিলা আৰু নাওখন ঠৰ্‌ঠৰকৈ কঁপি উঠিছিল। তুমি হুতুৰ হুতুৰকৈ মৰিয়াই মাছটো এজোপা গছ পেলোৱাৰ দৰে নাওখনত পেলাই দিছিলা! সেইবোৰ মোৰ মনত আছে। আনকি মোৰ নাকত লগা তেজৰ মিঠা গোন্ধটোৰ কথাও মোৰ মনত আছে।”

“তোমাৰ সচাকৈয়ে মনত আছেনে? নে এইবোৰ কথা পিছত মই তোমাক কৈছিলো ?”

বুঢ়াজনে তেওঁৰ ৰ'দেপোৰা অথচ দৃঢ় আৰু মৰমীয়াল চকুৰে ল'ৰাটোলৈ চালে।

"তুমি যদি মোৰ ল'ৰা হ'লাহেতেন মই তোমাক এই জুৰা খেললৈ নিশ্চয় নিলোহেতেন। কিন্তু তোমাৰ মা আছে, তোমাৰ দেউতা আছে। সৰ্বোপৰি তুমি এতিয়া এখন ভাল নাওত কাম কৰিছা।" "মই টোপ আনোনে ? তোমাৰ টোপ চাৰিটা ক'ত থৈছা মই জানো।"

"আজিৰ খিনি আছেই। মই সেইখিনি নিমখৰ বাকচত থৈছো।"

"মই আৰু চাৰিটা টোপ আনিম।"

বুঢ়াজনে ক'লে "এটা আনা।" তেওঁৰ আশা আৰু প্ৰত্যয়ৰ অভাৱ ঘটা নাছিল। এতিয়া নিৰ্মল বতাহত তেওঁৰ সেই আশাবোৰ বেছি সজীৱ হৈ উঠিছিল। ল'ৰাটোৱে ক'লে, "দটা আনিম।"

বুঢ়াই সম্মতি জনাই ক'লে "কিন্তু তুমি চুৰ নকৰিবা।"

ল'ৰাটোৱে ক'লে "মই চুৰ কৰিব জানো। কিন্তু, মই কিনিহে আনিম।"

বুঢ়াই ক'লে ধন্যবাদ। "তেওঁ ইমান সৰল মানুহ যে লাজ পালেও তেওঁ বেয়া নাপায়। তেওঁ বুজিছে যে তেওঁক লাজ দিছে। কিন্তু এইটো একো বেয়া নহয়। প্ৰকৃত গৌৰৱৰ ই একো বেয়া ক্ষতি কৰিব নোৱাৰে।

তেওঁ ক'লে "কালিলৈ এটা সুদিন আহিব।"

ল'ৰাটোৱে সুধিলে, "তুমি কালিলৈ কোনখিনিতি বৰশী বাবা ?"

"কালিলৈ পোহৰ হোৱাৰ আগতেই মই ওলাই যাম। বতাহ সলনি হওতে হওতে মই মাজ পামগৈ।"

ল'ৰাটোৱে ক'লে, "মই আমাৰ নাওখনো মাজলৈ লৈ যাম। তুমি যেতিয়া এটা ডাঙৰ মাছ বৰশীত লগাবা তেতিয়া যাতে আমি তোমাক সহায় কৰিব পাৰো।"

"তেওঁ সাগৰৰ বেচি দূৰলৈ যাবলৈ মন নকৰিব।"

ল'ৰাটোৱে ক'লে "নহয় তেওঁ মোৰ দৰে - ভালকৈ চকুৰে নেদেখে। চৰাইৰ দৰে মই তেওক ডলফিনৰ পাছে পাছে লৈ যাম!"

"তেওঁৰ চকু বেয়া হৈছে নেকি ?"

"তেওঁ প্ৰায় কণা।"

বুঢ়াই ক'লে, "আচৰিত, তেওঁ নিশ্চয় কাছ চিকাৰ নকৰে বা তেওঁ কাছ নাখায়। সেয়ে তেওঁৰ চকু নষ্ট হৈছে।"

"মচকুইটঅ' উপকূলত তুমি বহু বছৰ ধৰি কাছ চিকাৰ কৰিছিলা। সেয়ে তোমাৰ চকু ভাল।" "মই এজন আচৰিত বৃদ্ধ।"

"কিন্তু এটা ডাঙৰ মাছ ধৰিবলৈ তুমি প্ৰকৃততে এতিয়াও শক্তিশালী হৈ আছানে ?" "মই সেই বুলিয়েই ভাবো। তাৰোপৰি মাছ ধৰাৰ বহুত বুদ্ধিও আছে।"

ল'ৰাটোৱে ক'লে, "আমি এতিয়া বস্তুবোৰ ঘৰলৈ লৈ যাওঁ। পিচত মই এখন জাল লৈ পোনা মাছ ধৰিম।"

তেওঁলোকে নাৱৰ পৰা বয় বস্তুবোৰ খুলি ল'লে। বুঢ়াই মাস্তুলটো কান্ধত তুলি ল'লে। বৰশী, যাঠী, ৰচি আদি ভৰাই থোৱা বাকচটো ল'ৰাটোৱে ল'লে। টোপ থকা বাকচটো

নাৱৰ টিঙৰ তলত আছিল আৰু ডাঙৰ মাছ মৰিয়াবৰ বাবে এডাল লাঠিও লগতে আছিল। বুঢ়াৰ বস্তু কোনেও চুৰ নকৰে। কিন্তু পালখন আৰু ৰচিবোৰ ঘৰলৈ লৈ যোৱাটো ভাল কাৰণ নিয়ৰত তিতি থকা বেয়া। বুঢ়া যদিও নিশ্চিত যে কোনো স্থানীয় লোকে তেওঁৰ বস্তু চুৰ নকৰে তথাপিও বৰশী আৰ যাঠী ডাল নাৱত এৰি থৈ যোৱাটো ঠিক নহয়। কাৰোবাৰ লোভ লাগিবও পাৰে।

তেওঁলোক দুয়ো বুঢ়াৰ জুপুৰিৰ ফালে আগবাঢ়িল। খোলা দুৱাৰেৰে তেওঁলোক জুপুৰিৰ ভিতৰ সোমাল ! বঢ়াই পালখন মেৰিয়াই থোৱা মাস্তুল ডাল বেৰত আওজাই থ'লে। ল'ৰাটোৱে বাকচটো আৰু অন্যান্য সামগ্ৰীসমূহ তাৰ কাষতে থ'লে। মাস্তুল ডাল ঘৰটোৰ এটা কোঠাৰ সমান দীঘল। খেৰ আৰু ইকৰাৰে সজা ঘৰটোৰ ভিতৰত এখন বিচনা, এখন টেবল আৰু এখন চকী আছিল। মজিয়াখনৰ এটা চুকত কয়লাৰে ৰন্ধা বঢ়া কৰে । সেই ঠাই একেবাৰে লেতেৰা। বেৰত দুখন ফটো আছিল। এখন পবিত্ৰ যীশুৰ আৰু আনখন পবিত্ৰ কবৰৰ। এইবোৰ তেওঁৰ পত্নীৰ স্মৃতি চিহ্ন। তেওঁৰ পত্নীৰ এখন ফটোও আছিল। কিন্তু তেওঁ সেইখন আঁতৰাই চেলফত থলে। কাৰণ ফটোখনে তেওঁৰ অকলশৰীয়া জীৱনৰ কথা সঘনাই মনত পেলাইছিল।

ল'ৰাটোৱে সুধিলে, "তোমাৰ খোৱাৰ যোগাৰ কি আছে ?"

"ভাত আৰু মাছ আছে। তোমাক অলপ লাগেনে কি ?"

"নালাগে মই ঘৰতে খাম। জুইকুৰা জ্বলাও নে? "নালাগে মই পিচত জ্বলাই ল'ম। নতুবা মই ঠেণ্ডা ভাতকে খাম।"

"মই জালখন নিব পাৰোনে ?"

"নিশ্চয়।"

তেওঁৰ জাল নাই, বিক্ৰী কৰি দিয়াৰ কথা ল'ৰাটোৱে জানে। কিন্তু, তেওঁলোকে এই কথাবোৰ ধেমালিতে সদায় পাতি থাকে। তেওঁৰ চাউল আৰু মাছ যে একো নাই ল'ৰাটোৱে সেই কথাও ভালদৰে জানে।

"পচাশী এটা ভাল নম্বৰ। চাবাচোন মই কেনেকৈ হাজাৰ পাউণ্ড মূল্যৰ এটা মাছ ধৰিম।"

"মই পোনা মাছ ধৰিবলৈ জালখন লৈ যাও। তুমি বাহিৰত ৰ'দতে বহা।"

"হয়, মোৰ হাতত কালিৰ কাগজখন আছে ! মই বেচবলৰ বিষয়ে পঢ়িম।"

ল'ৰাটোৱে নাজানিলে কালিৰ কাগজৰ কথাটোও কিজানি এটা ধেমালিহে। কিন্তু বুঢ়াই বিচনাৰ তলৰপৰা কাগজখন উলিয়াই আনিলে।

তেওঁ ক'লে "পেৰিক্সাই মোক এইখন দিছিল।"

"পোনা মাছ ধৰি হ'লে মই উলটিম। মাছ পোনা খিনি বৰফত একেলগে থৈ দিম আৰ সময়ত আমি ভগাই ল'ম। যেতিয়া ঘূৰি আহিম তুমি মোক বেচবলৰ বিষয়ে কবা।"

"ইয়াংকি বিলাক কেতিয়াও নাহাৰে।"

"কিন্ত ইন্দিয়াম বিলাকলৈ মোৰ ভয় হয়।"

"ল'ৰা, ইয়াংকি বিলাকৰ ওপৰত বিশ্বাস ৰাখা। মহান ডি মেজিঅ'ৰ কথা মনত পেলোৱা।"

"সাৱধান নহ'লে হয়তো তুমি চিনচিয়াটিৰ ৰেডচ্ আৰু চিকাগোৰ হোৱাইট চেক্সনলৈকো ভয় কৰিবা।"

"তুমি পঢ়া আৰু মই ঘূৰি আহিলে কবা।"

"পচাশী নম্বৰৰ এটা লটাৰী টিকেট কিনা ভাল নহবনে ? কালিলৈ পচাশীতম দিন।"

ল'ৰাটোৱে ক'লে, "আমি সেইটো কিনিব পাৰো। কিন্তু সাতাশী দিনৰ তোমাৰ বিখ্যাত ৰেকৰ্ডটো কি হ'ব ?" "সেইটো দুবাৰ নঘটে। তুমি পচাশী নম্বৰ এটা পাবানে ?"

মই এটাৰ বাবে অডাৰ দিব পাৰো।

"এটা টিকেট যাৰ মূল্য আঢ়ৈ ডলাৰ । আমি বাৰু ধাৰ ল'ব পাৰিম নহয়?"

"এইটো এটা সহজ কাম মই ধাৰ ল'ব পাৰিম।" "সম্ভৱ মইয়ো পাৰিম। কিন্তু মই ধাৰ কৰিব নোখোজো। "প্ৰথমে তুমি ধাৰ কৰা পিছত মগনীয়া হ'বা।"

লৰাটোৱে ক'লে "তুমি নিজকে সতেজ কৰি ৰাখা। মনত ৰাখিব এতিয়া চেপ্তেম্বৰ মাহ।"

বুঢ়াই কলে "এই মাহত ডাঙৰ মাছ ওলাই। মে' মাহত সকলোৱেই মাছমৰীয়া হ'ব পাৰে।"

ল'ৰাটোৱে ক'লে "মই এতিয়া পোনামাছ ধৰিবলৈ যাও।"

ল'ৰাটো উলটি আহোতে বুঢ়া চকীখনত শুই আছিল। তেতিয়া বেলি লহিয়াইছিল। ল'ৰাটোৱে বিচনাৰ পৰা কম্বলখন আনি বুঢ়াৰ কান্ধত মেৰিয়াই দিলে। এই বৃদ্ধ বয়সতো বুঢ়াৰ কান্ধ দুখন বেচ শক্তিশালী। ডিঙিটো এতিয়াও বেচ সবল। শুই থকা অৱস্থাত ডিঙিৰ সীৰবোৰ বৰকৈ নোলায়। টোপনিত তেওঁৰ মূৰটো আগফালে হালি আছিল । তেওঁৰ চোলাটোও পালখনৰ দৰেই বহুত তাপলিৰে ভৰা। এই বিভিন্ন ৰঙৰ তাপলিবোৰত সূৰ্যৰ কিৰণ পৰি বিভিন্ন ৰঙৰ সৃষ্টি হৈছিল। পকা চুলীয়া মূৰটো আৰু জাপখাই থকা চকুযোৰেৰে তেওঁৰ মুখমণ্ডলত কোনো ধৰণৰ জ্যোতি নাছিল। বাতৰি কাকতখন তেওঁৰ আঠুত পৰি আছিল। তেওঁ হাতখন কাকতখনৰ ওপৰত ভেজা দি কাকতখন আবেলিৰ বতাহত উৰি নোযোৱাকৈ ৰাখিছিল। তেওঁৰ ভৰিত জোতা বা চেণ্ডেল একো নাছিল ! বুঢ়াৰ আঠুটোত জোকাৰি লৰাটোৱে ক'লে, "উঠা।"

বুঢ়াই চকু মেলিলে। তেওঁ যেন বহুত দূৰণিৰ পৰাহে ঘূৰিল। এটা হাঁহি মাৰি বুঢ়াই সুধিলে "তুমি কি আনিছা।"

ল'ৰাটোৱে ক'লে, "নিশাৰ আহাৰ আনিছো। খাবৰ সময় হ'ল।"

"মোৰ তেনেকৈ ভোক লগা নাই।"

"আহা খোৱা। মাছ ধৰিব নোৱাৰিলা বুলি ভাতো নাখাবা নেকি ?" বুঢ়া উঠি বাতৰি কাকত আৰু কম্বলখন জপাত লাগিল।

ল'ৰাটোৱে ক'লে "কম্বলখন থোৱা। মই থাকোতে তুমি লঘোনে মাছ ধৰিবলৈ যাব নোৱাৰা।"

বুঢ়াই ক'লে, "দীৰ্ঘায়ু হোৱা। নিজৰ প্ৰতি সচেতন থাকিবা। বাৰু খোৱাৰ কি যোগাৰ কৰিলা।"

ভাত, মাটিমাহ, পুৰাকল ভজা আৰু অলপ মাংসৰ জোল।

লৰাটোৱে সেইখিনি বন্দৰৰ হোটেলৰ পৰা দুটা পাত্ৰত ভৰাই আনিছিল। কাটা চামুচ, কটাৰি আৰু নেপকিন সি কাগজেৰে মেৰিয়াই জেপত ভৰাই আনিছিল।

"এইবোৰ তোমাক কোনে দিলে ?"

"মালিক মাৰ্টিনে।"

"তেওঁক ধন্যবাদ।"

ল'ৰাটোৱে ক'লে, "মই তেওঁক ইতিমধ্যে ধন্যবাদ জনালো। তুমি এতিয়া ধন্যবাদ নজনালেও হ'ব।"

মই তেওঁক এটা ডাঙৰ মাছৰ তলপেটি এডোখৰ দিম। তেওঁ বাৰু আমাক পুনৰ এনেদৰে দিবনে ?"

"নিশ্চয়।"

"মই তেওঁক তলপেটিৰ বাহিৰেও আৰু বেচি মাছ দিম। কাৰণ তেওঁ আমাৰ এজন সুহৃদ।"

"তেওঁ দুটো বিয়েৰো দিছে।"

"মই চুঙাৰ বিয়েৰ বেচি ভাল পাও।"

"মই জানো। কিন্তু তেওঁ বটলৰ বিয়েৰ দিছে। মই বটল দুটা ঘূৰাই দিব লাগিব।"

বুঢ়াই ক'লে "ভাল কথা। আমি এতিয়া খাওঁ।"

লৰাটোৱে ক'লে "তুমি খাবলৈ বহিলেহে মই পাত্ৰ দুটাৰ সাফৰ খুলিম।"

"মই এতিয়া খাবলৈ সাজু! মাত্ৰ ধোৱা পখলা কৰাতহে সময় লাগে।"

খোৱাৰ মাজতে ল'ৰাটোৱে ভাবিলে তেওঁনো কত ধোৱা পখলা কৰে । গাঁৱৰ পানীৰ টেপ ৰাস্তাৰ পৰা আৰু দুটা সৰু বাট তললৈ নামি গ'লেহে পোৱা যায়, মই তাৰ পৰাই তেওঁলৈ পানী আনিব লাগিব। চাবোন আৰু তাৱেলৰ কথাটো মই নাভাবিলোৱেই। মই তেওঁক এটা চোলা আৰু এযোৰ জোতা দিব লাগিব। জাৰৰ দিনৰ বাবে মই তেওঁক এটা জেকেট আৰু এখন কম্বলো দিব লাগিব।

বুঢ়াই ক'লে "তোমাৰ মাংসৰ জোল উত্তম হৈছে।"

"মোক এতিয়া বেচবলৰ কথা কোৱা।" ল'ৰাটোৱে ক'লে।

বুঢ়াই আনন্দেৰে ক'লে "আমেৰিকান লীগত মই কোৱাৰ দৰে ইয়াংকি দলেই জিকিল।"

ল'ৰাটোৱে ক'লে "আজি তেওলোক হাৰিল।"

"সেইটো একো কথা নহয়। মহান ডি মেজিঅ' পুনৰ দললৈ আহিল।" "তেওলোকৰ দলত আন খেলুৱৈও আছে।"

"স্বাভাৱিক। কিন্তু, তেওঁ আনৰ দৰে নহয়। ব্ৰুকলিন আৰু ফিলাডেলফিয়াৰ মাজৰ আনখন খেলত মই ব্ৰুকলিনৰ সমৰ্থক। কিন্তু, ওল্ড পাৰ্কৰ খেলত ভিক চিচ্‌লাৰৰ বিৰাট ড্ৰাইভৰ কথা মই নাপাহৰো।"

মই জীৱনত ইমান দীঘল চট মৰা পূৰ্বে কাহানিও দেখা নাছিলো"।

"তেওঁ প্ৰথম এই ঠাইলৈ অহাৰ কথা তোমাৰ মনত আছেনে ? মই তেওঁক মাছ মাৰিবলৈ লগ ধৰিম বুলি ভাবিছিলো ? কিন্তু, কথাটো তেওঁক কবলৈ মোৰ ভয় লাগিছিল।

তেওঁক কবৰ বাবে মই তোমাক খাটিছিলো কিন্তু, তুমিও ভয় কৰিছিলা।”

“মই জানো মোৰ ডাঙৰ ভুল হৈছিল। তেওঁ নিশ্চয় আমাৰ লগত গ’লহেতেন। তেতিয়া যে কিমান ভাল লাগিলহেঁতেন। সেই কথা জীৱনজুৰি আমাৰ মনত থাকিলহেঁতেন।”

“মহান ডি মেজিঅ’ক মাছ ধৰিবলৈ লগ ধৰাৰ ইচ্ছা মোৰো আছিল। লোকে কয় তেওঁৰ দেউতাকো হেনো এজন মাছমৰীয়া আছিল। আমাৰ নিচিনা তেওঁৰো হয়তো দুখীয়াই আছিল আৰু আমাৰ মন বুজি পালেহেঁতেন।”

“মহান চিচলাৰৰ দেউতাক দুখীয়া নাছিল। তেওঁ যেতিয়া মোৰ সমান বয়সৰ আছিল তেতিয়া তেওঁৰ দেউতাকে ডাঙৰ খেলবিলাক খেলিয়েই আছিল।” “মই যেতিয়া তোমাৰ সমান বয়সৰ আছিলো তেতিয়া এবাৰ আফ্ৰিকালৈ যোৱা এখন জাহাজৰ মাস্তুলৰ আগত বহি গৈছিলো আৰু আবেলি পৰত উপকূলত ঘূৰি ফুৰা সিংহবোৰ দেখিছিলো।”

“তুমি মোক এইবোৰ কথা কৈছিলা। মোৰ মনত আছে।”

“আমি আফ্ৰিকাৰ কথা পাতোনে বেচবলৰ কথা পাতো ?”

ল’ৰাটোৱে ক’লে “বেচবলৰ বিষয়ে মোক মহান জন মেকগ্ৰেৰ বিষয়ে কোৱা।” তেওঁ এই উপকূললৈ বুঢ়া বয়সত আহিছিল। তেওঁ বৰ কঠুৱা আৰু খঙাল আছিল। মদ খালে তেওঁ বেচি বিপদ জনক হৈ পৰিছিল । ঘোঁৰা আৰু বেচবল লৈয়ে তেওঁ সকলো সময়তে ব্যস্ত আছিল। তেওঁ জেপত ঘোঁৰা বিলাকৰ নামৰ তালিকা লৈ ফুৰিছিল। আনকি টেলিফোন কৰোতেও ঘোঁৰা বিলাকৰ নাম সঘনাই উচ্চাৰণ কৰিছিল।”

ল’ৰাটোৱে ক’লে “তেওঁ এজন ডাঙৰ মেনেজাৰ। দেউতাই কয় সম্ভৱ তেওঁ শ্ৰেষ্ঠ মেনেজাৰ।”

বুঢ়াই ক’লে “কাৰণ তেওঁ এই উপকূললৈ প্ৰায়ে আহিছিল। যদি ‘দ্ৰুৰচাৰ বছৰে বছৰে আহিলহেঁতেন তোমাৰ দেউতাই তেওঁকো শ্ৰেষ্ঠ মেনেজাৰ বুলি ক’লেহেঁতেন।” “বাৰু লুক আৰু গনজালেচৰ ভিতৰত কোনজন শ্ৰেষ্ঠ মেনেজাৰ ?”

“মই ভাবো তেওঁলোক সমান।”

“কিন্তু শ্ৰেষ্ঠ মাছমৰীয়া হৈছা তুমি”

“নহয় মই আন বহুত ডাঙৰ মাছমৰীয়াৰ কথা জানো।”

ল’ৰাটোৱে ক’লে “হয়, বহত ভাল মাছমৰীয়া আছে। কিছুমান ডাঙৰ মাছমৰীয়াও আছে। কিন্তু, সকলোৰে ভিতৰত তুমি শ্ৰেষ্ঠ।”

“ধন্যবাদ। তুমি মোক সুখী কৰিলা। মই ভাবো এনেকুৱা কোনো ডাঙৰ মাছ নাই যি আমাক হেয় প্ৰমাণিত কৰিব পাৰে।”

তুমি কোৱাৰ দৰে যদি তুমি শক্তিমান তেনেহ’লে তেনে কোনো ডাঙৰ মাছ থাকিব নোৱাৰে।”

বুঢ়াই ক’লে “মই ভবাৰ দৰে হয়তো মই শক্তিশালী নহয়। কিন্তু মই বহুত বুদ্ধি জানো আৰু মোৰ ধৈৰ্য্য অসীম।” “তুমি এতিয়া যোৱাগৈ। তেতিয়াহে পুৱালৈ সতেজ হ’ব পাৰিবা। মই হোটেলত এই বস্তুখিনি ঘূৰাই দিওগৈ।”

“শুভৰাত্ৰী। মই তোমাক পুৱা জগাম।”

ল’ৰাটোৱে ক’লে “তুমি মোৰ এলাৰ্ম ঘড়ী।”

বুঢ়াই ক'লে "মোৰ বয়সেই মোৰ এলাৰ্ম ঘড়ী। বুঢ়া মানুহ বিলাক বাৰু কিয় ইমান সোনকালে সাৰ পাই? দিনটো বেচি দীঘলকৈ পোৱাৰ হেঁপাহতে নহয়নে?"

ল'ৰাটোৱে ক'লে "মই নাজানো। মই জানো যে ল'ৰাবোৰ দেৰিলৈকে শোৱে।"

বুঢ়াই ক'লে "সেই কথা মই জানো। সময়ত মই তোমাক জগাই দিম।"

"আমাৰ নাৱৰ গৰাকীয়ে জগালে মই ভাল নাপাও। মই তেওঁতকৈ সৰু হব নোখোজো।"

"মই জানো।"

"বৃদ্ধ এতিয়া টোপনি যোৱা।"

ল'ৰাটো গলগৈ। তেওঁলোকে আন্ধাৰতে খাইছিল। বুঢ়াই আন্ধাৰতে পেন্ট সলাই বিচনাত পৰিল। তেওঁ পেন্টটো নুৰিয়াই গাৰু কৰি ললে। বাতৰি কাকতখন তাৰ তলত সুমাই থলে। তেওঁ কম্বলখন ঘূম মাৰি লৈ শুই পৰিল।

সোনকালেই তেওঁৰ টোপনি আহিল। বুঢ়াই সপোন দেখিলে। সপোনত তেওঁ আফ্রিকা দেখা পালে। তেওঁৰ চকুত ভাঁহি উঠিল। আফ্রিকাৰ সুদীৰ্ঘ উপকূল। বালিময় উপকূলৰ ৰূপালী ৰং আৰু দূৰৰ পাহাৰৰ সোণালী চুড়া তেওঁৰ চকুত জিলিকি উঠিল। সপোনতে শ্বাৰ্কৰ চিঞৰ তেওঁ শুনিবলৈ পালে। ঢৌৰ মাজে মাজে আহি থকা এখন সৰু নাওঁ তেওঁ দেখিলে। অলপ পিচতে পাৰৰ ওক গছৰ গোন্ধ আৰু পুৱাৰ স্থলবতাহৰ গোন্ধ তেওঁৰ নাকত লাগিল।

সাধাৰণতে এই গোন্ধ নাকত লাগিলেই তেওঁ শোৱাৰ পৰা উঠে আৰু ল'ৰাটোক জগাই দিবলৈ যায়। কিন্তু সেইদিনা বহুত আগতেই স্থল বতাহৰ গোন্ধ তেওঁৰ নাকত লাগিছিল। তেওঁ বুজিলে যে তেতিয়াও বহুত সোনকাল হৈ আছে, পুনৰ সপোন দেখিবলৈ তেওঁ শুই থাকিল। সাগৰত জিলিকি থকা দ্বীপৰ ৰূপালী চুড়া বন্দৰ বিলাক আৰু কেনেৰি দ্বীপৰ সৰু সৰু ৰাস্তা বিলাকৰ তেওঁ সপোন ৰচিলে।

ধুমুহা নাইবা তিৰোতা মানুহৰ তেওঁ সপোন ৰচা নাছিল। অতীতত ঘটা কোনো পুৰণা কথাও তেওঁ ভবা নাছিল। ডাঙৰ মাছ কিম্বা যুদ্ধৰ সপোনো তেওঁ দেখা নাছিল। কোনো খেল প্ৰতিযোগিতা নাইবা পত্নীৰ কথাও তেওঁ মনত পেলোৱা নাছিল। উপকূলৰ সিংহ বিলাক আৰু বিভিন্ন ঠাই তেওঁৰ সপোনত জিলিকি উঠিল। সিংহ বিলাকে আন্ধাৰত মেকুৰী পোৱালীৰ দৰে খেলি আছিল আৰু তেওঁ সিহঁতক ল'ৰাটোৰ দৰেই ভাল পাইছিল। কিন্তু, তেওঁ ল'ৰাটোৰ কথা ভবা নাছিল। এইবাৰ তেওঁ শোৱাৰ পৰা উঠিল। খোলা দুৱাৰেদি জোনটোলৈ চালে । তেওঁ পেন্টটো পিন্ধি বাহিৰ ওলাল। ল'ৰাটোক জগবলৈ তেওঁ খোজ ললে। পুৱাৰ ঠাণ্ডাত তেওঁ কঁপিছিল তেও জানে যে কঁপি কঁপিয়েই তেওঁ ঠাণ্ডা গুচাব লাগিব আৰু সোনকালেই সাগৰত নাওঁ মেলিব লাগিব।

বুঢ়াই ল'ৰাটো থকা ঘৰটোৰ দুৱাৰখন লাহেকৈ খুলিলে আৰু শুদা ভৰিলে লাহে লাহে সোমাই গ'ল। কঠ এখনত ল'ৰাটো শুই আছিল। জোন পৰাৰ সময়ৰ কাহিলি কাহিলি পোহৰত বুঢ়াই তাক ভালদৰে দেখা পাইছিল। তেও ল'ৰাটোৰ ভৰি এখনত জোকৰি দি তাক জগালে । ল'ৰাটোৱে বুঢ়ালৈ ঘূৰি চালে আৰু তেওঁ মূৰ দুপিয়ালে। ল'ৰাটোৱে তাৰ পেন্টটো পিন্ধি ললে । বুঢ়া বাহিৰলৈ ওলাল আৰু ল'ৰাটো তেওঁৰ পিচে পিচে আহিল।

তাৰ তেতিয়াও টোপনিৰ জাল হোৱাই নাছিল। বঢ়াই তাৰ বাউসিত ধৰি ক'লে "মই দুঃখিত।"

ল'ৰাটোৱে ক'লে "হব, একো নকৰা কাম কৰা নাই।"

তেওঁলোক বুঢ়াৰ জুপুৰীলৈ আগবাঢ়িল, ৰাস্তাত তেতিয়া হাতত নাওঁৰ মাস্তুল লৈ খালি ভৰিৰে মানুহবোৰ আন্ধাৰে মুন্ধাৰে গৈ আছিল।

বুঢ়াৰ জুপুৰীটো পাই ল'ৰাটোৱে ৰচিৰ বাকচটো, বৰশী আৰু যাঠি ডাল ললে। বুঢ়াজনে নাৱৰ মাস্তুল আৰু পালখন কান্ধত পেলাই যাবলৈ ধৰিলে।

ল'ৰাটোৱে সুধিলে "তুমি কফি খাবানে ?"

প্ৰথমে এই বস্তুবোৰ নাৱত থৈ আহো পিচত কিবা খাম।" তেওঁলোক কফিৰ দোকানত কফি খাবলৈ বহিল।

ল'ৰাটোৱে সুধিলে "ৰাতি ভাল টোপনি আহিল নে ?" তাৰ চকুৰপৰা তেতিয়াও যেন টোপনি গুচাই নাছিল।

বঢ়াই উত্তৰ দিলে "বেচ ভালদৰে শুলো মেনলিন। মই আজি বেচ সতেজ।"

ল'ৰাটোৱে ক'লে "মোৰো তেনে অনুভৱ হৈছে। মই এতিয়া আমালৈ মাছটোপ আনোগৈ আৰু তোমাৰ নতুন টোপখিনিও আনোগৈ। আমাৰ নাৱৰ বস্তুখিনি তেওঁ নিজেই লৈ আনিব। সেইবোৰ কঢ়িয়াবলৈ তেওঁ কাৰে সহায় নিবিচাৰে।"

বঢ়াই ক'লে "আমি অলপ বেলেগ। তোমাৰ পাঁচ বছৰ বয়স হওতেই মই তোমাক এইবোৰ কামত লগালো।"

লৰাটোৱে ক'লে "মই সোনকালে ঘূৰিম। তুমি আৰু একাপ কফি খোৱা। ইয়াত আমাৰ বাকী চলে।"

টোপ থোৱা বৰফ গৃহলৈ সি খালি ভৰিৰেই শিলনিৰ ওপৰেৰে খোজ ল'লে।

বুঢ়াই লাহে লাহে কফি খাই থাকিল। গোটেই দিনটোৰ বাবে তেওঁৰ এয়াই অহাৰ। ভালেমান দিন ধৰি খোৱাৰ প্ৰতি তেওঁৰ আগ্ৰহ কমি আহিছিল। তেওঁ কেতিয়াও লগত খোৱা বস্তু লৈ নাযায়। নাৱত তেওঁ এবটল পানী লৈ যায়। দিনটোৰ বাবে সেয়াই তেওঁৰ যথেষ্ট।

টোপৰ দুটা লাড়ু আৰু মাছটোপ যিনি খবৰ কাগজ এখনত নুৰিয়াই বান্ধিলৈ ল'ৰাটো আহিল। তেওঁলোক দিয়ে নাওখনৰ ফালে আগবাঢ়িল। ভৰিত তেওঁলোকে বালিৰ সৰু সৰু শিলগুটিৰ খোচ অনুভৱ কৰিছিল। তেওঁলোক নাওঁখন পানীলৈ ঠেলি দিলে।

"বৃদ্ধ শুভ হওক।"

বঢ়াই ক'লে "শুভ হওক।" তেওঁ বঠাজোৰ ভালকৈ বান্ধি ললে আৰু পানীৰ ফালে হাউলি বঠা মাৰিবলৈ ধৰিলে। পোহৰ হোৱাৰ আগতেই তেওঁ বন্দৰ এৰিলে। অন্যফালৰ পৰাও কিছুমান নাওঁ আহিছিল। কাৰণ বুঢ়াই চপ চপ বঠা মৰাৰ শব্দ শুনিবলৈ পাইছিল। কিন্তু বুঢ়াই তেওঁলোকক দেখা নাছিল। কাৰণ তেতিয়া জোনটো লাহে লাহে পৰ্বতৰ আঁৰত লুকাইছিল। মাজে মাজে কোনোবাই নাৱত কথা পাতিছিল। কিন্তু নাৱৰীয়া বিলাক বেচি সময় নিৰৱেই আছিল। মাত্ৰ বঠাৰ শব্দ হে কেউফালে শুণা গৈছিল। নাওঁ বিলাক সাগৰৰ যিকোনো দিশত আগবাঢ়িছিল। প্ৰত্যেকেই মাছ পোৱাৰ নিজ নিজ ধাৰণা অনুসৰি নিজৰ

নাওঁ আগবঢ়াইছিল। বুঢ়াই সাগৰৰ ভালেমান দূৰলৈ আগবাঢ়ি যোৱাৰ কথা ভাবিছিল। তেওঁ গম পালে যে তেওঁ বন্দৰৰ মাটিৰ গোন্ধ এৰিলে। তেওঁৰ নাকত লাগিল মাজ সাগৰৰ পুৱাৰ গোন্ধ। লাহে লাহে তেও সাগৰীয় বনৰ জিলিকনি দেখা পালে। সাগৰৰ সেই অঞ্চলক মাছমৰীয়া বিলাকে 'গভীৰ খাদ' বুলি কয়। কাৰণ সেই ঠাইত সাগৰ চিধাই প্ৰায় সাতশ গজ দ' হৈ পৰিছে। সেই ঠাইত পানীয়ে সাগৰৰ থিয় গড়াত খুন্দা মাৰি সোঁতৰ পকনীয়াৰ সৃষ্টি হৈছে আৰু সেই কাৰণেই তাত মাছ বোৰ গোট খাই থাকে। তাত মিছা মাছ আৰ দৰিকণা মাছবোৰ জাকপাতি থাকে। নিশাৰ ভাগত এই মাছবোৰ পানীৰ ওপৰ লৈকে ওলাই আহে। তেতিয়া ইহঁত ঘূৰি ফুৰা ডাঙৰ মাছবোৰৰ আহাৰ হয়।

আন্ধাৰতে বুঢ়াই পুৱাৰ উমান পাইছিল কাৰণ নাওঁ বাই থাকোতে উৰণীয়ামাছ বিলাকৰ ফানৰ শব্দ তেওঁ শুনিবলৈ পাইছিল। সাগৰৰ উৰণীয়ামাছ বিলাক তেওঁৰ বৰ ডাঙৰ বন্ধু। চৰাই বিলাকলৈহে তেওঁৰ বেয়া লাগে। বিশেষকৈ সৰু সৰু গঙ্গা চিলনী বিলাকে উৰণীয়া মাছবোৰ ধৰিবলৈ খেদি ফুৰে কিন্তু প্ৰায়ে ধৰিব নোৱাৰে। তেওঁ ভাবিছিল"শক্তিশালী ডাঙৰ চৰাই বিলাকৰ বাহিৰে বাকী চৰাইবোৰৰ জীৱন সঁচাই বৰ কষ্টকৰ। চৰাইবোৰ ইমান সন্দৰ আৰু কোমল যে সাগৰে কেতিয়াবা সিহঁতক গিলিও পেলায়। সাগৰো বৰ ধুনীয়া আৰু মৰমীয়াল। কিন্তু কেতিয়াবা চৰাইবোৰে ডুবিয়াই ডুবিয়াই চিকাৰ কৰি থাকোতে অকস্মাতে সাগৰ ইমান নিৰ্দয় হৈ পৰে যে এই ক্ষুদ্ৰ চৰাইবোৰ সাগৰে গিলি পেলায়।" তেওঁ সাগৰক সদায় মৰমৰ কেঁচা সোণ বুলিয়েই ভাবে। সাগৰক ভালপোৱা স্পেনিচ মানুহবোৰেও তেনেদৰেই কয়। তেওঁলোকে কেতিয়াবা সাগৰক গালিও পাৰে। তথাপিও তেওঁলোকৰ বাবে সাগৰ এগৰাকী ৰূপহী মহিলাৰ দৰেই। মটৰ বট থকা আৰু শ্বাৰ্কৰ লিভাৰ বিক্ৰী কৰি চহকী হোৱা কিছুমান ডেকা মাছমৰীয়াই আকৌ সাগৰক পুৰুষ হিচাপে কল্পনা কৰিহে ভাল পায়। সাগৰক তেওঁলোকে প্ৰতিদ্বন্দী নাইবা শত্ৰু হিচাপে গণ্য কৰে। বুঢ়াই কিন্তু সাগৰক পুৰুষ হিচাপে কল্পনা কৰি ভাল নাপায়। তেওঁ সাগৰক সদায় প্ৰকৃতি বুলি ভাবিবলৈহে ভাল পায়। সাগৰ যদি কেতিয়াবা হিংস্ৰ হৈ উঠে তেতিয়া বুজিব লাগিব যে সহায় কৰিব নোৱাৰিহে তেনে কৰিছে। তেওঁৰ ভাৱ হ'ল যে জোনাকত এগৰাকী সুন্দৰী নাৰী জিলিকি উঠাৰ দৰেই সাগৰৰ পানীও অপৰূপ শোভাৰে জিলমিলাই উঠে। তেও ধীৰে ধীৰে নাওবাই আছিল। এই কামত তেওঁৰ বিশেষ কষ্ট হোৱা নাছিল কাৰণ সময়ে সময়ে সোঁতৰ পকনীয়াৰ বাহিৰে সাগৰ শান্ত অৱস্থাতে আছিল। সোঁত তেওৰ সহায়ক হৈছিল পুৱাৰ পোহৰত তেওঁ বুজিব পাৰিছিল যে সিমানখিনি সময়ত তেওঁ ভবাতকৈ বহুদূৰ আগবাঢ়ি গৈছিল।

তেওঁ ভাবিলে "এই দ' অঞ্চলটোত যোৱা সপ্তাহটো মই চেষ্টা কৰিছিলো। কিন্তু, মই এটাও মাছ নাপালো। আজি মই সৰু সৰু সাগৰীয় মাছে জাক পাতি চৰি ফুৰা ঠাইত চেষ্টা কৰি চাম। তাত হয়তো সেই মাছৰ জাকৰ মাজত চৰি ফুৰা ডাঙৰ মাছ এটা পাবও পাৰো।"

ভালদৰে পোহৰ হোৱাৰ আগতেই তেওঁ পানীত বৰশী পেলাইছিল। প্ৰথম বৰশীটো চল্লিছ গজ তলত আৰু দ্বিতীয় বৰশীটো পয়সত্তৰ গজ তলত দিছিল। তৃতীয় আৰু চতুৰ্থ বৰশীৰ ভোগ ক্ৰমে এশ আৰু এশ পঞ্চাছ গজ দ' পানীত দিছিল। টোপ বিলাকৰ মূৰ

ভাগ তললৈ দি তেওঁ বৰশীটো সম্পূর্ণ চাকি পেলাইছিল। প্রতিটো মাছটোপ তেওঁ দুই চকু ফুটাই চিলাইছিল আৰু দেখিবলৈ এধাৰ মালাৰ দৰে হৈছিল। টোপ বিলাক মাছৰ বাবে সুগন্ধি আৰ সোৱাদযুক্ত আছিল।

ল'ৰাটোৱে তেওঁক সাগৰীয় মাছৰ দুটা ভাল টোপ দিছিল। দীঘল ভোগৰ ৰচীডালত সেই দুটাই ওলোমৰ কাম কৰিছিল। বাকী দুডাল ৰচীত তেওঁৰ লোৰ ওলোম আছিল। সেই কেইটাও সুগন্ধি টোপেৰে আমোল মোলাই আছিল। প্রতিডাল ৰচিতে সেউজীয়া মাৰিৰ দীঘল পূঙা অছিল যাতে বৰশীৰ টোপত মাছে মুখ দিলেই গম পোৱা যায়। প্রয়োজন হলে তিনিশ গজ পর্যন্ত দীঘল ৰচী এৰিব পৰাকৈ তেওঁৰ ৰচীৰ যোগাৰ আছিল। বুঢ়াই পূঙ কেইটালৈ নিবিষ্ট মনেৰে চাই আছিল। কোন মুহূর্তত খুটিবলৈ লয় ঠিক নাই। তেওঁ লাহে লাহে নাওঁ বাই আছিল। তেতিয়া পোহৰ হৈছিল আৰু যিকোনো মুহূর্ততে সূর্য উদয় হ'ব।

সূর্য উদয় হ'ল। বুঢ়াই পোহৰত আন নাওঁ বিলাক দেখা পালে। নাওঁ বিলাকে সাগৰত যেনি তেনি ভাঁহি আছিল। লাহে লাহে সূর্য উজ্জ্বল হৈ উঠিছিল আৰ সাগৰত বিচ্ছুৰিত ৰশ্মিয়ে তেওঁৰ চকু চাট মাৰি ধৰিছিল। তেওঁৰ চকুৱে কষ্ট পাইছিল। তেওঁ বেলিৰ ফালে নোচোৱাকৈ লাহে লাহে নাওঁ বাই আছিল বৰশীৰ ওপৰত। তেওঁ ৰচীবোৰ যিমান পাৰে ঢিলাকৈ পানীত পেলাইছিল যাতে গভীৰ পানীত সাঁতুৰি ফুৰা যিকোনো মাছে টোপ বিলাক দেখা পায়। আনবিলাক মাছমৰীয়াই সোঁতত সূতাবোৰ ওপঙি যোৱাৰ প্রতি বিশেষ মনোযোগ নিদিয়ে। যেতিয়া সিহঁতৰ বৰশী ষাঠি গজ পানীৰ তলত থাকে তেতিয়া তেওঁলোকে এশ গজ গভীৰলৈ যোৱা বুলি ভাবে। তেওঁ ভাবিলে কিন্তু মই বৰশী ভবামতেই সঠিক গভীৰতাত পেলাইছো। মাত্র মোৰ ভাগ্যইহে মোক ধৰা দিয়া নাই। কিন্তু কোনে জানে আজি হয়তো মোৰ ভাগ্য ৰবি উদয় হ'ব। প্রতিটো প্রভাতেই একোটা নতুন প্রভাত। ভাগ্যবান হোৱাটো ভাল। কিন্তু মই সজাগ থকা উচিৎ তেতিয়াহে ভাগ্য আহিলে সাজু হ'ব পাৰিম।"

সূর্যোদয়ৰ দুঘণ্টা পাৰ হ'ল। পাৰলৈ তেওঁ চাবপৰা হৈছে। কাৰণ তেওঁৰ চকুৱে আৰু সিমান কষ্ট পোৱা নাই। বন্দৰৰ ফালে ভালেমান নিলগত তেওঁ এতিয়া মাত্র তিনিখন নাওহে দেখা পালে।

"পুৱাৰ সুৰুযে মোৰ চকুত বৰ কষ্ট দিয়ে।" তেওঁ ভাবিলে "কিন্তু চকুযোৰ এতিয়াও ভালে আছে ! আবেলিও সূর্যৰ ৰশ্মি কম চোকা নহয়। কিন্তু পুৱা মই বেচি কষ্ট পাও।"

সেই সময়তে এটা চৰাই তেওঁ দেখা পালে । সাগৰীয় মাছ খোৱা চৰাই। সি তাৰ ক'লা পাখী দুখন মেলি আকাশত উৰি আছিল। মুহূর্ততে সি পানীত এটা ডুব দিলে আৰু পুনৰ আকাশলৈ উৰি গৈ বৃত্তাকাৰে ঘুৰিবলৈ লাগিল।

বুঢ়াই ডাঙৰকৈয়ে ক'লে "সি কিবা এটা পালে।"

চৰাইটো বৃত্তাকাৰে উৰি থকা ঠাইলৈ তেওঁ লাহে লাহে নাও আগবঢ়ালে। তেওঁ লৰালৰি কৰা নাছিল আৰু বৰশীবোৰ যিমান পাৰে তললৈ চিধা কৰি ৰাখিছিল। চৰাইটো অনুসৰণ কৰা বাবে তেওঁৰ বৰশীৰ গতি কিছু খৰ হৈছিল কিন্তু তেওঁ যিমান পাৰে শুদ্ধভাৱেই বৰশীটো পেলোৱাৰ যত্ন এৰা নাছিল। চৰাইটো আকাশৰ আৰু ওপৰলৈ উৰি গ'ল আৰ

ডেউকা দুখন মেলি লৈ পুনৰ বৃত্তাকাৰে ঘূৰিবলৈ ধৰিলে, চৰাইটোৱে পুনৰ এটা ডুব মাৰিলে আৰু উৰণীয়া মাছবিলাকে পানীৰ ওপৰত হুলস্থূল লগাই দিলে।

বুঢ়াই ডাঙৰকৈ ক'লে "ডলফিন, ডাঙৰ ডলফিন।"

তেওঁ বঠা এৰি তলৰপৰা এটা বৰশী উলিয়াই আনিলে। সেইটো আছিল এটা মজলীয়া বৰশী। তেওঁ মাছটোপ এটা চিলাই বৰশীটো পানীত পেলালে আৰু ৰচীডাল নাৱৰ বল্টুত বান্ধি থ'লে। তেওঁ আৰু এটা বৰশী পানীত দি ৰচিডাল নাৱৰ চৈ খনত টানকৈ বাধিলে আৰু পুনৰ বঠা মৰাত লাগিল। তেওঁ চৰাইটো লক্ষ্য কৰি আছিল। এইবাৰ চৰাইটো বহুত তললৈ নামিল। পানীৰ ঠিক ওপৰতে সি পুনৰ বৃত্তাকাৰে ঘুৰিবলৈ ধৰিলে।

তেওঁ চাই থাকোতেই চৰাইটোৱে আৰু এটা ডুব মাৰিলে। তাৰ পিচত পানীৰ ওপৰত পাখী দুখন মেলি উৰণীয়া মাছ বিলাকৰ পাছে পাছে যাবলৈ ধৰিলে। বুঢ়াই পানীত কিবা এটা ওলোৱা যেন দেখা পালে। সেইটো আছিল ডাঙৰ ডলফিন। সি পলৰীয়া মাছবোৰ খেদিছিল। ডলফিনটোৱে উৰণীয়া মাছ বিলাকৰ তলে তলে পানী কাটি গৈ আছিল আৰু মাছবোৰ তললৈ সোমালেই সি কোবেৰে ধৰিবলৈ যত্ন কৰিছিল। এই ঠাই ডলফিনৰ ৰম্যস্থান। ইয়াত ডলফিনৰ সংখ্যা অলেখ আৰু উৰণীয়া মাছ বিলাক সাৰি যোৱাৰ উপায় নাছিল। চৰাইটোৱে কিন্তু মাছ ধৰিব পৰা নাছিল। উৰণীয়া মাছ বিলাক চৰাইটোৰ বাবে ডাঙৰ আছিল। তাৰোপৰি মাছবোৰৰ গতি আছিল অতি খৰ।

উৰামাছবোৰ জাকিমাৰি ওলাই সোমাই থকা দৃশ্য তেওঁ উপভোগ কৰিছিল। চৰাইটোৰ গতিবিধিও তেওঁ লক্ষ্য কৰি আছিল। তেওঁ ভাবিছিল "এই খেল বেচি সময় নচলিব সিহঁত সোনকালেই বহুদূৰ আঁতৰি যাব। সম্ভৱ মই ভুল পথ লৈছো। মোৰ কল্পনাৰ ডাঙৰ মাছটো কিজানি এই বিলাকৰ মাজতে আছে। কৰবাত মোৰ সেই ডাঙৰ মাছটো নিশ্চয় আছে।"

ডাৱৰ বিলাক এটা পাহাৰৰ দৰে উঠি আহিছিল। পিচফালৰ সেউজীয়া পাহাৰটোৰ সৈতে উপকূলটোক এতিয়া এডাল সেউজীয়া ৰচীৰ দৰে দেখা গৈছিল। পানীৰ বৰণ এতিয়া গাঢ় নীলা। ইমান ডাঠ নীলা যে চকুত বেঙুনীয়াৰ দৰে জিলিঙনি লাগিছিল। তেওঁ পানীলৈ চালে। সাগৰীয় উদ্ভিদৰ ৰঙৰ ওপৰত সূৰ্যৰ পোহৰ পৰি এক আচৰিত ধৰণৰ ৰঙৰ সমাবেশ ঘটিছিল। পানীত সাগৰীয় উদ্ভিদ দেখি তেওঁৰ ভাল লাগিছিল কাৰণ এনে ঠাইতে মাছ থাকে। তেওঁ বৰশীৰ পূঙালৈ চাই থাকিল। দুপৰৰ সূৰ্যৰ উজ্জ্বল কিৰণ আৰু ডাৱৰৰ ৰঙে তেওঁক বুজাই দিছিল যে বতৰ বেয়া নহয়। চৰাইটো চকুৰে মণিব নোৱাৰা হৈছিল। চৌদিশে পানী। পানীৰ বাহিৰে আৰু একো নাই। ৰ'দত পকা-ৰঙ ধৰা কিছুমান চাৰাগাছো উদ্ভিদ, বেঙুনীয়া আৰু ৰামধেনু ৰঙা কিছুমান মাংসহাৰী উদ্ভিদহে মাত্ৰ পানীত ওপঙি ফুৰা দেখা গৈছিল। সেইবোৰ সোঁফাললৈ আঁতৰি গৈছিল। মাংসহাৰী উদ্ভিদবিলাক বুৰবুৰণি তুলি আনন্দত ওপঙি ফৰিছিল আৰু ইয়াৰ দীঘল নলিকাবিলাক প্ৰায় এগজমান পানীৰ তলত সোমাই আছিল।

তেওঁ উল্লাসেৰে চিঞৰিলে "আগুৱামালা।"

তেওঁ বঠাডালত ভৰ দি পানীলৈ চালে সৰু সৰু মাছবোৰ, চুঁচৰি ফুৰা নলিকা বিলাকৰ মাজত সাঁতুৰি ফুৰা দেখিবলৈ পালে। মাংসহাৰী উদ্ভিদৰ নলিকাত থকা বিষে মাছবোৰৰ একো অপকাৰ কৰিব নোৱাৰে। কিন্তু মানুহে এই বিষৰ দ্বাৰা আক্ৰান্ত নোহোৱাকৈ

নাথাকে। আইভিলিতা বা ওক গছৰ বিষতকৈ এই বিষ অধিক বিষাক্ত। আগুৱামালাৰ বিষে তৎক্ষণাত সৌকাৰ কোবৰ দৰেই আক্ৰমণ কৰে। ৰামধেনু ৰঙৰ এই বুদবুদবিলাক বৰ ধুনীয়া। কিন্তু এইবোৰ একেবাৰে অসাৰ বস্তু। ডাঙৰ কাছই এইবোৰ খাই থকা চাই বুঢ়াই বৰ আমোদ পায়। এইবোৰ দেখিলেই কাছবোৰ কাষ চাপি যায় আৰু মুৰটো চলঙৰ ভিতৰত সুমাই লৈ নলিকা বিলাক খাবলৈ ধৰে। কাছই এইবোৰ খাই থকাৰ দৃশ্য চাই বুঢ়াৰ বৰ ভাল লাগিছিল। ধুমুহাৰ পিচত সাগৰৰ পাৰত পৰি থকা এই আগুৱামালা বিলাকৰ ওপৰেৰে জোতাৰে খোজকাঢ়ি যাওতে হোৱা মচ মচ শব্দবোৰ শুনিও তেওঁ আমোদ পাইছিল।

সেউজীয়া ৰঙৰ আৰু শেনঠুটীয়া কাছবোৰক তেওঁৰ বৰ মৰম লাগে। সিহতৰ মুৰ্খামিৰ বাবে সিহঁতলৈ তেওঁৰ খঙো উঠে, বেয়াও লাগে! সিহঁতৰ হালধীয়া চলং, আচৰিত ধৰণৰ প্ৰেম বিনিময় আৰু চকুমুদি সাগৰীয় উদ্ভিদ খোৱাৰ দৃশ্য তেওঁৰ বৰ ভাল লাগে।

কাছৰ প্ৰতি তেওঁৰ কোনো বেলেগে ইন্দ্ৰিয়াতীত অনুভূতি নাই। তেওঁ অৱশ্যে ভালেবছৰ নাৱেৰে কাছ ধৰিবলৈ গৈছিল। সিহঁতৰ প্ৰতি তেওঁৰ পুতৌ লাগে। নাওঁখনৰ সমান দীঘল আৰু এক টন ওজনৰ বৃহৎ কাছলৈও তেওঁৰ দুখ লাগে। সৰহ বিলাক মানুহৰে কাছৰ প্ৰতি কোনো অনুকম্পা নাই, কাৰণ দেখা যায় যে কাছৰ কলিজাই ধিপ ধিপ কৰি থাকোতেই মানুহে তাক কাটি টুকুৰা টুকুৰ কৰি পেলায়। কাছৰ কলিজাৰ ধিপ ধিপনি তাৰো বহুত পিচলৈকে থাকে। বুঢ়াই ভাবিলে “মোৰ কলিজাখনো কাছৰ কলিজাৰ দৰেই আৰু মোৰ হাত-ভৰিবোৰো সিহঁতৰ দৰেই।” শক্তি পাবলৈ তেওঁ কাছৰ বগা কলিজাবিলাক খায়। গোটেই মে মাহ ধৰি তেওঁ এই কণী খাই যাতে চেপ্তেম্বৰ আৰু অক্টোবৰ মাহত ডাঙৰ মাছ ধৰিবলৈ তেওঁৰ দেহত শক্তি থাকে !

তেওঁ প্ৰতিদিনে একোকাপ শ্বাৰ্কৰ তেল খায়। কিন্তু, সকলো মাছমৰীয়াই এই তেলৰ সোৱাদ ভাল নাপায়। কিন্তু, এই তেল ঠাণ্ডাৰ বাবে বেচ ভাল আৰু চকুৰ কাৰণেও ভাল।

চৰাইটো পুনৰ বৃত্তাকাৰে উৰি থকা বুঢ়াই দেখা পালে।

তেওঁ ডাঙৰকৈ ক'লে “সি এটা মাছ পালে।” কোনো মাছ ওপৰলৈ ওলোৱা নাই আৰু কোনো পোনামাছেও কমনিউৱা নাই। বুঢ়াই চাই থাকোতে এটা সৰু সাগৰীয় মাছ পানীত সৰা দেখিবলৈ পালে। মাছটো পোহৰত বগা দেখা গৈছিল। এটাৰ পিছত এটাকৈ মাছবোৰ পানীত সৰিবলৈ ধৰিলে। সিহঁতে যেনি তেনি জপিয়াবলৈ ধৰিলে আৰু পানী চিতিকাই পেলালে। সিহঁতে পোনামাছবোৰৰ পিছে পিছে জপিয়াবলৈ ধৰিলে আৰু লাহে লাহে সিহঁতক বেৰি ধৰিলে।

বুঢ়াই ভাবিলে “সিহত যদি বেগেৰে নাযায় মই সিহঁতৰ মাজত সোমাই পৰিম।” তেওঁ মাছৰ এই খেলা চাই থাকিল। ইফালে চৰাইটোৱে বাৰে বাৰে পোনামাছবিলাকৰ মাজত বুৰিয়াবলৈ ধৰিলে। পোনামাছবোৰ ভয়ত জপিয়াবলৈ লাগিল।

বঢ়াই ক'লে “চৰাইবোৰে বৰ সহায় কৰে।” তেনেতে তেওঁ ভৰিৰে গছকি থকা ৰচীডাল টান ফিট্‌ফিটিয়া হোৱা গম পালে। তেওঁ বঠাপাত থৈ ৰচীডাল টানিবলৈ ধৰিলে। তেও বৰশীত লগা মাছৰ জোকাৰণি অনুভৱ কৰিলে। তেওঁ যিমানে টানিলে সিমানে তাৰ জোকাৰণি বাঢ়িল। এটা সময়ত তেওঁ মাছটোৰ নীলা পিঠিখন আৰু সোণালী পেট অংশ

দেখা পালে। লগে লগে তেওঁ জোৰেৰে টান মাৰি তাক নাওখনত পেলাই দিলে। মাছটো নাৱৰ কাঠত পৰি ফানখন জোকাৰি আছিল। বুঢ়াই তাৰ মূৰত টাঙোনেৰে মাৰ এটা মাৰি তাক নাৱৰ চৈ খনৰ তলত পেলাই থলে। মাছটোৱে তেতিয়াও ধিপ ধিপ কৰি আছিল !

বঢ়াই ডাঙৰকৈ ক'লে "সাগৰীয় 'এলবাকৰ'। এইটো এটা ধুনীয়া মাছ। তাৰ ওজন প্ৰায় দহ পাউণ্ড"

তেওঁৰ মনত নাছিল কেতিয়াৰ পৰা তেওঁ অকলে অকলে ডাঙৰ ডাঙৰকৈ কথা পতা আৰম্ভ কৰিছিল। আগৰ দিনত অকলশৰীয়া হ'লে তেওঁ চিঞৰি চিঞৰি গান গাইছিল। ল'ৰাটোৱে লগ এৰাৰ পিচৰ পৰাহে কিজানি তেওঁ অকলশৰে কথা পতা আৰম্ভ কৰিছিল। কিন্তু তেওঁ মনত পেলাব পৰা নাছিল। ল'ৰাটোৰ লগত মাছ মাৰোতে তেওলোকে খুব প্ৰয়োজনতহে কথা পাতিছিল। সাগৰত মাছ মাৰোতে মনে মনে থকাটোৱেই ভাল। প্ৰয়োজন নহলে কথা পতা উচিৎ নহয় । বঢ়াই সেই কথা বিশ্বাস কৰিছিল। কিন্তু অজিকালি তেওঁ অকলশৰে ডাঙৰ ডাঙৰকৈ কথা পাতি থাকে। কাৰণ তেওঁক হাক দিবলৈ তেওঁৰ লগত কোনো নাথাকে।

তেওঁ পুনৰ সশব্দে ক'লে "মই এনেদৰে কথা পাতি থকা শুনিলে আনে মোক পাগল বুলি কব। কিন্তু মই যিহেতু পাগল নহয় মই তেনে কথালৈ কেৰেপ নকৰো! ধনী বিলাকৰ কথা বেলেগ তেওঁলোকৰ ৰেডিঅ' আছে শুনি থাকিব। তেওঁলোকে বেচবলৰ খবৰো পাই থাকে।"

তেওঁ ভাবিলে "এতিয়া বেচবলৰ কথা চিন্তা কৰাৰ সময় নাই এতিয়া মাত্ৰ এটা বস্তুৰ কথাই ভাবিব লাগিব যিটোৰ বাবেই মোৰ জন্ম। ইয়াতেই নিশ্চয় সেই ডাঙৰ মাছটো আছে। আহাৰ বিচাৰি ফুৰা সাগৰীয় এলবাকৰ জাকৰ মাজত অকলশৰীয়া হৈ পৰা এটাহে মই ধৰিছো। সিহত বৰ বেগেৰে দূৰলৈ গৈ আছে। আজি দেখোন সকলোবিলাকেই বৰ বেগেৰে উত্তৰ পূব দিশলৈ গতি কৰিছে। দিনকাল এনেকুৱাইনে ? নহলে এইয়া বতৰৰ কিবা সংকেত নে কি যিটো মই এতিয়ালৈকে জনা নাছিলো।"

উপকূলৰ সেউজীয়া ৰং তেওঁৰ চকুৰ পৰা হেৰাই গ'ল। নীলা পাহাৰৰ বৰফেৰে ঢকা সুউচ্ছ চূড়াহে তেওঁৰ চকুত পৰিছিল। পাহাৰৰ ওপৰৰ বগা জাৱৰবোৰ বৰফৰ পাহাৰ যেন লাগিছিল। সাগৰৰ ৰং গভীৰ গাঢ় আছিল আৰু পোহৰৰ ৰামধেনু খেলিছিল। অসংখ্য ক্ষুদ্ৰ ক্ষুদ্ৰ সাগৰীয় উদ্ভিদ সূৰ্যৰ চোকা ৰশ্মিত নেদেখা হৈ পৰিল। সাগৰৰ নীলা পানীত এই ক্ষুদ্ৰ উদ্ভিদ বিলাকেই বুঢ়াই দেখা পোৱা এখন সাতৰঙী ফলকৰ কাম কৰিছিল। বুঢ়াৰ বৰশীৰ ৰচী তেতিয়াও চিধা হৈ আছিল। সাগৰৰ গভীৰতা সেই ঠাইত এমাইলৰ কম নহয়।

সাগৰীয় পোনা মাছৰ জাক নেদেখা হল। ইহঁতক সকলো মাছমৰীয়াই পোনা মাছ বুলিয়েই কয়। মাত্ৰ বজাৰত বেচিবলৈ নিওতেহে প্ৰকৃত নাম কোৱা হয়। বুঢ়াই পিঠিত ৰ'দৰ তাপ অনুভৱ কৰিছিল। নাও বাই থাকোতে তেওঁৰ পিঠিয়েদি ঘাম বাগৰিছিল। তেওঁ ভাবিলে এতিয়া দেখোন বঠা নামাৰি শুই থাকিবও পাৰি। সাৰ পাবৰ বাবে বৰশীৰ ৰচী এডাল ভৰিত বান্ধি থলেই হ'ল। কিন্তু আজিৰ দিনটো যে পচাশী নম্বৰ দিন। মই ভাল দৰে বৰশী বাব লাগিব।

সেই সময়তে তেওঁ দেখিলে যে তেওঁৰ সেউজীয়া পূঙাটোৱে খৰ খোট মাৰিছে।

তেওঁ ক'লে “হয়, নিশ্চয় হয়” নাওখন নকঁপাকৈ তেও লাহে লাহে বঠা মাৰলি আৰু ৰচীডাল সোঁহাতে খামুচি ধৰিলে। কিন্তু ৰচীডালত তেওঁ মাছৰ আজোৰ অনুভৱ নকৰিলে। তথাপিও তেওঁ ৰচীডাল ঢিলাকৈ ধৰি থাকিল। পনৰ পূঙাটোৱে খুটিলে; এইবাৰ তেওঁ অনুমান কৰিব পাৰিলে। এশ গজ তলত এটা ডাঙৰ মাছে টোপ খাবলৈ আৰম্ভ কৰিছে।

বুঢ়াই বাওঁহাতেৰে ৰচী ডাল কোমলকৈ ধৰিলে আৰু দাৰিকি ডালৰ পৰা ৰচী ডাল এৰৱালে। মাছটোৱে কোনো অসুবিধা নোপোৱকৈ প্ৰয়োজন হ'লে ৰচীডাল তেওঁৰ আঙুলিৰ মাজেৰে এৰি থাকিব পাৰিম।

“এই মাজ সাগৰত ই নিশ্চয় এটা ডাঙৰ মাছ”, তেওঁ ভাবিলে “খোৱা, টোপটো ভালকৈ গিলা। এই টোপ খিনি কিমান ধুনীয়া। তুমি এতিয়া সাগৰত ছশ ফুট গভীৰত আছা। তুমি সেই গভীৰতাৰপৰা ওলাই আহা আৰু এই টোপবোৰ খোৱা।”

তেওঁ এটা মিহি আজোৰ অনুভৱ কৰিলে। তাৰ পিছত এটা টান আজোৰ মৰা গম পালে। কিন্ত বৰশীৰ পৰা মাছটোপটো ভাঙি এৰুৱাই নিয়া সহজ নাছিল। তাৰ পিছত পুনৰ নিতাল মাৰিলে।

বুঢ়াই ডাঙৰকৈ ক'লে “আহা, আৰু এটা খোট মাৰা, টোপৰ গন্ধ লোৱাচোন। সেইয়া জানো সুগন্ধি নহয় ? খোৱা, গোটেইখিনি খোৱা, মাছ তুমি লাজ নকৰিবা। গোটেই টোপটো গিলি পেলোৱা”

তেওঁ ৰচিডাল ধৰি খোট মৰালৈ বাট চাই আছিল। আন বৰশী কেইটালৈও তেওঁ মন কৰিছিল। কাৰণ তেওঁ ভাবিছিল যে মাছটো ওপৰলৈ উঠিবও পাৰে হয়তো বা সি তললৈ গতি কৰিবও পাৰে। তেওঁ বৰশীত পুনৰ মিহি খোট অনুভব কৰিলে।

বুঢ়াই ডাঙৰকৈ ক'লে “সি এতিয়া নিশ্চয় টোপ গিলিব। হে ভগবান, কৃপা কৰা।”

সি টোপ নিগিলিলে, সি এৰি দিলে আৰু বুঢ়াই একো গম নোপোৱা হ'ল।

তেওঁ কলে ”সি কেতিয়াও যাব নোৱাৰে। সি পুনৰ আহিব। তাৰ মুখত হয়তো আগতেওঁ বৰশীয়ে বিন্ধিছিল, তেনে কিবা ঘটনা হয়তো তাৰ মনত পৰিছে।

বৰশীত পুনৰ খোটা তেওঁ গম পালে। তেওঁৰ মন আনন্দত নাচি উঠিল।

“এইবাৰ সি নিশ্চয় গিলিব।” তেওঁ ডাঙৰকৈ ক'লে।

মাছৰ গহীন খোট দেখি তেওঁৰ মন আনন্দত নাচি উঠিছিল। তেওঁৰ ৰচীডাল ক্ৰমাৎ বিৰাট টান আৰু অভাৱনীয় ভাৱে গধুৰ হৈ উঠিল। সেইয়া আছিল মাছটোৰ ওজন। তেওঁ ৰচীডাল লাহে লাহে ঢিলাই এৰি আছিল। তেওঁ মজুত কৰি ৰখা দুমুঠা ৰচীৰ এমুঠা তেওঁ ইতিমধ্যে এৰি দিছিল। তেওঁ এতিয়াও গধুৰ অনুভৱ কৰিয়েই আছিল। কিন্তু হাতত অনুভৱ কৰা এই বিৰাট ওজনৰ পৰা অৱশ্যে তেওঁ সঠিক ধৰিব পৰা নাছিল।

তেওঁ ক'লে “এইটোনো কি মাছ ? তাৰ হয়তো কোৱাৰিত বৰশী লাগিল আৰু বৰশীটো মুখত লৈ সি আঁতৰি গৈছে।” তেওঁ ভাবিছিল যে ইয়াৰ পিচত হয়তো সি বৰশীটো একেবাৰে গিলি পেলাব। তেওঁ ভাবিলেহে কিন্তু মুখেৰে নক'লে, কাৰণ তেও জানে যে সদায় মনেৰে ভাল বুলি ভবা কথাটো কাৰ্যত নঘটিবও পাৰে। সেইটো যে এটা ডাঙৰ মাছ সেই কথা তেওঁ বুজি পালে। তেওঁ ভাবিলে যে টোপটো হয়তো তাৰ মুখত পথালিকৈ লাগিল আৰু সি ক্ৰমাৎ গভীৰ অন্ধকাৰ পানীলৈ আঁতৰি গৈছে। তেওঁ মাছটো

থমকি ৰোৱা যেন অনুমান কৰিলে। কিন্তু তেওঁ হাতত পাই থকা ওজন তেতিয়াও কমা নাছিল। লাহে লাহে ওজন আৰু বাঢ়িবলৈ ধৰিলে। তেওঁ পুনৰ ৰচী এৰিবলৈ ধৰিলে। মাজতে তেওঁ এবাৰ ৰচীডাল টানি ধৰি চালে । তেওঁ পূৰ্বতকৈও বেছি গধুৰ অনুভৱ কৰিলে। মাছটোৱে এইবাৰ পোনে পোনে তলমুৱা গতি ল'লে।

তেওঁ ক'লে, "মাছটোৱে টোপ গিলিছে। তাক ভালদৰে গিলিবলৈ দিয়া হওক।"

তেওঁ ৰচীডাল লাহে লাহে এৰি থাকিল। লৰালৰিকৈ তেওঁৰ মজুত থকা ৰচি মুঠাৰ লগত বৰশীৰ ৰচীডাল জোৰা লগাই দিলে। তেওঁৰ তেতিয়াও তিনিশ চল্লিশ গজ ৰচী টাকুৰিত মজুত আছিল।

তেওঁ ক'লে, "আৰু অলপ গিলা। ভালকৈ খোৱা।"

তেওঁ ভাবিছিল যে টোপটো মাছটোৱে এনেদৰে গিলক যাতে বৰশীয়ে তাৰ কলিজাত বিন্ধি তাক মাৰি পেলায়। তেওঁ ক'লে "তুমি ওলাই আহা আৰু মই এই যাঠি পাতেৰে তোমাক বধ কৰিম। তুমি সাজু নে ?"

তেওঁ দুহাতেৰে ৰচিডাল টানিবলৈ ধৰিলে। দেহৰ সমস্ত শক্তিৰে তেওঁ ৰচিডাল টানিলে। কিন্তু একো লাভ নহ'ল। মাছটো লাহে লাহে আঁতৰি গৈ থাকিল। তেওঁ তাক এক ইঞ্চিও উঠাব নোৱাৰিলে। তেওঁৰ ৰচিবোৰ ডাঙৰ মাছৰ বাবে তৈয়াৰী। গতিকে ৰচীবোৰ বেচ টান। তেওঁ ককালত মেৰিয়াই লৈ ইমান জোৰেৰে ৰচীডাল টানিছিল যে ফিটফিটিয়া ৰচীডালৰ পৰা পানীৰ কণ কণ টোপালবোৰ দূৰত ছিটিকি পৰিছিল। তেওঁ এটা সৰু হিচ্ হিচ্ শব্দ শুনিবলৈ পাইছিল। তেওঁ নাৱৰ গুৰিত ভেজা দি সমস্ত শক্তিৰে ৰচীডাল টানি আছিল। নাওখন লাহে লাহে উত্তৰ-পশ্চিম দিশে গৈ আছিল।

মাছটো লাহে লাহে ঘূৰি ফুৰিছিল। সাগৰৰ পানী শান্ত আছিল। বাকী বিলাক বৰশী পানীত আছিল। কিন্তু, সেই বিলাকৰ প্ৰতি তেওঁৰ কৰিব লগা একো নাছিল।

বুঢ়াই ক'লে "ল'ৰাটো লগত থকা হ'লে ভাল আছিল। মাছটোৱে মোক টানি আছে। মই মাছটো টানি আছো। মই আৰু জোৰেৰে টানিব পাৰো। কিন্তু তেতিয়া সি ৰচীডাল চিঙি পেলাব পাৰে। পৰ্যমানে তাক সাৰি যাবলৈ দিব নোৱাৰি দৰ্কাৰ হ'লে ৰচীডালকে ঢিলাই দিব লাগিব। ভগৱানৰ কৃপাত সি অধিক গভীৰতালৈ নগৈ ইফালে সিফালে সাঁতুৰি ফুৰিছে।"

"সি পানীৰ তললৈ সোমাই গ'লে কি কৰিম নাজানো। সি যদি গুজৰি গুমৰি মৰি থাকে তেতিয়াও কি কৰিম নাজানো। কিন্তু মই কিবা এটা কৰিম। মই কৰিব পৰা প্ৰচুৰ কাম আছে" তেওঁ এই কথাবোৰকে ভাবি আছিল। ককালত মেৰিয়াই থোৱা ৰচীডাল তেওঁ আৰু ভালকৈ ধৰিলে। নাওখন ধীৰে ধীৰে উত্তৰ পশ্চিম দিশে গৈ আছিল।

বুঢ়াই ভাবিছিল এই মাছটোৱে তেওঁক বধিব। সি এনেকৈয়ে সদায় টানি নাথাকে, কিন্তু চাৰি ঘণ্টাৰ পিচত মাছটোৱে সাগৰত সাঁতুৰিবলৈ আৰম্ভ কৰিলে। সি নাওখন টানি নিছিল আৰু বুঢ়াই ৰচীডালত ধৰি গৈছিল। তেওঁ ক'লে "সি দুপৰীয়াতে বৰশীত লাগিল আৰু মই তাক এতিয়ালৈকে এবাৰো দেখা পোৱা নাই।"

মাছটো বৰশীত লগাৰ আগতেই তেওঁ ঘাঁহৰ টুপীটো পিন্ধিছিল। টুপীৰ ৰচীডালে তেওঁৰ কপালত কৰপ কাটি গৈছিল। তেওঁৰ পিয়াহো লাগিছিল। ৰচীডালত অকণো জোকাৰ

নোখোৱাকৈ, খুউব সাৱধানে কুঁজা হৈ তেওঁ পানীৰ বটলটো আনিলে আৰু পিয়াহ পলুৱাই পানী খালে। ক্ষন্তেক জিৰণিৰ বাবে তেওঁ নাৱৰ কাঠত বহি পৰিল। বিভিন্ন চিন্তাবোৰ আঁতৰাই থৈ তেওঁ নিৰৱে এই কষ্ট সহ্য কৰিবলৈ চেষ্টা কৰিলে।

পিচলৈ ঘূৰি চাই তেওঁ কেনিও এচমকা মাটি দেখা নাপালে। কেউফালে মাথোন পানী। তেওঁ ভাবিলে "এইটোনো কি কথা। মই হাভানাৰপৰা সদায় এনেদৰেই অহা যোৱা কৰো।" বেলি ডুবিবলৈ তেতিয়াও দুঘন্টা বাকী। মাছটো সম্ভৱ তাৰ আগতেই ওপৰলৈ ওলাব। যদি নহয় তেতিয়াহ'লে হয়তো জোন উঠাৰ পৰত তাক দেখা পোৱা যাব। তেতিয়াও যদি সি নাহে তেতিয়া হয়তো ৰাতিপুৱা বেলি উঠাৰ পৰত সি ওপৰলৈ ওলাই দেখা দিব। তেওঁ আৰু ভাবিলে "মই বিশেষ কষ্ট পোৱা নাই। মোৰ এতিয়াও যথেষ্ট শক্তি আছে। কিন্তু এনেদৰে টানি নিবলৈ এইটো বাৰু কি মাছ ? সি নিশ্চয় ৰচীডাল কামুৰি ধৰি আছে। মোৰ বিপৰীতে সেইটোনো কি জানিবৰ বাবে মই যদি তাক মাত্ৰ এবাৰলৈও দেখা পালোহেঁতেন।"

গোটেই নিশা মাছটো এনেদৰেই থাকিল। তাৰ গতিৰ কোনো পৰিৱৰ্তন নহ'ল। বেলি ডুবাৰ পিচত ঠাণ্ডা পৰিছিল, বুঢ়াৰ ঘামবোৰ শুকাই গৈছিল। হাত আৰু ভৰিত তেওঁ বেচি ঠাণ্ডা অনুভৱ কৰিছিল। তেওঁ হলৌ চোলাটো টোপৰ বাকচটোৰ ওপৰত গোটেই দিনটো মেলি থৈছিল। বেলি ডুবাৰ পিচত তেওঁ চোলাটো পিন্ধি ল'লে। পিঠিৰ ৰচীডালৰ তলেদি চোলাটো সাৱধানে সুমাই দিলে। তেওঁ এতিয়া অলপ আৰাম পালে। অৱস্থাতো আচলতে সামান্যহে সহ্য কৰিব পৰা বিধৰ হৈছিল। কিন্তু তেওঁ তাকে আৰামদায়ক বুলি ভাবি লৈছিল। তেওঁ ভাবিছিল "মই তাক একো কৰিব নোৱাৰো আৰু সিয়ো মোক একো কৰিব নোৱাৰে।"

তেওঁ ঠিয় হৈ আকাশলৈ চালে। তেওঁ নাৱৰ গতি থমাবলৈ যত্ন কৰিলে। ৰচীডাল তেওঁৰ কান্ধৰ পৰা পানীৰ ওপৰত এডাল ৰঙীন আঁচৰ দৰে জিলিকি আছিল। তেওঁলোক খুউব ধীৰে ধীৰে গৈ আছিল। হাভানাৰ উজ্জ্বল পোহৰ তেওঁ ৰিণিকি ৰিণিকিহে দেখা পাইছিল। তেওঁ বুজিব পাৰিলে যে সোঁতে তেওঁলোকক পূৱ দিশলৈ ঠেলিছে। যদি হাভানাৰ পোহৰ নেদেখা হয় তেতিয়া হ'লে বুজিব লাগিব যে তেওঁলোকে অধিক পূৱলৈ গতি কৰিছে। "যদি মাছটোৰ গতি এনেদৰেই থাকে তেতিয়াহ'লে আৰু কেইঘণ্টামান হাভানাৰ পোহৰ দেখিবলৈ পাম।" তেওঁ আৰু ভাবিলে "আজিৰ লীগ মেছত বেচবলৰ ফলাফল বা কি হ'ল ? ৰেডিঅ' এটা থকা হ'লে বেচবলৰ বিৱৰণি শুনি ভাল লাগিলহেতেন" তেওঁৰ চিন্তা সলনি হ'ল। "এইবোৰ কথাকে সদায় ভবা হয়। নিজে আচলতে কি কৰিছো সেই কথাহে চিন্তা কৰিব লাগে, কেতিয়াও মুৰ্খামী কৰিব নালাগে।"

তেওঁ পুনৰ ক'লে "ল'ৰাটো লগত থকা হ'লে ভাল আছিল। মোক সহায় কৰিব পাৰিলেহেতেন আৰু এই খেলাও চাব পাৰিলেহেতেন।"

তেওঁ নিজে নিজে ক'লে "বুঢ়া বয়সত কোনো অকলে থকা উচিৎ নহয়। কিন্ত এতিয়া যে এৰি যাব নোৱাৰি। দেহৰ শক্তিৰ কাৰণে মাছটো বেয়া হোৱাৰ আগতেই যোৱা ভাল আছিল। কিন্তু মনত ৰাখিব লাগিব যে ৰাতিপুৱালেই মই মাছটো খাম।"

নিশা দুটা শিহু নাওখনৰ কাষলৈ আহিছিল, তেওঁ সিহঁতক আঁতৰৰ পৰাই চিনি পাইছিল। মতা শিহু আৰু মাইকী শিহু তেওঁ মাতৰ পৰাই চিনিব পাৰে।

তেওঁ ক'লে "সিহঁত ভাল। সিহঁতে ইটোৱে সিটোক মৰম কৰিছে আৰু খেলিছে। উৰণীয়ামাছ বিলাকৰ দৰেই সিহত আমাৰ বন্ধু।"

বৰশীত লগা মাছটোৰ প্ৰতি তেওঁৰ পুতৌ উপজিল। সি এটা আচৰিত মাছ। কোনে জানে তাৰ বা বয়স কিমান। তেওঁ ভাবিলে "ইমান শক্তিশালী মাছ আৰু মাছৰ এনে আচৰণ মই পূৰ্বে কাহানিও দেখা নাছিলো। সম্ভৱ সি বেচ জ্ঞানী। সেই কাৰণেই সি জপিওৱা নাই। সি জাপ মাৰি বা দৌৰ মাৰি মোক একেবাৰে শেষ কৰি দিব পাৰে। সম্ভৱ সি পূৰ্বে কেইবাবাৰো বৰশীত লাগিছিল। সেয়ে সি জানে কেনেদৰে যুঁজ দিব লাগে। সি হয়তো নাজানে সি যুঁজ দিয়া মানুহজন অকলশৰীয়া এজন বৃদ্ধ ! কিন্তু সি যে কিমান ডাঙৰ মাছ ভাবিব নোৱাৰি। তাৰ মাংস বিলাক যদি ভাল হয় বজাৰত বহুত মূল্য পোৱা যাব। সি এটা মতা মাছৰ দৰে টোপ খাইছিল আৰু এটা মতা মাছৰ দৰে টানিছিল। মোৰ ভয় হৈছে সি কিজানি কিবা বেলেগ পৰিকল্পনা কৰি আছে। সি যদি মোৰ দৰেই উন্মত্ত হৈ উঠে তেতিয়া কি হ'ব ?"

এযোৰ মাৰলিন মাছৰ এটাক বৰশীত লগোৱাৰ কথা তেওঁৰ মনত পৰিছিল। মতা মাছটোৱে সদায় মাইকী মাছজনীক আগতে খাবলৈ দিয়ে। বৰশীত লাগিলে মাইকী মাছজনী বিতত হৈ ভয়ঙ্কৰ যুদ্ধত অৱতীণ হয়। ফলত তাই সোনকালেই ভাগৰি পৰে। সেই সময়ত মতা মাছটো অনবৰতে তাইৰ লগতে থাকে। সি তাইৰ ইমান কাষে কাষে আছিল যে বুঢ়াৰ ভয় হৈছিল কিজানি সি তাৰ কাচিখনৰ নিচিনা আকোৰা ফান কোচাই ৰচীডাল কাটি পেলায়। তেওঁ মাছজনীৰ মূৰত যাঠিৰে খুচি তাইক বধ কৰিছিল আৰু ল'ৰাটোৰ সহায়ত মাছজনী নাৱত তুলিছিল। সেই সময়লৈকে কিন্তু মতা মাছটো নাওখনৰ কাষতে আছিল। যেতিয়া বুঢ়াই ৰচীবোৰ ঠিক ঠাক কৰি মাছজনীৰ গাৰপৰা যাঠিডাল উলিয়াইছিল তেতিয়া মাছটোৱে ডাঙৰ জাপ এটা মাৰি নাওখনৰ ভিতৰত থকা মাছজনী শেষবাৰলৈ চাইছিল। পিচত সি ফানকোচা বহলকৈ মেলি গভীৰ পানীলৈ আঁতৰি গৈছিল। বুঢ়াই কথাবোৰ মনতে পাগুলি আছিল।

এই দৃশ্যই বুঢ়াক মৰ্মান্তিক দুখ দিছিল। ল'ৰাটোৱেও দুঃখ কৰিছিল। তেওঁলোকে মাছজনীৰ বাবে প্ৰাৰ্থনা জনাইছিল আৰু পিচত লৰালৰিকৈ মাছজনীৰ বাকলি গুচাই ভাগ ভাগ কৰি কাটিছিল।

তেওঁ ডাঙৰকৈ ক'লে "ল'ৰাটো লগত থকা হ'লে ভাল আছিল।" তেওঁ নাৱৰ তক্তা এচতাত বহি পৰিছিল আৰু নিজমতে গৈ থকা মাছটোৰ শক্তি তেওঁ পিঠিৰ ৰচিডালতে অনুমান কৰিব পাৰিছিল।

বুঢ়াই ভাবিছিল এই প্ৰবঞ্চনাৰ মাজতে সি তাৰ সিদ্ধান্ত ঠিক কৰি লোৱা উচিত।

সকলো প্ৰলোভন আৰু প্ৰবঞ্চনাক অতিক্ৰম কৰি গভীৰ পানীত বাচি থকাই তাৰ একান্ত বাসনা, আৰু মোৰ? বিশ্বৰ সকলো মানুহকে চেৰ পেলাই সেই গভীৰ পানীৰপৰা তাক বিচাৰি অনাই মোৰ একান্ত বাসনা। দুপৰৰপৰা আমি দুয়ো লগ হৈছো। আমাৰ কোনোটোকে সহায়ৰ হাত আগবঢ়াবলৈ কোনো নাই।

আচলতে মই মাছমৰীয়া হ’ব নালাগিছিল। কিন্ত তাৰ বাবেই মোৰ জন্ম হৈছিল। পোহৰ হোৱাৰ পাচত মাছটো খোৱাৰ কথা কিন্তু মই মনত ৰাখিব লাগিব।

শেহৰাতি তেওঁৰ পিঠিৰফালে থকা আনটো বৰশীত কিবা এটাই আজোৰ মৰা গম পাইছিল। দাৰিকিডাল মচককৈ ভাগি যোৱাৰ শব্দ তেও শুনিছিল। ৰচিডল সোঁ সোঁকৈ যাবলৈ ধৰিছিল। আধাৰতে তেওঁ চুৰিখন খাপৰপৰা উলিয়াইছিল আৰু মাছটোৰ প্ৰচণ্ড আজোৰকো নেওচাদি তেওঁ পিচফালে হাউলি গৈ থকা ৰচীডাল চুৰিখনেৰে কাটি দিলে। আন্ধাৰতে খেপিয়াই তেওঁ ৰচিৰ কটা মূৰটো মজুত হৈ থকা ৰচীৰ মুঠাত জোৰা লগাই দিলে। তেওঁৰ হাতত মুঠতে ছয় মুঠা ৰচি জমা হৈ ৰ’ল।

তেওঁ ভাবিছিল পোহৰ হোৱাৰ পিচত চল্লিছ গজ দীঘল আনটো বৰশীৰ ৰচীডালো কাটি গোটাই থব লাগিব। সেইবোৰ পিচত আকৌ লব পৰা হ’ব। কিন্তু আনবিলাক বৰশীৰ ৰচীয়ে পাক লগাই যদি এইডাল ৰচী চিঙি পেলাই তেতিয়া কি হ’ব। এই মাছটো হেৰুৱালে মোক কোনে ঘূৰাই দিব পাৰিব ? এইমাত্ৰ টোপটো লৈ যোৱা সেই মাছটো কি মই নাজানে। ই এটা মাৰলিন হ’ব পাৰে নতুবা ই এটা শ্বাৰ্ক হ’বও পাৰে। আচলতে সেইটো কি সেইকথা ভাবি মই মূৰ ঘমাব খোজা নাই। মই তাৰপৰা সোনকালে হাতসৰা ভাল বুলিয়েই ভাবিছো।"

তেওঁ পুনৰ ডাঙৰকৈ ক’লে “ল’ৰাটো থকা হ’লে ভাল আছিল।”

তেওঁ ভাবিছিল ল’ৰাটো যিহেতু নাই অকলেই কাম কৰিব লাগিব। আন্ধাৰেই হওক বা পোহৰেই হওক ৰচীডালৰ আগটো কাটি বাকী থকা দুমুঠা ৰচীৰ লগত জোৰা লগাবই লাগিব।

আন্ধাৰত যথেষ্ট কষ্ট হৈছিল যদিও তেওঁ সেই কাম কৰিছিল। মাছটোৱে এটা আচাৰ মাৰি তেওঁক পেলাই দিলে। চকুটোৰ তলতে অলপমান চাল চিগি গ’ল। তেজ ওলাই গালেদি বাগৰি আহিল। কিন্তু বেচি নহয়। সোনকালেই তেজ ৰ’ল। তেওঁ পুনৰ জিৰণি ল’লে। হলৌ চোলাটো ঠিক কৰি পিঠিৰ ৰচীডালৰ ঠাইকণ অলপ লৰাই ল’লে। মাছটোৱে বৰশীৰ ৰচীডাল টানিয়েই আছিল, তেওঁ হাতেৰে পানীত নাওখনৰ গতিৰ উমান ললে। তেওঁ আৰু ভাবিছিল সি বৰ বেয়াকৈ আজোৰ মাৰিছিল। পিঠিৰ ৰচীডাল পিচলি যাবও পাৰে। মই পিঠিত যিমান কষ্ট অনুভৱ কৰিছো সি সিমান কষ্ট পোৱা নাই। সি যিমানেই ডাঙৰ নহওক লাগিলে সি অনন্তকাল এই নাওখন টানি ফুৰিব নোৱাৰে, মোৰ এতিয়া অসুবিধা বহুত কমিল। বহুত ৰচী এতিয়াও মোৰ মজুত আছে।

তেওঁ লাহে লাহে ক’লে “মাছ মৃত্যু পৰ্যন্ত মই তোমাৰ লগতে থাকিম। সম্ভৱ তুমিও মোৰ লগতে থাকিবা।”

তেওঁ পোহৰ হোৱালৈ বাট চালে। পুৱতি নিশা ঠাণ্ডা বেচি হয়। তেওঁ কাঠডালত ভেজা দি ৰৈ থাকিল। পোহৰ হ’লত তেওঁ ৰচীডাল পানীত বেচিকৈ এৰি দিলে।

বুঢ়াই ক’লে “সি পূৱলৈ গতি কৰিছে। সোঁত পূৱ দিশলৈ বৈছে আৰু নাওখন ঠেলি নিছে। মাছটো সোঁতৰ অনুকুলে গতি কৰিছে। তাৰমানে সি নিশ্চয় ভাগৰি পৰিছে।”

বেলি উঠি আহিল। বঢ়াই অনুভব কৰিলে যে সি ভাগৰুৱা হোৱা নাই। এটাই মাত্ৰ ভাল লক্ষণ যে সি পানীৰ বেচি তলেদি সাঁতোৰা নাছিল। তাৰমানে এইটো নহয় যে সি

জাপমাৰি ওলাব। কিন্তু সি জপিয়াবও পাৰে।

বুঢ়াই ক'লে "হে ভগবান, তাক জপিয়াবলৈ দিয়া। তাক বশ কৰিবলৈ মোৰ হাতত বহুত ৰচী আছে"

তাৰ যদি উত্তেজনা বঢ়াই দিয়া হয় সি নিশ্চয় জাপ ল'ব। যিহেতু এতিয়া দিন সি যিমান পাৰে জপিয়াওক ভয় কৰিব লগা নাই।

তেওঁ তাৰ উত্তেজনা বঢ়াবলৈ যত্ন কৰিছিল। তেওঁ ৰচীডাল যিমান পাৰে গাৰ বলেৰে টানিছিল। ৰচীডাল চিঙো চিঙো যেন হৈছিল, তেওঁ বুজিছিল যে আৰু বেচি টানিব নোৱাৰি। তাৰ উত্তেজনা বঢ়াবলৈ ৰচী ডাল জোকাৰি দিবও নোৱাৰি। কাৰণ তেনে কৰিলে হুক ডাল ঢিলা হৈ পৰিব তেতিয়া সি জপিয়াই চিঙি পেলাব পাৰিব। তেওঁ ভাবিলে "যাই হওক এতিয়া বেচ ভালেই লাগিছে এনেদৰেই থকা হওক।"

ৰচিডালত হালধীয়া শেলুৱৈ লাগি আছিল। বুঢ়াই জানে যে ময়লাৰ বাহিৰে এই বিলাকৰ পৰা একো অপকাৰ নহয়। ৰাতিৰ সাগৰত এই শেলুৱৈ বিলাকে জিকমিকাই থাকে।

তেওঁ ক'লে "হেৰা মাছ, মই তোমাক ভাল পাওঁ আৰ তোমাক যথেষ্ট সম্মান কৰো। দিনটো শেষ হোৱাৰ আগতেই কিন্তু মই তোমাক বধ কৰিম।"

তেওঁ ভাবিছিল ইয়াকেই কোৱা হয় আশা।

উত্তৰ দিশৰ পৰা এটা সৰু চৰাই উৰি আহিছিল। সি এটা গায়ক পক্ষী। চৰাইটো পানীৰ মাত্ৰ অলপ ওপৰেহে উৰিছিল। বুঢ়াই অনুমান কৰিছিল যে চৰাইটো বৰ ভাগৰুৱা।

চৰাইটো আহি নাৱৰ পিচফালে পৰি জিৰণি ল'লে। পিচত চৰাইটো বুঢ়াৰ মূৰৰ ওপৰেৰে উৰি গৈ ৰচিডালত পৰিছিল। তাত সি বেচ আৰাম পাইছিল।

বুঢ়াই চৰাইটোক সুধিলে "তোমাৰ নো বয়স কিমান ? তোমাৰ সাগৰ যাত্ৰা এয়াই প্ৰথম নহয়নে ?"

তেওঁ কৈ থাকোতে চৰাইটোৱে তেওঁলৈ চালে। চৰাইটো ইমান ভাগৰুৱা যে সি ৰচী ডালত ভালকৈ খোপনি পুতিবই পৰা নাছিল।

বুঢ়াই চৰাইটোক ক'লে "ৰচীডাল বেচ টান। তুমি নিৰ্ভয়ে বহিব পাৰা। নিশা ধুমুহা বতাহ একো নাছিল। তুমি ইমান ভাগৰুৱা হ'ব নালাগিছিল। সৰু চৰাই, তুমিনো কিয় আহিছিলা ?"

এই চৰাইবোৰ শেন চৰাইয়ে খেদে। কিন্তু তেওঁ শেন চৰাই দেখা পোৱা নাছিল। যিকি নহওক চৰাইটোৱে হ'লে তেওঁৰ কথা একো বুজা নাছিল।

তেওঁ ক'লে "কণমান চৰাইটো, তুমি ভালকৈ জিৰণি লোৱা। পিচত তোমাৰ সুবিধা অনুযায়ী যাবাগৈ" তেওঁৰ কথা পাতিবলৈ বৰ মন গৈছিল। কাৰণ তেওঁৰ পিঠিতো বেচিকৈ বিষাইছিল।

তেওঁ ক'লে "সৰু চৰাই, তুমি ইচ্ছা কৰিলে মোৰ ঘৰত থাকিব পাৰা। কিন্তু, এই বতাহত মই তোমাৰ বাবে পালখন তৰি দিব নোৱাৰো। তুমি কিন্তু মোৰ বন্ধু।"

ঠিক সেই সময়তে মাছটোৱে এটা জোকাৰ মাৰিলে। বুঢ়া নাওখনত হাম খুৰি খাই পৰিল। তেওঁ যদি সাৱধান হৈ ৰচীডাল এৰি নিদিলেহেতেন তেওঁ নিশ্চয় পানীত

পৰিলহেতেন।"

ৰচীডালৰ জোকাৰণিত চৰাইটো উৰি গ'ল। বুঢ়াই আনকি তাক দেখাও নাপালে। তেওঁ সোঁহাতেৰে ৰচীডাল ধৰোতে দেখিলে যে হাতখনৰ পৰা তেজ ওলাইছে।

তেওঁ ডাঙৰকৈ ক'লে "কিহবাত লাগি কাটিলে।" মাছটো ঘূৰাব পাৰিনে কি তেওঁ ৰচিডাল টানি চালে।

তেওঁ ক'লে "হেৰা মাছ তুমি হয়তো এতিয়া গম পাইছা।"

তেওঁ কেউফালে চৰাইটো চালে। কাৰণ তেওঁ এজন লগৰীয়া বিচাৰিছিল। কিন্তু, চৰাইটো তেওঁ দেখা নাপালে সি কেনিবা গ'ল।

তুমি বেচি পৰ নৰলা। পাৰ নোপোৱালৈকে তুমি কিন্তু বেচ কষ্ট পাবা। মাছটোৰ এটা জোকাৰত কেনেকৈ যে মোৰ হাতখন কাটিলে। মই ভেবা হৈ আছিলো। নাইবা মই চৰাইটোৰ কথা ভাবি আছিলো। মই মোৰ কামৰ প্ৰতি মনোযোগ দিয়া উচিৎ। মই খাবও লাগিব। ন'হলে মই দূৰ্বল হৈ পৰিম। তেওঁ এই কথাবোৰকে ভাবি আছিল।

তেওঁ ক'লে "ল'ৰাটো মোৰ লগত থাকিব লাগিছিল। অলপ নিমখো লাগিছিল।" তেওঁ ৰচিডাল বাওঁ কান্ধলৈ সলনি কৰিলে। খুউব সাৱধানে আঠুকাঢ়ি তেওঁ সাগৰৰ পানীত হাতখন ধুলে। হাতত লগা তেজৰ কৰালবোৰ গুছিল।

"সি বহুত ধীৰ হ'ল।" তেওঁ ক'লে।

হাতখন আৰু কিছু পৰ লুণীয়া পানীত ডুবাই ৰখাৰ তেওঁৰ ইচ্ছা আছিল। কিন্তু মাছটোৱে উফাল মাৰে বুলি তেওঁ ভয় খাইছিল - ঠিয় হৈ তেওঁ হাতখন বেলিৰ ফালে মেলি দিলে। ৰচিৰ খহটা আঁহে তেওঁৰ হাতখন কাটিছিল। কিন্তু তলুৱাখনতে কাটিলে। কামখিনি সম্পূৰ্ণ কৰিবলৈ হাতখনৰ বৰ প্ৰয়োজন। কিন্তু কাম হাতত লওতেই হাতখন কাটিলত তেওঁ মুঠেই ভাল পোৱা নাছিল।

তেওঁ ক'লে "এতিয়া সৰু মাছটো খোৱা হওক। বৰশী দাৰিয়েই মই তাক ঢুকি পাম আৰু ইয়াতেই আৰমেৰে খাম।"

তেওঁ হাকুটিয়াই মাছটো আনিলে আৰু বৰশীটো এৰুৱাই আগৰ ঠাইত থ'লে। তেওঁ মাছটো দীঘল দীঘল টুকুৰা কৰি কাটিলে। তেওঁ মুঠতে ছয় টুকুৰা কৰিছিল আৰু টুকুৰাবোৰ নাৱৰ কাঠত মেলি থৈছিল। তেওঁ চুৰিখন পেটটোত মোহাৰি চাফা কৰিলে আৰু মাজৰ জকাটো পানীত পেলাই দিলে।

তেওঁ ভাবিছিল গোটেই মাছটো খাব পৰা নহব। তেনেতে ৰচী ডালত এটা প্ৰবল জোকাৰণি অনুভৱ কৰিলে। জোকাৰত তেওঁৰ বাওহাতখন সিয়ামুৰিয়ে ধৰিলে।

তেওঁ ক'লে "দৰকাৰৰ সময়ত সিয়ামুৰিয়ে ধৰি জঠৰ হোৱা এইখন কেনে হাত। হাত গুচি দেখোন হাতোৰা হ'ল।"

তেওঁ মাছ এটুকুৰা লৈ চোবাবলৈ ধৰিলে। কেঁচা মাছ টুকুৰাও কিন্তু তেওঁ বেয়া পোৱা নাছিল। তেওঁ ভাবিছিল যে শক্তিৰ বাবে খাবই লাগিব আৰু তেতিয়াহে হাতৰ জঠৰতা ভাগিব। তেওঁ চোবাই চোবাই ৰসবোৰ চুহি চুহি খাইছিল। নিমখ বা নেমু থকা হ'লে হয়তো খাবলৈ বেয়া নহ'লহেতেন।

তেওঁ সিয়ামূৰি ধৰি জঠৰ হৈ থকা হাতখনক ক'লে "হাত এতিয়া কেনে পাইছা ? মই তোমাৰ বাবে আৰু অলপ খাম।"

তেওঁ আৰু এটুকুৰা মাছ লৈ চোবাবলৈ ধৰিলে আৰু মুখৰপৰা মাছৰ ছাল চটা উলিয়াই পেলাই দিলে। তেওঁ পুনৰ ক'লে, "হাত এতিয়া কেনে পাইছা? মই বাৰু সোনকালে সুধিছোনে কি ? তেওঁ আৰু এটকুৰা লৈ চোবাবলৈ ধৰিলে।

তেওঁ ভাবিলে"এইটো বৰ তেজাল মাছ। ডলফিনৰ পৰিৱৰ্তে মাছটো পাই ভালহে হ'ল। ডলফিন কিন্তু বৰ মিঠা। মাছটো মিঠা নহয় কিন্তু ইয়াৰ শক্তি বেচি ।"

তেওঁ ভাবিলে নিমখ অলপ থকা হ'লে ভাল আছিল। বাকীখিনি ৰ'দত শুকাই যোৱাতকৈ ভোক নালাগিলেও খাই থোৱাই ভাল। মাছটো পানীত এতিয়া বেচ শান্ত হৈ আছে। এই সময়তে মাছখিনি খাই লও।"

"হাত তুমি ধৈৰ্য্য ধৰা। তোমাৰ বাবেই মই মাছখিনি খাইছো।"

"অলপমান মাছটোকো খুৱাবলৈহে মন গৈছে। সি মোৰ ভাইৰ দৰে। কিন্তু মই তাক বধিম আৰু তাৰ বাবে মোক শক্তি লাগে।"তেওঁ মাছৰ টুকুৰাবিলাক খাই শেষ কৰিছিল।

পায়জমাটোত হাতখন মোহাৰি তেওঁ পোন হৈ ঠিয় হ'ল। তেওঁ ক'লে "হাত তুমি এতিয়া ৰচীডাল এৰিব পাৰা। তোমাৰ ভাল নোহোৱালৈকে মই সোঁ হাতেৰেই ৰচীডাল চম্ভালিব পাৰিম। বাঁও হাতেৰে ধৰি থকা ৰচীডালত তেওঁ বাওঁভৰিৰে গছকি ধৰিলে আৰু পিঠিৰ ৰচীডালত ভেজা দি থাকিল।

তেওঁ ক'লে"হে ভগবান, মোৰ হাতখন ভাল কৰা। কাৰণ মাছটোৱে কি কৰিব খুজিছে মই গম ধৰিব পৰা নাই।"

তেওঁ ভাবিছিল সি হয়তো মনে মনে কি কৰিব পাঙি আছে। কিন্তু, মোৰনো কি কষ্ট ? সি যে ইমান ডাঙৰ সেই বাবে মই হয়তো তাতকৈ কিছুমান বুদ্ধি বেচিকৈ সাজিব লগা হ'ব। সি যদি জাপ লগাই তাক বধিবলৈ সহজ হ'ব। কিন্তু সি যদি চিৰকাল তলিতে থাকে মইয়ো চিৰকাল তাৰ লগতে থাকিম।

তেওঁৰ জঠৰ হাতখন পায়জমাটোত লাহে লাহে মোহাৰি দিলে। কিন্তু আঙুলিবোৰ মুকলি নহ'ল ! বেলিৰ তাপত হয়তো আঙুলি বিলাক ভাল হৈ উঠিব। নহ'লে মাছখিনি হজম হোৱাৰ পিচত হাতখন নিজে নিজেই ভাল হৈ উঠিব। তেওঁ ভাবিছিল প্ৰয়োজন হলে মই আঙুলিবোৰ জোৰ কৰি মেলি লব লাগে যিমানেই কষ্ট নহওক। কিন্তু মই এতিয়াই জোৰ কৰি মোকোলাব খোজা নাই। ৰাতি ৰচীবোৰ জোৰা লগাবৰ সময়ত মই হাতখনক বৰ গালি পাৰিছিলো ! কাৰণ হাতখন তেতিয়া মোৰ বৰ দৰ্কাৰ হৈছিল।

তেওঁ সাগৰৰ দূৰলৈকে চালে। তেওঁ অনুভৱ কৰিলে যে তেওঁ একেবাৰে অকলশৰীয়া, পানীৰ সাতৰঙী প্ৰতিফলন তেওঁৰ চকুত পৰিছিল। ৰচীডাল তেতিয়াও চিধা হৈ আছিল। বাণিজ্য বতাহৰ ফলত ডাৱৰবোৰ থূপ খাইছিল। এজাক বনৰীয়া হাঁহ উৰি গৈছিল। পুনৰ সিহঁত এটা এটা হৈ একোটা সুন্দৰ নক্সাৰ চিত্ৰ সাজিছিল । তেওঁ বুজিছিল যে সাগৰত কোনো মানুহ অকলে নাথাকে।

সাগৰত মাছ মাৰোতে পাৰ নেদেখা যেন হলেই মানুহবিলাকে খুউব ভয় খায়। বেয়া বতৰ হ'লে তেওঁলোকৰ এই ভয়ৰ যুক্তি নথকা নহয়। এই মাহত অৱশ্যে বা-মৰলী

বেচিকৈ হয়। কিন্তু, বা-মৰলী নহলে বছৰটোৰ এই মাহটোৱেই আটাইতকৈ ভাল মাহ।

সাগৰত বা-মৰলী অহাৰ পূৰ্বাভাষ সাগৰেই দিয়ে। কিন্তু সেই কথা সাগৰত থাকিলেহে গম পোৱা যায়। পাৰত থাকি বা-মৰলী অহাৰ উমান পোৱা নাযায়। কিন্তু এতিয়া বা-মৰলী নাহে। আকাশত তেওঁ চমকা চমক বগা ডাৱৰ দেখা পাইছিল।

তেওঁ ক'লে “মাছ, বতৰ মোৰ বাবেহে ভাল হৈছে।” তেওঁৰ বাওঁহাতটো তেতিয়াও সিয়ামূৰি ধৰি অকৰা হৈয়ে আছিল।

“হাতখন এনেদৰে অকৰা হ'লে মোৰ বৰ খঙ উঠে। ই এক প্ৰবঞ্চনা, এক অবমাননা। কিন্তু এই ব্যাধিয়ে মানুহক সাধাৰণতে অকলে থকা অৱস্থাতে বেয়াকৈ আক্ৰমণ কৰে।”

ল'ৰাটো থকা হ'লে সি হাতখন মালিছ কৰি দিলেহেতেন আৰু ই কোমল হৈ উঠিলহেতেন। যাই হওক লাহে লাহে হাতখন ভাল হ'ব বুলি তেওঁ ভাবিছিল।

পানীত ৰচীডালৰ ভাজ অলপ সলনি হ'ল। তেওঁ বেচি জোৰেৰে টানিবলৈ ধৰিলে। ৰচিডাল লাহে লাহে অলপ ওপৰলৈ উঠি আহিল। তেওঁ ক'লে 'সি ওপৰলৈ ওলাইছে। আহা, আৰু ওলাই আহা।"

ৰচিডাল লাহে লাহে উঠি আহিছিল। পানীৰ হেন্দোলনিয়ে নাওখনত খুন্দা মাৰিছিল। মাছটো ওলাই আহিছিল। মাছটো সম্পূৰ্ণ ওলাওঁতে বহুত সময় লাগিছিল। তাৰ গাৰে পানীবোৰ বাগৰি গৈছিল। পোহৰত সি জিলিকিছিল। তাৰ মূৰ আৰু পিঠিখনৰ ৰঙ ডাঠ বেঙুনীয়া আছিল। তাৰ গাৰ আঁচবিলাক বেচ বহল আছিল। তাৰ ফানচটা বেচবলৰ বেটৰ দৰে দীঘল আছিল। সি পানীৰ ওপৰলৈ ওলাই পুনৰ ডুব দিছিল। তাৰ বৃহৎ ফিচাখন পানীত লুকাল আৰু ৰচিডল পুনৰ যাবলৈ ধৰিলে।

বুঢ়াই ক'লে “সি নাওখনতকৈও দুফুটমান দীঘল।” ৰচীডাল জোৰেৰে গৈ আছিল। মাছটোৱে কিন্তু ভয় খোৱা নাছিল। বুঢ়াই সৰ্বশক্তিৰে ৰচীডাল ধৰি ৰাখিবলৈ যত্ন কৰিছিল। তেওঁ জানিছিল যে মাছটোৰ গতি যদি ৰাখিব পৰা নাযায় তেনেহলে সি গৈ গৈ ৰচিখিনি শেষ কৰি পেলাব আৰু শেহান্তত ৰচীডাল চিঙি পেলাব।

তেওঁ ভাবিলে “এইটো এটা বৰ ডাঙৰ মাছ। কিন্তু মই তাক বশ কৰিব লাগিব। সি তাৰ নিজৰ শক্তিৰ বিষয়ে জানিব নালাগিব, তাৰ ঠাইত যদি মই হ'লোহেতেন তেনেহ'লে ৰচিডাল নিচিঙালৈকে গৈ থাকিলেহেতেন। কিন্তু ভগবানক ধন্যবাদ, সিহঁত আমাৰ নিচিনা বুধিয়ক নহয় যদিও আমাতকৈ শক্তিশালী।

বুঢ়াজনে বহুত ডাঙৰ মাছ দেখিছে। হাজাৰ পাউন্ডতকৈও বেচি ওজনৰ মাছ দেখিছে। তেওঁ নিজেও তেনেকুৱা দুটা ডাঙৰ মাছ ধৰিছিল। কিন্তু সেই সময়ত তেওঁ অকলশৰীয়া নাছিল। কিন্তু উপকূলৰ পৰা বহুত আঁতৰত তেওঁ এতিয়া এটা বৃহৎ মাছৰ সৈতে অকলশৰে টনা আজোৰ কৰি আছে। ইমান ডাঙৰ মাছ তেওঁ জীৱনত কেতিয়াও দেখা নাছিল। আনকি ইমান ডাঙৰ মাছৰ কথা তেওঁ শুনাও নাছিল। খামুচি ধৰি থকা ঈগলৰ নখৰ দৰে তেওঁৰ হাতখন তেতিয়াও জঠৰ হৈয়ে আছিল।

তেওঁ ভাবিছিল”মোৰ হাতখন নিশ্চয় ভাল হ'ব। ইয়াত বন্ধু মাত্ৰ তিনিটা মাছটো আৰু মোৰ হাত দুখন। সিয়ামূৰি ধৰি অকৰা হোৱা হাতখন ভাল হবই লাগিব। হাতখন এনেদৰে অকৰা লাগি থাকিলে নহব।" মাছটো ধীৰ গতিৰে গৈ আছিল।

“সি বাৰু কিয় জাপ মাৰিছিল। ভাবি মই আচৰিত হৈছিলো। বোধকৰো তাৰ প্ৰকাণ্ড শৰীৰটো মোক দেখুৱাবলৈকে সি জাপটো মাৰিছিল। যাই হওক তাৰ আকাৰতো এতিয়া মই গম পালো। মই কেনেকুৱা মানুহ তাক এতিয়া দেখুৱাম। আনে ভবাতকৈ মই আচলতে বেচি সাংঘাটিক আৰু মই তেনে হোৱাটোৱেই বিচাৰো।”

তেওঁ নাওখনৰ কাঠত আউজি যন্ত্ৰণা পাহৰিবলৈ চেষ্টা কৰিছিল। মাছটো পানীত লাহে লাহে সাঁতুৰি আছিল আৰু নাওখনো লাহে লাহে গৈ আছিল। পূবৰ পৰা বৈ অহা বতাহজাকৰ বাবে সাগৰত ঢৌ উঠিছিল। দুপৰীয়াৰ সময়ত বুঢ়াৰ হাতখন ভাল হৈছিল।

তেওঁ ক’লে “মাছ, তোমাৰ বাবে বেয়া খবৰ।” তেওঁ হলৌ চোলাটোৰ ওপৰত ৰচীডাল অলপ ল’ৰাই ললে। তেওঁ অলপ আৰাম পাইছিল। অৱশ্যে তেওঁৰ যন্ত্ৰণাৰ উপসম হোৱা নাছিল। কিন্তু তেওঁ কষ্টক কষ্ট বোলা বিধৰ মানুহ নাছিল।

তেওঁ ক’লে “মই ধাৰ্মিক নহয়। কিন্তু যদি মাছটো ধৰিব পাৰো তেতিয়া হ’লে ‘আমাৰ পিতা’ আৰ ‘পবিত্ৰ মেৰী’ প্ৰাৰ্থনা দুটা দহ বাৰকৈ গাম। মই কথা দিছো মাছটো ধৰিব পাৰিলে ভাৰ্জিন দি কবৰেৰ পবিত্ৰ গীৰ্জালৈ এবাৰ তীৰ্থ যাত্ৰা কৰিম।” তেওঁ যন্ত্ৰবৎ প্ৰাৰ্থনা গাবলৈ আৰম্ভ কৰিছিল। মাজে মাজে পাহৰি গৈছিল যদিও তেওঁ পুনৰ আওৰাইছিল। তেওঁ প্ৰাৰ্থনাটো গাই গাই শেষত কৈছিল দেৱী আশীৰ্বাদ দিয়া যাতে মই মাছটো মাৰিব পাৰো।"

প্ৰাথনাটো গাই তেওঁৰ ভাল লাগিছিল। কিন্তু তেওঁৰ যন্ত্ৰণা তেতিয়াও কমা নাছিল বৰঞ্চ বাঢ়িছিলহে। তেওঁ নাৱৰ কাঠত ভেজা দি বাওঁহাতৰ আঙুলিবোৰ টানি কৰ্মক্ষম কৰিবলৈ চেষ্টা কৰিছিল। বতাহ আছিল যদিও বেলিৰ তাপ কমা নাছিল।

তেওঁ ক’লে “টোপ লগাই বৰশী এটা পেলোৱা ভাল হ’ব। যদি মাছটো আৰু নিশা এনেদৰেই থাকে তেতিয়াহ’লে মই নিশ্চয় কিবা খাব লাগিব। ইফালে বটলৰ পানীও কমি আহিছে। ডলফিনৰ বাহিৰে ইয়াত একো নাপাও। ৰাতিলৈ উৰণীয়া মাছবোৰ ওলাব। কিন্তু সিহঁতক আকৰ্ষণ কৰিবলৈ মোৰ হাতত পোহৰৰ একো ব্যৱস্থা নাই। কেচাই কেচাই খাবলৈ উৰণীয়া মাছবোৰ বেচ সোৱাদ। সিহঁতক নকটাকৈয়ে খাব পাৰি। যেনেতেনে মই মোৰ শক্তি অটুট ৰাখিব লাগিব। হে ভগবান, সি ইমান ডাঙৰ বুলি মই আগতে জনা নাছিলো।” তেওঁ কলে “তাৰ সকলো গৌৰৱ আৰু বিশালতা চেৰাই মই তাক বধ কৰিমেই।”

তেওঁ আৰু ভাবিছিল যদিও এনে কথাই শোভা নাপায় তথাপিও মই তাক দেখুৱাম যে মানুহে কি কৰিব নোৱাৰে আৰু দেখুৱাম মানুহৰ কিমান ধৈৰ্য আৰু সহ্য গুণ আছে।

“মই ল’ৰাটোক কৈছিলো যে মই এজন আচৰিত বৃদ্ধ, সেই কথাৰ প্ৰমাণ দিয়াৰ সময় সমাগত।”

আগতে কৰি অহা সকলো কাম এতিয়া মিছা হব, এতিয়া পুনৰ প্ৰমাণ কৰিব লাগিব। প্ৰভাত সদায় নতুন, অতীত কামৰ কথা তেওঁ এতিয়া চিন্তা কৰা নাই।

“মই ভাবো তাৰ টোপনি যাব। মইও শুই শুই সিংহৰ সপোন দেখিব পাৰিম। কিন্তু সিংহৰ কথা ভাবিলে আচল কথা তল নপৰিবনে ?” তেও নিজকে প্ৰবোধ দিলে বৃদ্ধ সেই কথা নাভাবিবা, এতিয়া জিৰণি লোৱা আৰু একো চিন্তা নকৰিবা। সি তাৰ কাম কৰি আছে, তুমিও যি পাৰা কৰি যোৱা।

আবেলি হবৰ হ’ল। পূবৰ বতাহে নাওখন গৈ থকাত সহায় কৰিছিল, বুঢ়া ঠিয় হ’ল, ৰচীডালৰ পৰা তেওঁ পিঠিত যন্ত্ৰণা পাইছিল।

আবেলি পুনৰ ৰচীডাল ওপৰলৈ উঠি আহিছিল। কিন্তু মাছটো সামান্য ওপৰলৈ উঠি আহি সাঁতুৰি থাকিল। তেওঁৰ পিঠি আৰু, বাওঁ বাউসিত ৰ’দ পৰিছিল। তাৰপৰা তেওঁ বুজিছিল যে মাছটো উত্তৰ পূব মুৰাকৈ গতি কৰিছিল।

তেওঁৰ চকুৰ আগত মাছটো ভাহি উঠিল। সি যেন তাৰ বহল ফানখন মেলি বিৰাট ফিচাখন ঠিয় কৰি গভীৰ পানীত সাঁতুৰি আছে। বুঢ়াই ভাবিলে “সেই আন্ধাৰ পানীত সি বাৰু কেনেকৈ দেখে, তাৰ চকু দুটা বৰ ডাঙৰ। তাতকৈ সৰু চকুৰ ঘোঁৰাইও আন্ধাৰত দেখে, এসময়ত মইও আন্ধাৰত ভালকৈ দেখিছিলো।”

বেলিৰ তাপত তেওঁৰ বাওঁহাতৰ সিয়ামূৰি আঁতৰিল। তেওঁ ৰচিডালৰ ভৰ বাওঁহাতলৈ বঢ়াবলৈ ধৰিলে। যন্ত্ৰণা উপসমৰ বাবে তেওঁ পেশীবোৰৰ সঞ্চালন ঘটাবলৈ ধৰিলে।

তেওঁ ডাঙৰকৈ ক’লে “মাছ, তোমাৰ যদি এতিয়াও ভাগৰ লগা নাই তুমি সঁচাকৈ বৰ আচৰিত।” তেওঁৰ ভাগৰ লাগিছিল। তেতিয়া নিশা হবলৈ বেচি পৰ নাছিল। তেওঁ বিভিন্ন কথা চিন্তা কৰিবলৈ ধৰিলে। ডাঙৰ লীগ খেলবোৰৰ কথা তেওঁৰ মনলৈ আহিল। নিউয়ৰ্কৰ ইয়াংকি দল আৰু দেট্ৰইটৰ টাইগাৰ দলৰ মাজত খেল হব বুলি তেওঁ জানে।

আজি দ্বিতীয় দিনাও খেলৰ একো খবৰ পোৱা নাই, কিন্তু মহান ডি মেজিঅ’ৰ ওপৰত মোৰ সম্পূৰ্ণ আস্থা আছে। ভৰিৰ খুৰাই কষ্ট দিলেও তেওঁ ভালদৰেই খেলিব। ভৰিত লগোৱা খুৰা আকৌ কেনেকুৰা ! যুঁজাৰু মূৰ্গীৰ ঠেঙত লগাই দিয়া জোঙৰ দৰেই ই কষ্টদায়ক নে? চকু বান্ধি যুঁজাৰু কুকুৰাৰ দৰে মই যুঁজিব নোৱাৰো।

তেওঁ দুখেৰে ক’লে “শ্বাৰ্ক নাহিলেই হল। যদি শ্বাৰ্ক আহে; হে ভগৱান আমাক দয়া কৰা।”

আন্ধাৰ নামিলত তেওঁ কিছুমান পুৰণা কথা মনত পেলালে, কাচাৰস্কাৰ চৰাই ঘৰত চিনেফুগৰ সেই বিৰাট শক্তিশালী নিগ্ৰোটোৰ লগত পাঞ্জা খেলাৰ কথা তেওঁৰ মনত পৰিল। এই খেলত তেওঁলোকে এটা দিন আৰু এটা ৰাতি পাৰ কৰি দিছিল। ইটোৱে সিটোৰ হাতখন হেঁচি টেবুলত পেলাই দিবলৈ তেওলোক দুয়ো আপ্ৰাণ চেষ্টা কৰিছিল। তেওঁলোকৰ খেলত বাজি ৰাখিছিল। মানুহবিলাকে কেৰাচিন তেলৰ চাকি লৈ তেওঁলোকৰ খেল চাই আনন্দত মতলীয়া হৈ আছিল। প্ৰথম আঠঘন্টা পাৰ হোৱাৰ পিচত তেওঁলোকৰ ৰেফাৰী প্ৰতি চাৰি ঘণ্টাৰ মূৰে মূৰে সলনি কৰিছিল। ৰেফাৰীবিলাকে যাতে জিৰাব পাৰে তাৰ বাবেই এই ব্যৱস্থা কৰা হৈছিল। আঙুলিৰ নখৰ তলেদি দুয়োৰে তেজ ওলাইছিল। তেওঁলোকে ইজনে সিজনৰ হাতলৈ চাই আছিল, বাজিমৰা বিলাক কোঠাৰ পৰা ওলাই গৈ ওখ চকীত বহি বাহিৰৰ পৰা চাইছিল। বেৰ বিলাকৰ ৰং আছিল ডাঠ নীলা, চাকিৰ পোহৰত তেওঁলোকৰ ছাঁ বেৰত পৰিছিল, বতাহত চাকিবোৰ যিমানে কঁপিছিল নিগ্ৰোটোৰ বিৰাট ছাঁটোৱে বেৰত সিমানে নাচিছিল তেওঁলোকক নিগ্ৰো ৰাম (মদ) খাবলৈ দিলে আৰু তাতে অঘটন ঘটিল। ৰাম খোৱাৰ পিচত নিগ্ৰোটোৱে সাংঘাটিক জোৰেৰে বুঢ়াক (তেওঁ তেতিয়া বুঢ়া নাছিল, চেন্টিয়াগ’ৰ হাতখন প্ৰায় তিনি ইঞ্চিমান বেকা কৰিছিল। কিন্তু তেওঁ সৰ্বশক্তিৰে হাতখন পুনৰ স্থিৰ অৱস্থালৈ আনিছিল। তেওঁৰ বিশ্বাস হৈছিল যে সেই সুদক্ষ

নিগ্ৰো খেলুৱৈজনক তেওঁ নিশ্চয় হৰুৱাব পাৰিব। বাজিমৰা বিলাকে কৈছিল খেলখন অমিমাংসিত ঘোষণা কৰিব লাগে। ৰেফাৰী মান্তি হল। ঠিক সেই সময়তে নিগ্ৰোটোৰ হাতখন হেঁচি নি তেওঁ টেবুলত লগাই দিছিল। দেওবাৰে ৰাতিপুৱা আৰম্ভ হোৱা খেলখন সোমবাৰে ৰাতিপুৱাহে সামৰণি পৰিছিল।

ভালেমান দিনলৈ বহুতে তেওঁক চেম্পিয়ন বুলি মাতিছিল। সেই খেলখন পুনৰ বসন্ত কালত হোৱাৰ কথা আছিল। কিন্তু বেচি টকাৰ বাজি নাছিল। তেওঁ সহজেই নিগ্ৰোটোক পৰাজিত কৰিছিল। কাৰণ প্ৰথম খেলতেই তেওঁ তাৰ মনোবল ভাঙি পেলাইছিল। তাৰ পিচতো তেওঁ কেইখনমান খেল খেলিছিল। তেওঁৰ বিশ্বাস হৈছিল যে পাঞ্জা খেলত তেওঁ যি কোনো মানুহকে পৰাজিত কৰিব পাৰিব। কিন্তু এই খেলৰ পৰা হাতখন অকামিলা হবগৈ পাৰে বলি তেওঁ ভয় খাইছিল তেওঁ বাওঁহাতেৰে খেল খেলাৰ যত্ন কৰিছিল। বাওঁহাতখনে তেওঁক বৰ ঠগে। বাওঁ হাতেৰে তেওঁ ভবামতে কাম কাহানিও কৰিব নোৱাৰে। সেয়ে তেওঁ বাওঁহাতখনক বিশ্বাস নকৰে, নিজৰ মনোবল অটুত ৰাখিবৰ বাবেই তেওঁ এই পুৰণা কথাবোৰ মনত পেলাইছিল।

নিশা ঠাণ্ডা নপৰালৈকে তেওঁৰ হাতখন নিশ্চয় ভালে থাকিব। তেওঁ আৰু ভাবিছিল “আজি নিশা বা কি অঘটন ঘটে।”

এখন উৰাজাহাজ উৰি গৈছিল। পানীত উৰাজাহাজৰ ছায়া পৰিছিল। তেওঁ ভাবিছিল “ইমান বিলাক উৰণীয়া মাছৰ মাজত নিশ্চয় ডলফিন থাকিব লাগে।” দেখা পাইনেকি তেওঁ হাউলি চালে, কিন্তু একো দেখা নাপালে। উৰাজাহাজখন চকুৰে মনিব নোৱাৰৈলেকে তেওঁ চাই থাকিল।

তেওঁ ভাবিছিল “উৰাজাহাজ সঁচাই বৰ আচৰিত, উৰাজাহাজৰ পৰা সাগৰখন বৰ কেনেকুৱা দেখা যাব। বেচি ওপৰেদি নগলে তাৰ পৰা সম্ভৱ মাছবোৰো দেখা পোৱা যাব। উৰাজাহাজৰ পৰা সাগৰৰ মাছবোৰ চাবলৈ নিশ্চয় বৰ ভাল লাগিব। নাৱৰ মাস্তুলত উঠি মই আগতে চাইছিলো। ডলফিনবিলাক বেচি কলপটীয়া দেখি, সিহঁতৰ গাৰ আঁচবোৰ আৰু বেঙুণীয়া ফুটবোৰো দেখা যায়। আনকি সাঁতুৰি থকা মাছবোৰো দেখা পোৱা যায়। ডলফিনবিলাক সেউজীয়া দেখিলেও প্ৰকৃততে সোণালীহে। ওপৰৰ পৰা চালে পানীত বাৰু ৰংবোৰ কিয় বেলেগ দেখা যায়। সম্ভৱ সিহঁতৰ বেগৰ কাৰণে। আন্ধাৰ হোৱাৰ আগে আগে চাৰাগাছো ঘাঁহৰে পূৰ্ণ এটা ডাঙৰ অঞ্চল পালেগৈ। এই ঘাঁহবনবোৰ পাৰ হবৰ সময়ত তেওঁৰ সৰু বৰশীটোত এটা ডলফিন লাগিল। ডলফিনটোৱে ভয়ত জপিয়াইছিল। সি এনেদৰে জপিয়াইছিল সি যেন চাৰ্কাচহে কৰিছিল।

বুঢ়াই তাক বাওঁহাতেৰে টানি আনি নাৱত তুলিলে আৰু লাঠিৰে মাৰ মাৰি নাৱত থৈ দিলে।

বুঢ়াই বৰশীটোত আন এটা টোপ লগাই পুনৰ পানীত পেলালে। বাওঁহাতখন পানীত ধুই তেওঁ পায়জামাটোতে হাতখন মোহাৰিলে। গধুৰ ৰচীডাল সোঁ কান্ধৰ পৰা বাওঁকান্ধলৈ সলাই তেওঁ এইবাৰ সোঁহাতখন ধুলে। পিচত তেওঁ সাগৰত বেলি ডুবাৰ দৃশ্য চাই ৰ’ল।

তেওঁ ক’লে”তাৰ অলপো পৰিৱৰ্তন হোৱা নাই।" পানীৰ গতি লক্ষ্য কৰি তেওঁ অনুমান কৰিলে যে সি অলপ ধীৰ হৈছে।

তেওঁ ভাবিছিল গুৰি বঠা দুদাল একেলগে বান্ধি থলে তাৰ গতি ধীৰ হৈ ৰব, নিশাটো তাৰো ভালে যাব লগতে মোৰো ভালে যাব।

ডলফিনটো সোনকালে বাচিকাটি থব লাগিব। কিন্তু সেই কাম কৰাৰ আগতে বঠা দুপাত বন্ধা ভাল হব। তেতিয়াহে নাওখনৰ গতি কমিব। সন্ধিয়া সময়ত মাছটোক আমনি কৰা উচিত নহয়। বেলি ডুবাৰ সময়ত সকলো মাছেই বিপদজনক হৈ পৰে।

তেওঁৰ মনলৈ আহিল "বৰশীত লগাৰে পৰা সেই বিৰাট মাছটোৱে একো খাব পৰা নাই খাবলৈওটো তাক কম নালাগে। মই এটা মাছ খালো। কালিলৈ এটা ডলফিন খাম। অৱশ্যে মাছতকৈ কেচাঁ ডলফিন খোৱা টান। কিন্তু, এই পৃথিৱীত সহজ বুলিবলৈ একো নাই।

তেও ডাঙৰকৈ কলে”মাছ, তোমাৰ খবৰ কি? মোৰ হ'লে বেচ ভাল। বাওঁহাতখনো এতিয়া ভাল হৈছে। আৰু এদিন যোৱাকৈ মোৰ খাদ্য বস্তুও মজুত আছে, মাছ টানা, নাওখন টানি থাকা"

তেওঁৰ প্ৰকৃততে একো ভাল হোৱা নাছিল। পিঠিৰ ৰচিডালৰ যন্ত্ৰণা কমক চাৰি বেছিহে হৈছিল, তথাপি তেওঁ ভাবিছিল "মোৰ হাতখন অলপহে কাটিছে, অঁকৰালগা হাতখনো ভাল হৈছে, মোৰ ভৰি দুটাৰো কোনো অসুবিধা নাই। তাক এইদৰে টানি টানি শেষত হয়তো ময়েই জিকিম।"

আন্ধাৰ নামিছিল, চেপ্তেম্বৰ মাহ। বেলি ডুবাৰ লগে লগেই আন্ধাৰ হয়। নাৱৰ গুৰিৰ কাঠডালত ভেজা দি তেওঁ জিৰালে। আকাশত এটা দুটাকৈ তৰা ওলাল। লাহে লাহে তৰাবোৰ জকমকাই আকাশ ভৰি পৰিল, সেইবোৰ তেওঁৰ দূৰণিৰ বন্ধু।

তেওঁ ক'লে "মাছটোৱেো মোৰ বন্ধু, মই এনে এটা মাছ কেতিয়াও দেখা নাছিলো। কেতিয়াও এনে মাছৰ কথা শুনা নাছিলো। কিন্তু মই তাক নিশ্চয় বধিম। ভাবি ভাল লাগিছে যে মই তৰাবোৰ বধ কৰিবলৈ যত্ন কৰা নাই। আমি ভাগ্যবান যে আমি তেনে কাম কৰিব লগা হোৱা নাই।"

তেওঁৰ মাছটোলৈ দুখ লাগিছিল, কাৰণ সি লঘোণে থাকিব লগা হৈছিল। তালৈ দুখ লাগিলেও তাক বধ কৰাৰ ইচ্ছা তেওঁৰ অলপো কমা নাছিল। তেওঁ ভাবিছিল তাক খাবলৈ বাৰু কিমান মানুহ লাগিব? তাক খোৱাৰ উপযুক্ততা কাৰোবাৰ আছেনে? নাই, কাৰো নাই। সি ইমান মহান যে তাক খাবলৈ কোনো উপযুক্ত হব নোৱাৰে।

তেওঁ আৰু ভাবিছিল মই এইবোৰ নুবুজো! কিন্তু এয়াই ভাল যে আমি জোন তৰাবোৰ বধ কৰিবলৈ চেষ্টা কৰা নাই। দূৰণিৰ বন্ধু বোৰ দূৰতে থাকক, আমাৰ প্ৰকৃত বন্ধুবোৰক হত্যা কৰিবলৈ আমি সাগৰত থকাই ভাল।

ৰচিডাল টনাৰ কথাও ভাবিব লাগিব। বৰকৈ টানিলে বিপদো আছে সম্পদো আছে। যদি মাছটোৱে জোৰ কৰে আৰু মইয়ো টানি ধৰো তেনেহ'লে মই ৰচি আৰু মাছ দয়োটাকে হেৰুৱাব পাৰো। কিন্তু ঢিলাই দিলে আমাৰ দুয়োৰে কষ্ট বেচি হব। মোৰ বাবে অৱশ্যে সেইটোহে ভাল। কাৰণ সি শক্তিশালী আৰু অতি দ্ৰুতগামি। ভাগ্যভাল এতিয়ালৈকে সি সেই শক্তি ব্যৱহাৰ কৰা নাই। যি হয় হওক, ডলফিনটো বেয়া হোৱাৰ আগতে কাটি বাচি লও আৰু অলপ খাওঁ।

এতিয়া এঘণ্টা জিৰণি লব পাৰো। মই মোৰ সিদ্ধান্ত ঠিক কৰি লব পাৰিম আৰু মাছটোৰ গতিবিধিও লক্ষ্য কৰিব পাৰিম। মোৰ বোধেৰে বৰশীটো তাৰ কোৱাৰিত লাগিছে আৰু সি জোৰেৰে কামুৰি ধৰি আছে। বৰশীৰ পৰা সি যি কষ্ট পাইছে সেইটো আচল কথা নহয়, সি যে অচিন শত্রুৰ লগত যুঁজি আছে আৰু ভোকত যে ভীষণ কষ্ট পাইছে সেইটোহে আচল কথা। তেওঁ ক'লে "বুঢ়া জিৰণি লোৱা আৰু পুৱালৈ বাট চোৱা।" তেওঁ দুঘন্টামান জিৰণি লোৱা বুলি ভাবিছিল। জোন ওলোৱা নাছিল সেয়ে তেওঁ সময়ৰ উমান পোৱা নাছিল। তেওঁ ভালদৰে জিৰাবও পৰা নাছিল। মাছটোৰ ভৰ তেওঁৰ পিঠিত অনবৰত আছিলেই। বাওঁ হাতেৰে নাৱৰ দাঁতিত ভেজা দি মাছটোক ক্রমে বেচিকৈ টানিছিল।

তেওঁ ভাবিছিল তাক ৰচীডালেৰে টানি আনিব পৰা হ'লে কিমান ভাল আছিল। কিন্তু তেনে কৰিলে একে উফালতে সি ৰচিডল চিঙি পেলাব। ৰচীডাল সাবধানে টানিব লাগিব আৰু সময়ত এৰিবলৈও সাজু থাকিব লাগিব।

তেওঁ নিজকে ক'লে "বুঢ়া তুমি এতিয়াও শোৱা নাই, সম্পূর্ণ দুদিন এৰাতি তুমি নোশোৱাকৈ আছা, সি শান্ত হলে তুমি অলপ শুব পাৰিবা। যদি তুমি নোশোৱা তোমাৰ গা ভালে নাথাকে।"

মই ভালেই আছো মোৰ বেয়া লগা নাই। তৰাবোৰৰ দৰেই মই সতেজ। তথাপিও মই শুব লাগিব, কাৰণ সকলোৰেই শোৱে। জোন, তৰা, বেলি আনকি সময়ত সাগৰো শোৱে।

কিন্তু শুলেও ৰচীডালৰ কথা মনত ৰাখিব লাগিব। এতিয়া ডলফিনটো ঠিক ঠাক কৰা হওক। বঠা বান্ধি নাৱত শুই থকাটো ভয়ৰ কথা কিন্তু এতিয়া নুশুলেও বিপদ।

তেওঁ নাৱৰ আগলৈ বগুৱাবাই গ'ল। তেওঁ বেচ সাবধানে গৈছিল যাতে মাছটোৱে একো গম নাপায়। তেওঁ ভাবিছিল সি হয়তো কলমতিয়াই আছিল। কিন্তু মই তাক জিৰণি নিদিও, সি নমৰালৈকে মই তাক টানি থাকিম।

ৰচীডাল বাওঁহাতে ধৰি তেওঁ সোঁহাতেৰে চুৰিখন উলিয়ালে! তৰাৰ উজ্জ্বলতাতে তেওঁ ডলফিনটো চকামকাকৈ দেখিলে। তেওঁ ডলফিনটো কাটিলে আৰু পেটুবোৰ পানীত পেলাই দিলে। পেটুবোৰ পানীত ওপঙি জিলিকি উঠিছল, ডলফিনটো একেবাৰে চেচাঁ আছিল আৰু তাক শেঁতা দেখা গৈছিল। ডলফিনৰ মঙ্গহখিনি কাটি জঁকাটো পানীলৈ পেলাই দিলে আৰু চুৰিখন খাপত ভৰাই থলে। ৰচীডালৰ ভৰত তেওঁৰ পিঠি বেকা হৈ আছিল।

ডলফিনৰ মাংসখিনি থৈ তেওঁ পিঠিৰ ৰচীডাল অলপ লৰাই ল'লে আৰু বাওঁহাতেৰে ধৰি থাকিল। তেও হাউলি উৰণীয়া মাছ আছেনে কি চালে আৰু পানীৰ সোঁতৰ উমান ল'লে। সোঁতৰ গতি ধীৰ আছিল। তেওঁ ক'লে "সি বাৰু ভাগৰিছেনে জিৰাইছে। এতিয়া ডলফিনটো খাওঁ আৰু মইও অলপ টোপনি যাওঁ।"

নিশা মুকলি আকাশৰ তলত, সাগৰৰ মাজত হাঁড় কঁপোৱা জাৰ পৰিছিল। তেওঁ ডলফিনৰ মাংস আধাখিনিহে খালে, তেওঁ ক'লে "ৰাখি খাবলৈ ডলফিন যে কিমান সোৱাদ। কিন্তু, কেঁচাই খাবলৈ অলপো ভাল নহয়। আগলৈ নাৱত মই নিমখ ননাকৈ নাহো ।" তেওঁ ভাবিলে "মোৰ বুদ্ধি থকা হ'লে নাৱৰ টিঙত পানী চতিয়াই থ'লেহেঁতেন! সময়ত যেতিয়া সেইবোৰ শুকাই গ'লহেঁতেন তেতিয়া তাত অলপ নিমখ নিশ্চয় ৰ'লহেতেন। কিন্তু, সেইবোৰ কৰি থাকোঁতে ডলফিনটো কিজানি বৰশীত লগাবই নোৱাৰিলোহেতেন। যাই

হওক সেইয়া মোৰ যা-যোগাৰৰ অভাব কিন্তু মই ভালদৰেই মাংসবোৰ চোৰাব পাৰিলো আৰু মোৰ ওকালিও অহা নাই।”

পূব় আকাশ ডাৱৰে চানি ধৰিছিল। তৰাবোৰ নেদেখা হৈছিল। তেওঁ নিজে নিজে কথা পাতিলে “তিনি চাৰিদিনৰ ভিতৰত বতৰ বেয়া হ’ব। কিন্ত অন্ততঃ কালিলৈকে বতৰ ভালেই থাকিব। মাছটো শান্ত হৈ থাকোতেই ৰচি বাধি অলপ শোৱা যাওক।”

তেওঁ সোঁ হাতত ৰচিডাল টানকৈ বান্ধি নাওখনৰ গুৰিত ভেজা দি ৰ’ল। কান্ধৰ ৰচীডাল অলপ নমাই বাওঁ হাতেৰে টানকৈ ধৰিলে। টোপনিত সোঁহাতখন ঢিলা হৈ গলে বাওঁহাতেৰে ৰচীডাল ওলাই যাব আৰু তেতিয়া তেওঁ সাৰ পাব। তেওঁ সোঁ হাতখন ইমান টানকৈ বান্ধিছিল যে তেওঁ কষ্ট পাইছিল। কিন্তু কষ্ট কৰি কৰি তেওঁ অভ্যস্ত হৈ পৰিছে। “মই যদি বিশ মিনিটো শুব পাৰে তেতিয়াও ভাল।” তেওঁ ভাবিলে আৰু নাৱৰ টিঙত মূৰ থৈ শুই পৰিল।

তেওঁ সিংহৰ সপোন দেখা নাছিল তেওঁ শিহুৰ সপোন দেখিছিল। আঠ-দহ মাইল জুৰি এটা বিৰাট অঞ্চল শিহুৰে ভৰি আছিল, এইয়া সিহঁতৰ মিলনৰ সময়, সিহঁত পানীত জপিয়াই আছিল।

তেও আপোন গাওঁখনৰ সপোন দেখিছিল। বিচনাত শুই আছিল, উত্তৰৰ পৰা বতাহ বহিছিল আৰু হাঁড় কঁপোৱা জাৰ পৰিছিল। পিচত তেওঁ সপোনত আফ্রিকাৰ উপকূল দেখা পাইছিল। কানিমুণি সময়ত এটা দুটাকৈ সিংহবোৰ ওলাই আহিছিল। জাহাজৰ লঙ্গৰ বন্ধা কাঠডালত সাৱটি ধৰি তেওঁ সিংহবোৰ চাই আছিল। তেওঁৰ ভাল লাগিছিল। জোন কেতিয়াবাই ওলাল। কিন্তু তেওঁ সাৰ পোৱা নাছিল। মাছটোৱে নাওখন টানি নি আছিল।

ৰচীডালৰ আজোৰত তেওঁ সাৰ পাই উঠিল। আজোৰ খাই তেওঁৰ সোঁহাতখন ফৰফৰাইছিল। কিন্তু বাওঁহাতেৰে একো গম পোৱা নাছিল। তেওঁ যিমান পাৰে সোঁ হাতেৰেই কাম কৰিছিল। ৰচীডাল সোঁ-সোঁকৈ কোবেৰে গৈ আছিল। তেওঁ বাওঁহাতেৰে খেপিয়াই ৰচীডাল ধৰিছিল আৰু পিঠিৰে ভেঁজা দি ৰচীডাল জোৰ কৰি ৰাখিবলৈ চেষ্টা কৰিছিল। ৰচীৰ ঘঁহনি লাগি পিঠি ফৰফৰাই গৈছিল। ৰচীৰ ঘঁহনিয়ে বাওঁহাতৰ তলুৱাখিনি চিঙি পেলাইছিল। সেই সময়তে সাগৰত খলকনি তুলি মাছটোৱে জপিয়াবলৈ ধৰিছিল। তেওঁ প্রাণপণে ৰচীডাল টানি নাৱত বান্ধিবলৈ চেষ্টা কৰিছিল।

মাছটোৱে জাপ মৰা তেওঁ দেখা নাছিল। মাত্র পানীত খলকণিৰ শব্দহে শুনিছিল। পানীৰ চিটিকণি তেওঁৰ গাত পৰিছিল আৰু মাছটোৱে জপিয়াইছিল বুলি তেওঁ জানিছিল। ৰচীয়ে তেওৰ হাত বেয়াকৈ কাটিছিল। কিন্তু ৰচীয়ে এনেদৰে কাটে বুলি তেওঁ নজনা নহয়। তেওঁ সাৱধানে আঙুলিবোৰ নকটাকৈ ৰাখিবলৈ যত্ন কৰিছিল। তেওঁ ভাবিছিল ল’ৰাটো থকা হ’লে বহুত সহায় হ’লহেতেন। ল’ৰাটো থাকিব লাগিছিল।

তেওঁ ঠিয় হৈ ৰচীডাল এৰি আছিল আৰু পানীৰ মাজেৰে ৰচীডাল সোঁ সোঁকৈ গৈ আছিল। তেওঁ ৰচীখিনিলৈ চাই দেখিলে যে তেতিয়াও যথেষ্ট ৰচী বাকী আছে। তেওঁ ভাবিছিল তাৰ যিমান ইচ্ছা সি এতিয়া জপিয়াব পাৰে। তাৰ পিঠিৰ মোনাটো বতাহেৰে পূর্ণ হব আৰু সি কেতিয়াও তললৈ যাব নোৱাৰে সি অলপ পিচতে ঘূৰিবলৈ লব আৰু তেতিয়াই প্রকৃত কাম আৰম্ভ হব। সি অকস্মাত কিয় বাৰু উত্তেজিত হ’ল? ভোকত সি

বলীয়া হৈছিল। নাইবা নিশাৰ আন্ধাৰত কিবা দেখি সি ভয় খালেনে কি? হয়তো ভয় খাবও পাৰে। কিন্তু সি নিৰ্ভীক, শান্ত আৰু শক্তিশালী। নিজৰ ওপৰত তাৰ গভীৰ বিশ্বাস আছে। সি ভয় খোৱাটো আচৰিত কথা।

তেও স্পষ্টকৈ ক'লে "বৃদ্ধ তুমি আত্মবিশ্বাসী হোৱা, তুমি নিৰ্ভীক হোৱা। সি অলপতে ঘূৰিবলৈ লব।"

বুঢ়াই ৰচীডাল বাওফালে সলাই ল'লে, তেওঁ হাউলি মুখখন ধুলে। কাৰণ তেওঁৰ মুখত লাগি থকা ডলফিনৰ মাংসৰ পৰা ওকালি আহিব পাৰে। তেওঁৰ ভয় হৈছিল যদি কেনেবাকৈ বমি হয় তেতিয়া তেওঁ দুৰ্বল হৈ পৰিব। মুখ ধুই উঠি তেওঁ হাত দুখনো ধুলে। তেতিয়া কাহিলি কাহিলি পোহৰ হৈছিল। তেওঁ জানিছিল যে তেওঁ বহুত পূৱলৈ গতি কৰিছে ! তাৰ মানে মাছটো ভাগৰিছে আৰু সি সোঁতৰ সহায় লৈছে। সোনকালেই সি ঘূৰিবলৈ লব আৰু তেতিয়াই প্ৰকৃত কাম আৰম্ভ হ'ব।

তেওঁ হাতখন বেচ কিছুপৰ পানীত ডুবাই ৰাখিছিল। পানীৰ পৰা উলিয়াই আনি হাতখনৰ কটা অংশলৈ চাই তেওঁ কৈছিল "এতিয়া বেয়া লগা নাই। আৰু দুখনো কি ? এই দুখ মানহৰ চিৰ সহচৰ ।"

তেওঁ ৰচী ডাল পুনৰ সোঁ ফালে সলালে যাতে তেওঁ বাওঁহাতখন পানীত পখালিব পাৰে। তেওঁ বাওঁহাতখনক কৈছিল "তুমি কাম বেয়া কৰা নাছিলা। কিন্তু এনে মুহূৰ্তত আহিছিল যে মই তোমাক বিচাৰিকে পোৱা নাছিলো। তুমি মোক অলপো সহায় কৰা নাছিলা।"

মই কিয় দুখন ভাল হাত লৈ জন্ম লোৱা নাছিলো। মোৰেই ভুল, হয়তো মই এখন হাতক ভালকৈ শিকোৱা নাছিলো, কিন্তু কিয় নিশিকিলে ভগৱানেহে জানে কাৰণ হাতখনে শিকিবলৈ বহুত সুযোগ পাইছিল। যোৱা নিশা হাতখনে কাম ভালেই কৰিছিল। মাত্ৰ এবাৰহে অকৰা লাগিছিল। আকৌ যদি সিয়ামূৰি ধৰি অকৰা হয়, তাক ৰচিৰে কাটিলেও কাটক।

তেওঁ বুজিছিল যে তেও সতেজ অনুভৱ কৰা নাছিল। তেওঁ আৰু অলপ ডলফিনৰ মঙ্গহ খোৱা উচিৎ। তেওঁ নিজকে ক'লে "কিন্তু মই নোৱাৰো। ওকলিয়াই শক্তিহানি কৰাতকৈ নোখোৱাকৈ থকাই ভাল। কিন্তু পিচত খাম বুলি থৈ দিলেও মঙ্গহ খিনি ভালহৈ নাথাকে।" তেওঁ আকৌ নিজকে ক'লে "তুমি মূৰ্খ উৰণীয়া মাছটোকে দেখোন খাব পাৰি।"

উৰণীয়া মাছটো বাচি থোৱা আছিল। তেওঁ বুটলিলৈ গোটেই মাছটো চোবাই খাই পেলালে। এই মাছটোৰ শক্তি আন মাছতকৈ বেচি। তেওঁ ভাবিলে "এতিয়া মই যি পাৰো কৰিম তাক ঘূৰিবলৈ দিয়া আৰু যুদ্ধ আৰম্ভ হওক"। সাগৰত তেওঁ তৃতীয় দিনত ভৰি দিলে।

মাছটো পানীত ঘূৰি থকা তেওঁ দেখা পোৱা নাছিল। মাত্ৰ ৰচী ডালহে অলপ পাতল যেন পাইছিল। তেওঁ দুই হাতেৰে হেন্দূলি হেন্দূলি ৰচীডাল টানিবলৈ ধৰিলে।

তেওঁ ডাঙৰকৈ ক'লে "সি নিশ্চয় ঘূৰি আছে"।

ৰচীডাল আৰু টানিব নোৱাৰা হ'ল। ফিটফিটীয়া ৰচী ডালৰ পৰা পানীৰ সৰু সৰু কণিকাবোৰ ছিটিকি যোৱা তেওঁ বেলিৰ পোহৰত দেখা পাইছিল। সি লাহে লাহে পুনৰ

পানীৰ গভীৰতালৈ আঁতৰি গ'ল।

তেওঁ ক'লে "তাৰ ঘূৰণ বৰ অন্তিম ৰেখা পালেগৈ। মই তাক যেনে তেনে ৰাখিব লাগিব। প্ৰতি আজোৰত তাৰ ঘূৰণ বৃত্ত সৰু হৈ আহিব। সম্ভৱতঃ এঘন্টা মানৰ ভিতৰত মই তাক চকুৰে দেখা পাম। প্ৰথম কথা সি একো গম পাব নালাগিব তেতিয়াহে মই পিচত তাক বধ কৰিব পাৰিম।"

কিন্তু মাছটো ঘূৰিয়েই আছিল। বুঢ়াই ৰচী টানি টানি ঘামি-জামি ভাগৰি পৰিছিল, ৰচীডালৰ গতিৰ পৰা তেওঁ বুজিছিল যে তাৰ ঘূৰণ বৃত্ত ক্ৰমাৎ সৰু হৈ আহিছিল। তেওঁৰ অনুমান হৈছিল সি যেন লাহে লাহে ওপৰলৈ আহি আছিল।

প্ৰায় এঘণ্টা সময় বুঢ়াই চকুৰে ধোঁৱা-কোৱা দেখি আছিল। শৰীৰৰ লুণীয়া ঘাম যেন তেনি বাগৰিছিল। চকুৰ কটা অংশত ঘাম লাগি তেওঁ যথেষ্ট কষ্ট পাইছিল। চকুৰে তেওঁ প্ৰায় আন্ধাৰ দেখিছিল। সেইবাবে তেওঁ ভয় খোৱা নাছিল। কিন্তু, সেই সময় ছোৱাত তেওঁৰ দুবাৰ মূৰ ঘূৰাইছিল আৰু পৰি যাব যেন লাগিছিল। সেই কাৰণেহে তেওঁ চিন্তিত হৈছিল।

তেওঁ ক'লে "মই পৰাজিত হব নোখোজো। সেই মাছটোৰ হাতত মই মৰিবও নোখোজো। তাক মই ইমান ধুনীয়াকৈ টানি আছো। হে ভগবান, মোক শক্তি দিয়া। মই এশবাৰ আমাৰ পিতা আৰু পবিত্ৰ মেৰী গীত দুটা গাই তোমাক প্ৰাৰ্থনা জনাম। কিন্তু মই এতিয়া প্ৰাৰ্থনা গীত গাব নোৱাৰে। মোক দয়া কৰা, গীত দুটা মই পিচত গাম।"

ৰচীডালত তেওঁ এটা তীব্ৰ জোকাৰ অনুভৱ কৰিলে। সি হয়তো ৰচিত খুন্দা মাৰিছে । সি এতিয়া বাধ্য হৈ ওলাই আহিব। সি এতিয়া জপিয়াবও পাৰে নহলে বৃত্তাকাৰে ঘূৰিবও পাৰে। বতাহ লবলৈ সি জাপমৰাৰ প্ৰয়োজন হব। কিন্তু, বৰকৈ জপিয়ালে তাৰ বৰশী লগা ঘাঁ ডোখৰ বহল হৈ যাব পাৰে আৰু তেতিয়া বৰশীটো এৰাই যাবও পাৰে।

তেওঁ ক'লে "মাছ নজপিয়াবা।" মাছটোৱে কেইবাবাৰো খুন্দিয়ালে। প্ৰতিবাৰেই বুঢ়া হাউলি পৰিছিল আৰু লাহে লাহে ৰচী এৰি আছিল। সেই সময়ত তেওঁ ভাবিছিল সি যি কষ্ট পাইছে সেয়াই হব। আৰু বেচি কষ্ট দিব নোৱাৰি। মোৰ কষ্ট খিনি মই সহ্য কৰিব পাৰিম। কিন্তু, বেচি কষ্ট পালে সি বলীয়া হৈ উঠিব পাৰে।

মাছটোৱে খুন্দিয়াবলৈ এৰিলে। সি লাহে লাহে ঘূৰি ঘূৰি সাঁতৰি থাকিল। বুঢ়াই এৰি দিয়া ৰচীবোৰ পুনৰ চপাইছিল। কিন্তু তেওঁৰ মূৰ আচন্দ্ৰাই কৰিছিল। তেওঁ চলুৰে চলুৰে সাগৰৰ পানী আনি মূৰত ললে। তেওঁ ডিঙিৰ পিচফালেও পানী সানি মোহাৰি দিলে। তেওঁ ভাবিছিল সি সোনকালেই ওলাই আহিব।

তেওঁ আঠুকাঢ়ি বহিল। মাছটোৱে ৰচীডাল টানি নি আছিল। তেওঁ বিৰবিৰাই ক'লে "নাৱৰ টিঙত ভেজা দি জিৰাবলৈ ভাল। মাছটো পানীত পকিয়াই থাকক। মই অলপ জিৰণি লওঁ। পিচত তাক টানিম।" তেওঁ ৰচী টনা বাদ দিলে। কিন্তু, তেনেতে মাছটো নাওখনৰ ফালে অহা যেন দেখি তেওঁ ঠিয় হ'ল আৰু ৰচীডাল পুনৰ টানিবলৈ ধৰিলে।

"মই বেচি ভাগৰুৱা হৈ পৰিছো। বাণিজ্য বতাহ বলিছে, এই সময়তে তাক টানিবলৈ ভাল হব। আকৌ পাকমাৰি সি যেতিয়া আঁতৰি যাব মই তেতিয়াও জিৰাব পাৰিম। এনেদৰে দুই তিনিবাৰ টনাৰ পিচত মই তাক উঠাব পাৰিম।"

তেওঁৰ ঘাঁহৰ টুপীটো ডিঙিত ওলমি আছিল। ৰচী টানি টানি তেওঁ নাৱৰ টিঙৰ তললৈ হালি সোমাই গৈছিল। সাগৰত ঢৌ উঠিছিল কিন্তু বতৰ ভালেই আছিল। বতাহ তেওঁৰ অনকুলেই বলিছিল।

তৃতীয়টো পাকত তেওঁ মাছটো দেখা পাইছিল। নাওখনৰ কাষেদি পাৰহৈ যোৱা এটা ডাঙৰ কলা ছায়াৰ দৰে তেওঁ তাক দেখা পাইছিল। সি ইমান দীঘল আছিল যে তেওঁ বিশ্বাস কৰিবলৈকে টান পাইছিল।

তেওঁ ক'লে “নহয়, সি ইমান ডাঙৰ হবই নোৱাৰে।” কিন্তু সি সিমানেই ডাঙৰ। সেই পাকটো শেষ কৰোতে নাওখনৰ পৰা মাত্ৰ ত্ৰিছ গজ আঁতৰত তেওঁ তাৰ ফানখন দেখা পালে। ই এখন ডাঙৰ হাবিকটা দাৰ সমান ডাঙৰ। আঁতৰি যাওতে বুঢ়াই তাৰ বিৰাট শৰীৰটো দেখা পালে। তাৰ দেহত কিছুমান ডাঙৰ ডাঙৰ বেঙুণীয়া আচ আছিল আৰু তাৰ চকু দুটা বৰ ডাঙৰ। তাৰ কাষে কাষে আৰু দুটা মাছ সাঁতুৰি আছিল। মাজে মাজে মাছ দুটা ডাঙৰ মাছটোৰ গাতে লাগি সাঁতুৰিছিল। এই দুটা মাছ প্ৰায় তিনিফুট মান দীঘল।

বুঢ়া জৌ-জৌকৈ ঘামিছিল। প্ৰতিটো পাকত তেওঁ অধিক ৰচী চপাই আনিবলৈ সমৰ্থ হৈছিল। তেওঁ নিশ্চিত হৈছিল যে আৰু দুটা পাকত তেওঁ মাছটোৰ গাত যাঠি মৰাৰ সযোগ পাব।

তেওঁ ভাবিছিল তাক বেচি ওচৰ চপাই তাৰ মুৰত যাঠি ডাল বহুৱাব লাগিব। তেওঁ ডাঙৰকৈ ক'লে “বুঢ়া ধৈৰ্য ধৰা।”

দ্বিতীয় পাকত কিছু দূৰত তেওঁ মাছটোৰ পিঠিখন ওলোৱা দেখা পালে। পিচৰ পাকত সি আৰু অলপ দূৰলৈ গ'ল। অৱশ্যে সি ক্ৰমাৎ পানীৰ ওপৰলৈ ওলাই আহিছিল। তেওঁ নিশ্চিত হৈছিল যে আৰু অলপ ৰচী টানিলেই তাক নাৱৰ কাষ পোৱাব পাৰিব।

তেওঁ যাঠিডাল আগতেই সাজু কৰি ৰাখিছিল। ধুনীয়া মাছটো পকাই পকাই আহি আছিল। বুঢ়াই যিমান পাৰে সিমান ৰচি টানিছিল।

তেওঁৰ পুনৰ মুৰ আচন্দ্ৰাই কৰিছিল। কিন্তু তেওঁ ৰচীডাল এৰি দিয়া নাছিল। তেওঁ ভাবিলে “এই বাৰ মই তাক উঠাব পাৰিম। হাত টানা, ভৰি খোপনি ধৰা, মূৰ তমি আচন্দ্ৰাই নকৰিবা। এইবাৰ মই তাক উঠাম।” কিন্তু মাছটো পুনৰ আঁতৰি গ'ল। তেওঁ ক'লে “মাছ, তুমি সাৰিব নোৱাৰা, তোমাৰ মৃত্যু অনিবাৰ্য। কিন্তু লগতে মোকো মাৰিবানে কি?”

তেওঁ ভাবিছিল এই দৰে আৰু নহ'ব। তেওঁৰ মুখ শুকাই গৈছিল। তেওঁ কথা কব নোৱাৰা হৈছিল। পানীৰ বটলটোও ঢুকি পোৱাত নাছিল। এইবাৰেই যেনেতেনে তাক উঠাব লাগিব। মোৰ শক্তি আৰু বেচি পৰ নিটিকে, তেওঁ ফুটাই ক'লে “কিন্তু তুমি অক্ষম নোহোৱা।”

দ্বিতীয় পাকত তেওঁ মাছটো ধৰিব পৰা যেন হৈছিল। কিন্তু সি পুনৰ সোঁ ফালে আঁতৰি গ'ল।

বুঢ়াই ভাবিছিল “সি মোক মাৰিহে এৰিব। অৱশ্যে মোক বধ কৰাৰ অধিকাৰ তাৰো আছে, মাছ তোমাৰ দৰে ইমান ডাঙৰ, ইমান ধুনীয়া, ইমান শান্ত আৰু মহান এজন ভাতৃ

মই কেতিয়াও পোৱা নাছিলো। আহা মোক হত্যা কৰা।” কোনে কাক হত্যা কৰিব সেই লৈ মই মূৰ নঘমাও।

“তোমাৰ মূৰৰ বিকৃতি ঘটিছে, তুমি সুস্থ চিন্তা কৰা। তুমি জানিবলৈ যত্ন কৰা, মানুহৰ দৰে কষ্ট সহ্য কৰিবলৈ চেষ্টা কৰা।”

দুবাৰ মাছটো চাপি আহি পুনৰ আঁতৰি গ'ল। সি এনেদৰে বাৰে বাৰে আঁতৰি যোৱাৰ কথাটোহে বুজিব পৰা নাই। কিন্তু আৰু এবাৰ চেষ্টা কৰিম।

মাছটো কাষ চপাই আনিবলৈ তেওঁ পুনৰ চেষ্টা কৰিলে। মাছটো আহে কিন্তু আঁতৰি যায়। তেওঁৰ চেষ্টা বাৰে বাৰে বিফল হবলৈ ধৰিলে। তেওঁৰ হাত দুখন অৱশ হৈ পৰিছিল, কিন্তু তেওঁ চেষ্টা এৰা নাছিল।

তেওঁ সকলো যন্ত্ৰণা সহ্য কৰিছল আৰু মাছটো ধৰিবলৈ তেওঁৰ শেষ শক্তিকণো ব্যৱহাৰ কৰিছিল। মাছটো লাহে লাহে নাৱৰ কাষ চাপিল।

বুঢ়াই হাত এৰি ৰচীডাল ভৰিৰে গছকি ধৰিলে। তেওঁ যাঠিডাল লৈ শৰীৰৰ সমস্ত শক্তিৰে তাৰ কলিজাত বহুৱাই দিলে, তেওঁ বুজিলে যাঠিডাল ঠিকেই সোমাইছে, যাঠিডালত তেওঁৰ দেহৰ ভৰ দি হেঁচি ধৰিলে।

মাছটোৱে মৃত্যু যন্ত্ৰণাত এটা ডাঙৰ জাপ মাৰিলে। জাপ মাৰোতে তাৰ বিৰাট শৰীৰটো দেখা পোৱা গৈছিল। বুঢ়াৰ তেতিয়া মূৰ্চ্ছা প্ৰায় অৱস্থা। তেওঁ চকুৰে একো দেখা পোৱা নাছিল। তথাপিও তেওঁ খেপিয়াই যাঠিডলৰ নালত লগাই থোৱা ৰচীত ধৰিছিল। ক্ষন্তেক পিচতে বগা পেটটো ওপৰলৈ কৰি মাছটো পানীত ওপঙিল। পানীত তাৰ তেজ বিয়পি পৰিল। নীলা পানীত তেজৰ ৰং লাগি এটকুৰা বালিচৰৰ নিচিনা হৈছিল, পিচত ই লাহে লাহে ডাৱৰৰ দৰে দূৰলৈকে বিয়পি গৈছিল।

বুঢ়াই দৃশ্যটো কিছুপৰ চাই ৰল। তেওঁৰ অত্যন্ত ভাগৰ লাগিছিল। নাৱৰ টিঙত ভেজা দি তেওঁ জিৰাবলৈ ল'লে। যাঠিৰ নালত বান্ধি থোৱা ৰচীডাল তেওঁ ধৰি আছিল।

তেওঁ ক'লে “মোক স্থিৰতা দিয়া । মই এজন অৱশ বৃদ্ধ। কিন্তু মই মোৰ ভাতৃসম মাছটো বধ কৰিলো। মই এতিয়া নিশ্চয় কিছুমান অন্য ধৰণৰ কাম কৰিব লাগিব। যিহেতু নাওখনে তাৰ ভৰ লব নোৱাৰিব সেয়ে তাক বান্ধি নিবৰ বাবে মই এতিয়া ৰচী-ফহতিবোৰ ঠিক কৰি লব লাগিব। নাৱৰ পালখন তৰি মই ঘৰমুৱা হব লাগিব।”

তেওঁ তাৰ কাণৰ ফলেদি এডাল ৰচী ভৰাই মুখেদি উলিয়াই আনি নাৱৰ টিঙত বান্ধিলে। তেওঁ বিৰবিৰাই ক'লে “এই মাছটোৱেই মোৰ ভাগ্য।” তেওঁ মাছটোৰ মাজভাগত আৰু ফানখনতো এডাল ৰচী লগাই নাওখনত ভালদৰে বান্ধি দিলে। তেওঁ বটলৰ পৰা এঢোক পানী খাই কলে বৃদ্ধ যোৱা, কাম কৰা। এতিয়া যুদ্ধ শেষ হ'ল, গোলামি কাম খিনিহে বাকী।"

মাছটোলৈ এবাৰ চালে। আকাশলৈ চাই বেলিৰ উমান ল'লে। তেতিয়া সময় প্ৰায় দুপৰ হৈছিল। বতাহ বলি আছিল, তেওঁ ভাবিছিল ৰচী বিলাকক লৈ চিন্তা কৰিব লগা নাই। ঘৰ পালে ল'ৰাটোৰ লগত সামৰিব পৰা হব।

তেওঁ কলে “মাছ, এতিয়া আহা।”

মাছটো নাৱত নবন্ধালৈকে তেওঁ মাছটোৰ আকাৰ ভালদৰে গম পোৱা নাছিল। মাছটো নাৱত বন্ধাৰ পিচত তেওঁ দেখিলে যে মাছটোৰ পূৰ্বৰ বেঙুনীয়া ৰং এতিয়া বগা হৈ পৰিল। তাৰ গাৰ আচবোৰৰ ৰং শেঁতা ৰঙচুৱা আৰু আচবোৰ বৰ বহল আছিল। মাছটোৰ চকু দুটা একোখন ডাঙৰ আইনাৰ দৰে জিলিকি আছিল।

বুঢ়াই ক'লে "তাক বধ কৰাৰ এইটোৱেই একমাত্ৰ উপায় আছিল।" তেওঁ ভাবিছিল মাছটোৰ ওজন পোন্ধৰশ পাউণ্ডৰ" কম নহব। হয়তো বেচিও হব পাৰে। তাৰ মাংসৰ দাম প্ৰতি পাউণ্ডত ত্ৰিছ 'চেন্ট'ৰ কম নহব।

তেওঁ ডাঙৰকৈ ক'লে "হিচাপটো উলিয়াবলৈ মোক কাগজ পেঞ্চিল লাগিব। মোৰ এতিয়া মগজুৰ স্থিৰতা নাই। কিন্তু মই ভাবিছো মহান ডি মেজিঅ'ই মোক লৈ গৌৰৱ কৰিব। মোৰ ভৰিৰ বিষ হোৱা নাই। কিন্তু মই হাত আৰু পিঠিত বহুত আঘাত পালো।"

তেওঁ মাছটো নাওখনত একেবাৰে লগাই বান্ধিছিল। ই ইমানেই ডাঙৰ যে কাষত আৰু এখন নাও বান্ধি লোৱা যেন হৈছিল। তেওঁ ৰচি এডাল কাটি লৈ মাছটোৰ মুখখন জপাই বান্ধিলে আৰু নাৱৰ পালখন তৰি দিলে। দক্ষিণ-পশ্চিম দিশত তেওঁ নাওঁ এৰিলে। দক্ষিণ-পশ্চিম দিশ চিনি পাবলৈ তেওঁক কম্পাছৰ প্ৰয়োজন নাই, মাত্ৰ বাণিজ্য বতাহ অহাৰ গম পালেই হ'ল। তেওঁ ভাবিলে "মই খোৱাৰ কথা চিন্তা কৰিব লাগিব। বৰশী এটা পানীত পেলালে ভাল হব।" কিন্তু তেওঁৰ টোপবিলাক নষ্ট হৈ গৈছিল। তেওঁ বৰশীৰে একোচা দল টানিলে। দলত থকা সৰু সৰু মিছা মাছবোৰ জপিয়াই নাৱত পৰিল। বহুত মিছা মাছ নাৱত পৰিছিল। বুঢ়াই মাছবিলাকৰ মূৰ আৰু ঠেং বোৰ চিঙি চোবাবলৈ ধৰিলে, মাছবোৰ বৰ সৰু। কিন্তু তেওঁ জানিছিল যে এইবোৰ খালেও ভোকৰ যন্ত্ৰণাৰ পৰা কিছু উপশম পাব, তাতে এই মাছবোৰ খাবলৈও সোৱাদ।

বুঢ়াৰ বটলত তেতিয়াও দুবাৰ মান খাবৰ জোখাৰে পানী আছিল। মিছামাছ খিনি খাই বুঢ়াই তাৰে অলপ পানী খালে। তেও দলঘাঁহ বিলাক আঁতৰাই দিছিল আৰু নাওখন আগবাঢ়ি গৈ আছিল। তেওঁ মাছটোলৈ নাই চাইছিল। হাত আৰু পিঠিৰ যন্ত্ৰণা অলপো কমা নাছিল, তেওঁ তেতিয়াহে বুজি পাইছিল যে এইটো এটা সপোন নহয়। ই প্ৰকৃততে এটা সত্য ঘটনা। মাছটো যেতিয়া জাপমাৰি ওপৰলৈ উঠিছিল আৰু শূণ্যত ওলমি ৰোৱাৰ দৰে ৰৈ পুনৰ বিৰাট শব্দ কৰি পানীত পৰিছিল তেতিয়া তেওঁ নিজৰ চকুকে বিশ্বাস কৰিব পৰা নাছিল। কিন্তু এতিয়া মাছটো ভালদৰে দেখা পাইয়ো তেওঁ নিজৰ চকুকে বিশ্বাস কৰিব পৰা নাই।

তেওঁ বুজিছিল যে এইটো এটা সপোন নহয়। তেওঁ ভাবিছিল হাতখন সোনকালেই ভাল হব। সাগৰৰ লুণীয়া পানীয়ে ইয়াক আৰোগ্য কৰিব। সাগৰৰ গভীৰ নীলা পানীয়েই প্ৰকৃত দুখহাৰী। মগজু স্থিৰে ৰাখিব লাগিব। হাতে তাৰ কাম কৰিব আৰু নাওখন গৈ থাকিব। বঠাৰ চাবে চাবে তাৰ ফানখন উঠানমা কৰিব আৰু আমি দুয়ো ভাতৃ ঘৰমুৱা নৌকা যাত্ৰা কৰিম। তেওঁৰ মূৰ ঘূৰোৱা যেন লাগিল। প্ৰকৃততে সিহে মোক কোনো অজানালৈ নিছে নে মইহে তাক আনিছো? যদি মই তাক চোঁচোৰাই আনিলোহেতেন তেতিয়াহলে কোনো প্ৰশ্ন নাছিল। যদি তাক নাওখনত তুলি আনিলোঁহেতেন তেতিয়াও এই প্ৰশ্ন নুঠিলহেতেন! বুঢ়াই ভাবিছিল কিন্তু আমি একেলগে আহিছো। সি যদি ইচ্ছা কৰে মোক টানি নিয়ক। মোৰ

কবলগা নাই। মই তাতকৈ বুদ্ধিমান সি মোৰ একো অপকাৰ কৰিব নোৱাৰে। বুঢ়া নাওবাই গৈ আছিল। আকাশ ডাৱৰে ওন্দোলাই আহিছিল। বুঢ়াই জানিছিল নিশাটো বতাহ বলিয়েই থাকিব। তেওঁ একেৰাহে মাছটোলৈ চাই গৈছিল। তাৰ এঘণ্টাৰ পিচত প্ৰথম শ্বাৰ্কটোৱে আক্ৰমণ আৰম্ভ কৰিছিল।

সাগৰত শ্বাৰ্কৰ আক্ৰমণ এটা স্বাভাৱিক ঘটনা। মাছটোৰ তেজে সাগৰৰ পানী যথেষ্ট দূৰলৈকে বোলাইছিল আৰু শ্বাৰ্কটোৱে গম পাই চিকাৰ বিচাৰি ওলাই আহিছিল। সি তেজৰ গোন্ধ লৈ বিৰাট বেগেৰে নাওখনৰ ফালে সাঁতুৰি আহিছিল।

মাজে মাজে তেজৰ গোন্ধ হেৰাই যায়। তেতিয়া সি ক্ষন্তেক ৰৈ গোন্ধৰ উমান লয় আৰু পুনৰ বেগেৰে সাঁতুৰিবলৈ ধৰে। সি এটা ডাঙৰ মাকো শ্বাৰ্ক। এই শ্বাৰ্ক বিধে সাগৰত বেগী মাছৰ দৰে সাঁতুৰিব পাৰে, দাঁত বিলাকৰ বাহিৰে ই দেখাত বৰ ধুনীয়া। তাৰ পিঠিটো নীলা আৰু পেটৰ ৰং বগা। তাৰ ছালখন কোমল, মিহি আৰু ধুনীয়া। সি মুখখন জপাই পিঠিৰ ডাঙৰ ফানখনেৰে পানীকাটি বেগেৰে সাঁতুৰি আহিছিল। ইহঁতৰ দাঁত আঠশাৰী। এই জাতি শ্বাৰ্কৰ দাঁতবিলাক সাধাৰণ শ্বাৰ্কৰ দাঁতৰ দৰে পোন নহয়। ইহঁতৰ দাঁত বিলাক মানুহৰ আঙুলিৰ নিচিনা দীঘল আৰু চৰাইৰ নখৰ দৰে আঁকোৰা। ইহঁতৰ দাঁতবিলাক একোখন খুৰৰ দৰে চোকা। সাগৰৰ মাছ খাবলৈকে ইহঁতৰ সৃষ্টি। ইহঁত ইমান বেগী আৰু শক্তিশালী যে সাগৰত ইহঁতলৈ সকলোৱে ভয় কৰে। এতিয়া এনে এটা শ্বাৰ্কেই তেজৰ গোন্ধ লৈ বিৰাট বেগেৰে পানী ফালি আহিছে।

তাক অহা দেখিয়েই বুঢ়াই বুজিছিল যে তাক ৰোধিব পৰা নহব। সি যি কৰিম বুলি ভাবিব সেইটো কৰিবই। শ্বাৰ্কটো দেখি তেওঁ যাঠিপাত সাজু কৰি ললে। যাঠিৰ ৰচীডাল সৰু আছিল কাৰণ মাছটো বান্ধিবৰ কাৰণে তেওঁ ৰচীডাল অলপ কাটিছিল।

বুঢ়া তেতিয়া সম্পূৰ্ণ সুস্থ আছিল। শ্বাৰ্কটো বধিবলৈ তেওঁ দৃঢ়ভাবে সাজু হৈছিল। কিন্তু তেওঁৰ আশা মৰহি গৈছিল। তেওঁ ভাবিছিল শেষ ভালেই ভাল। শ্বাৰ্কটো আহি ওচৰ পালেহি। তেওঁ মাছটোলৈ চাই ভাবিহিল এইটো এটা যেন সপোনহে। তেওঁ আৰু ভাবিছিল “তাক বাধা দিয়া সহজ নহব। কিন্তু মই তাক ভেটিব লাগিব।” শ্বাৰ্কটো আহি মাছটো ধৰিলেহি, তেওঁ তাৰ মুখখন আৰু ভয়লগা চকুযোৰলৈ চালে। ফিচাখনৰ ঠিক ওপৰতে সি মাছটোৰ মঙ্গহত কামোৰ দিছিল। বুঢ়াই তাৰ ঠিক কপালতে যাঠিপাত বহুৱাই দিছিল। তেওঁ যাঠিডাল যিমান পাৰে সিমান জোৰেৰে বহুৱাইছিল। দৃঢ়তাৰে আৰু সম্পূৰ্ণ শত্ৰু ভাৱেৰে তেওঁ তাক আঘাত কৰিছিল। কিন্তু তেওঁ বেচি আশা কৰা নাছিল।

শ্বাৰ্কটো উফালমাৰি আঁতৰি আহিল। সি ৰচীডালত পাকমাৰি আৰু এটা উফাল মাৰিলে। বুঢ়াই ভাবিছিল শ্বাৰ্কটো মৰিল। সি ৰচীডাল পাকমাৰি দাঁত বিলাক উলিয়াই মেচিন নাৱৰ দৰে পানীত গতি ললে। ৰচীডাল টানখাই চিগি থাকিল। কিন্তু শ্বাৰ্কটো বেচি যাব নোৱাৰিলে। সি কিছু সময় পানীত ওপঙি থাকি লাহে লাহে তললৈ ডুবি গল।

বুঢ়াই বিতৃষ্ণাৰে ক'লে “সি কমেও চল্লিছ পাউন্ড মঙ্গহ মুখত লৈ গ'ল। সি মোৰ যাঠিডাল আৰু ৰচীখিনিও লৈ গ'ল। মাছটোৰ পৰা আকৌ তেজ ওলাইছে আৰু শ্বাৰ্ক নিশ্চয় আহিব।”

শ্বাৰ্কে এনেদৰে বখলা বখলে খোৱাৰ পিচত তেওঁৰ মাছটোলৈ চাবলৈ মন নোযোৱা হ'ল। শ্বাৰ্কে মাছটো চপক-চপকৈ খাওতে তেওঁৰ নিজৰ গাতে কামোৰা যেন লাগিছিল ।

"কিন্তু মোৰ মাছটো খাবলৈ অহা শ্বাৰ্কটো মই মাৰিলো। ইমান ডাঙৰ শ্বাৰ্ক মই আগতে দেখা নাই। ডেনটুচ প্ৰজাতিৰ ই এটা বৃহৎ শ্বাৰ্ক। ভগৱানেহে জানে ভাগ্যত কি জানি তাতকৈও ডাঙৰ শ্বাৰ্ক দেখিবলৈ আছে।"

তেওঁ ভাবিছিল এইটো এটা সপোনহে ! আচলতে মই বৰশীত ধৰা নাই। বিচনাত শুই শুই মই সপোন দেখিহে আহো।

তেওঁ ক'লে "পৰাজয়ৰ বাবে মনুহৰ জন্ম নহয়। মানুহক ধ্বংস কৰিব পাৰি কিন্তু পৰাজয় কৰিব নোৱাৰি। মাছটো মাৰি মোৰ দুখ লাগিছে। এতিয়া আৰু অধিক বেয়া সময় আহি আছে। এতিয়া আনকি মোৰ যাঠিডালো নাই। এই ডেনটুচ শ্বাৰ্ক বিলাক বেচি হিংসুক, শক্তিশালী আৰু বুদ্ধিয়ক। কিন্তু মই তাতকৈ বেচি বুদ্ধিয়ক। অৱশ্যে নহবও পাৰো। কিন্তু মই তাতকৈ অধিক অস্ত্ৰেৰে সজ্জিত। তেওঁ পুনৰ ক'লে"বৃদ্ধ, চিন্তা নকৰিবা। তুমি এতিয়া নাও বোৱা, সময়ত যি হয় কৰিবা।"

তেওঁ ভাবিছিল চিন্তা নকৰাকৈ কেনেকৈ থাকিম! মই বেচবলৰ কথা ভাবিম। শ্বাৰ্কটোৰ মূৰত আঘাত কৰি মই যেনেদৰে হত্যা কৰিলো মহান ডি মেজিঅ'ই বাৰু পাৰিলেহেতেননে ? মই খাটাং নহয়, কিন্তু, এইটো এটা বৰ ডাঙৰ কাম নহয়। যি কোনো মানুহেই এই কাম কৰিব পাৰিব। কিন্তু ভাবাচোন মোৰ হাত দুখনে কষ্ট পাই তেনেই অসাৰ হৈ থকা নাছিলনে? তেওঁ ফুটাই ক'লে "বৃদ্ধ মুখৰ কথা, আনন্দৰ কথা মনত পেলোৱা। প্ৰতি মুহূৰ্ততে এতিয়া তুমি ঘৰৰ চমু চাপি আহিছা ।চল্লিছ পাউন্ড ওজন কমাৰ বাবে নাওখনো যথেষ্ট পাতল হৈছে।"

সাগৰীয় সোঁতৰ মাজ পাওঁতে কি ঘটিব তেওঁ ভালকৈ জানে। কিন্তু এতিয়া তাৰ একো প্ৰতিকাৰ নাই। তেওঁ কলে "অ' এতিয়া মই বঠা এপাটত চুৰিখন ভালকৈ বান্ধি লম।" তেওঁ তাকে কৰিলে আৰু মুখ ফুটাই ক'লে "মই এজন বৃদ্ধ হ'ব পাৰো। কিন্তু নিৰস্ত্ৰ নহয়"

বতাহ বলি আছিল। তেওঁৰ নওখন ভালদৰেই গৈ আছিল। তেওঁ মাছটোৰ মূৰৰ ফালে চাইছিল আৰু তেওঁৰ আশাই পুনৰ গজালি মেলিছিল।

"নিৰাশ হোৱাটো এটা মূৰ্খামী, অন্যহাতে মই ইয়াক পাপ বুলিও ভাবো।" তেওঁ কৈছিল "পাপৰ কথা নাভাবিবা, পাপ কৰো বা নকৰো আমাৰ কিন্তু বহুত সমস্যা আছে। কিন্তু মই এই কথাবোৰ ভালদৰে বুজি নাপাওঁ" ।

"পাপৰ কথা মই একো বুজি নাপাও। পাপ বুলিলে কিবা এটা আছে সেই কথাও বোধহয় মোৰ জ্ঞান বিশ্বাসত নাই। মাছটোক হত্যা কৰা হয়তো এটা পাপ কৰ্ম্মই আছিল। পাপ বুলি ধৰি ললেও মই এই কাম জীয়াই থাকিবলৈকে কৰিছো। মই এই কাম আন বহুতক খুৱাবলৈকে কৰিছো। ভাবিলে দেখোন সকলো কৰ্মই পাপ। পাপৰ কথা চিন্তা নকৰিবা। সেই কথা চিন্তা কৰাৰ সময় উকলিল! এই পাপৰ মূল্যায়ণ কৰিবলৈ মানুহ আছে। তেওঁলোকক চিন্তা কৰিবলৈ এৰি দিয়া। তুমি মাছমৰীয়া হৈ জন্ম লৈছা আৰু

মাছবোৰ মাছ হৈয়েই জন্ম লৈছে, চান পেড্ৰ’ও এজন মাছমৰীয়া আছিল আৰু মহান ডি মেজিঅ’ৰ দেউতাকো এজন মাছমৰীয়াই আছিল।”

বিভিন্ন কথা তেওঁৰ মনলৈ আহিছিল। পঢ়িবলৈ তেওঁৰ হাতত এখন কাগজো নাছিল। শুনিবলৈ তেওঁৰ ৰেডিঅ’ও নাছিল। সেয়ে তেওঁ যি কোনো কথাকে চিন্তা কৰি আছিল। তেওঁ পুনৰ পাপৰ বিষয়ে চিন্তা কৰিবলৈ ধৰিলে। তেওঁ ভাবিছিল অকল জীৱিকাৰ বাবেই তেওঁ মাছটো মৰা নাই। যিহেতু তেওঁ মাছমৰীয়া সেয়ে গৌৰৱৰ কাৰণেহে তেওঁ মাছটো মাৰিলে। এটা ডাঙৰ মাছ মাৰিব পৰাটো গৌৰৱৰে কথা। জীয়াই থাকোতেও তেওঁ তাক ভাল পাইছিল আৰু মৰাৰ পিচতো তেওঁ মাছটোক ভাল পায়ে আছে। যদি ভালেই পোৱা হত্যা কৰিলেও পাপ নহয়, বা অধিক কি ?

তেওঁ আত্মোক্তি কৰিলে “বৃদ্ধ তুমি বেচি চিন্তা কৰা।”

শ্বাৰ্কটো বধ কৰি আনন্দ লাগিছে। কিন্তু সিও যে মোৰ দৰে মাছৰ ওপৰতে জীয়াই থাকে। তেওঁ ডাঙৰকৈ ক’লে “আত্মৰক্ষাৰ বাবেই মই তাক বধ কৰিলো। মই তাক হত্যা কৰি ঠিক কামেই কৰিলো।”

তেওঁ ভাবিছিল “যি কোনো কাৰণতে ইটোৱে সিটোক বধ কৰিব লগা হয়। এইটো এটা নিয়ম, মাছ ধৰিয়েই মই জীয়াই থাকো আৰু ঠিক সেইদৰেই মাছ ধৰাই মোৰ মত্যুৰ কাৰণো হব পাৰে। তেওঁ আৰু ভাবিছিল ল’ৰাটোৱেই মোৰ জীয়াই থকাৰ প্ৰেৰণা, মই নিজকে ফাঁকি দিবলৈ চেষ্টা কৰা ভাল হোৱা নাই।”

বুঢ়াই নাওখনৰ কাষত ভেজা দি মাছটোৰ মঙ্গহ এটুকুৰা চিঙি আনি খাই চালে। বেচ সোৱাদ, তেওঁ বুজিলে বজাৰত বেচ ভাল দাম পাব। কিন্তু এতিয়া পানীত তেওঁ মাছটোৰ তেজৰ গোন্ধ নাইকিয়া কৰিব নোৱাৰে। তেওঁ অনুভৱ কৰিলে যে তেওঁলৈ অধিক বেয়া সময় আহি আছে।

বতাহ অলপ ধীৰ হৈছিল। বতাহৰ গতি উত্তৰ পূৱ মুৱা হৈছিল। বতাহ বন্ধ নহয় বুলি বুঢ়াই অনুমান কৰিছিল। আন নাও দেখে নেকি তেওঁ ডিঙি মেলি চালে। কিন্তু তেওঁ কোনো নাওঁ বা জাহাজ দেখা নাপালে। তেওঁ মাত্ৰ দেখিবলৈ পালে হালধীয়া ৰঙৰ সাগৰীয় বন আৰু উৰণীয়া মাছৰ জাক।

তেওঁ মাজে মাজে জিৰাইছিল আকৌ নাও বাইছিল। মন গ’লে মাৰলিন মাছটোৰ মঙ্গহ এটুকুৰা চোবাইছিল। তেওঁ সেইদৰেই দুঘন্টা সময় পাৰ কৰিলে। তেনেতে তেওঁ আৰু দুটা শ্বাৰ্ক আহি থকা দেখা পাইছিল। তেওঁ ডাঙৰকৈ ক’লে “আউ” এইটো এটা অৰ্থহীন শব্দ। সম্ভৱতঃ মুখৰ পৰা অকস্মাত ওলাই অহা ই এটা উচ্চাৰণ মাত্ৰ। অকম্মাতে খোচ খালে বা উজুতি খালে সাধাৰণতে এই উচ্চাৰণ কৰা হয়।

তেওঁ ভাবিলে এই বিধ ’গেলনচ’ শ্বাৰ্ক। সিহঁত দুটা শাৰীপাতি আহিছে। সিহঁতৰ হালধীয়া ত্ৰিভুজাকৃতিৰ ফানৰ পৰাই তেওঁ সিহঁতক চেপেটা নকা ‘গেলনচ’ শ্বাৰ্ক বুলি চিনি পালে। তেজৰ গোন্ধ পাই ভোকত সিহঁত আতুৰ আৰু উত্তেজিত হৈ পৰিছিল। অধিক উত্তেজনাৰ ফলত মাজে মাজে সিহঁতৰ নাকৰপৰা তেজৰ গোন্ধ হেৰাই গৈছিল। ক্ষন্তেক ৰৈ সিহঁতে পুনৰ গোন্ধৰ পুং লয় কিন্তু প্ৰতি মুহূৰ্ততে সিহঁত মাছটোৰ কাষ চাপি আহিছিল।

বুঢ়াই গুৰি বঠাপাট টানকৈ বান্ধি চুৰি লগাই থোৱ দীঘল বঠাডাল ল'লে, তেওঁ হাতৰ বিষ আওকান কৰি বঠাডাল জোৰেৰে খামুচি ধৰিলে আৰু শ্বাৰ্কটো ওচৰ পোৱালৈ বাট চালে। তেওঁ সিহঁতৰ কোৰৰ দৰে চেপেটা আৰু আগজোঙা মূৰ দুটা দেখা পালে। সিহঁতৰ বগা ফোট থকা ফানবিলাক তেওঁৰ চকুত পৰিল। সিহঁত উৎকত গোন্ধৰ এবিধ ঘৃৰ্ণনীয় হত্যাকাৰী শ্বাৰ্ক। ভোক লাগিলে সিহঁত বলীয়া হৈ পৰে। আনকি সিহঁতে কেতিয়াবা নাৱৰ গুৰি বঠাতে কামোৰ দিয়ে। পাৰত শুই থকা কাছৰ ঠেঙ কামুৰিবলৈও সিহঁতে চিন্তা নকৰে। সাগৰত পালে সিহঁতে মানুহো খায়।

বুঢ়াই ক'লে "আউ 'গেলনচ', আহ ওচৰ চাপি আহ।"

সিহঁত আহিছিল। কিন্তু সিহঁত মাকো শ্বাৰ্কটো অহাৰ দৰে অহা নাছিল। এটা নাওঁখনৰ তলত লুকাইছিল। বুঢ়াই নাৱৰ জোকাৰণিৰ পৰাই সেইটো গম পাইছিল। আনটোৱে তাৰ মেকুৰীৰ নিচিনা পিতল বৰণীয়া চকুদুটা মেলি তেওঁলৈ চাই আছিল। পিচত সি কোবেৰে আহি মাছটো কামুৰি ধৰিলে। বঢ়াই তাৰ মৰ আৰ, ৰাজহাড়ৰ জোৰাতে চুৰিখন বহুৱাই দিলে। চুৰিখন উলিয়াই পুনৰ তাৰ পিতল বৰণীয়া চকুত খোচ দিলে। শ্বাৰ্কটো মুখত মঙ্গহৰ টুকুৰা লৈয়ে মৰিল আৰু লাহে লাহে পানীত ডুব গ'ল। আনটো শ্বাৰ্কে তেতিয়াও নাৱৰ তলৰ পৰা মাছটো খায়েই আছিল। বঠাৰে ঠেলি বঢ়াই নাওখন অলপ আঁতৰাই দিলে যাতে তাক নাৱৰ তলৰ পৰা উলিয়াব পৰা হয়। তেও শ্বাৰ্কটো দেখা পালে আৰু নাৱৰ কাষত ভেজা দি তাক এটা প্ৰচণ্ড খোচ দিলে। কিন্তু আচলতে যি ঠাইত খোচটো পৰিব লাগিছিল তাত নপৰিল। তাৰ গাৰ কঠিন চালখন ভেদি চুৰিখন নোসোমাল। অৱশ্যে শ্বাৰ্কটো নাৱৰ তলৰ পৰা ওলাই আহিল। তেওঁ এইবাৰ তাৰ চেপেটা মুৰত খোচ দিলে। চুৰিখন উলিয়াই আনি একে ঠাইতে পুনৰ খোচ দিলে। সি কিন্তু তেতিয়াও কামোৰ এৰা নাছিল। বুঢ়াই তাৰ বাওঁচকুটোত এটা খোচ দিলে। শ্বাৰ্কটো কিন্তু তেতিয়াও আঁতৰা নাছিল।

বুঢ়াই এইবাৰ তাৰ ৰাজহাড় আৰু মূৰৰ জোৰত এটা প্ৰচণ্ড খোচ দিলে। শ্বাৰ্ক মাৰিবলৈ সেয়াই উত্তম স্থান। বুঢ়াই তাক উপৰ্যুপৰি চুৰিৰে খুচিবলৈ ধৰিলে, শ্বাৰ্কটো মৰিল। তেওঁ তাক পানীলৈ হেঁচি দি কলে "যা এমাইল তলত পৰি থাক। তাত তোৰ বন্ধু আৰু হয়তো মাৰকে লগ পাবি।"

বুঢ়াই চুৰিখন মচি চফা কৰি বঠাপাট থলে। তেওঁ নাওঁ বাবলৈ ধৰিলে আৰু নাওখন নিজবাটে গৈ থাকিল।

তেওঁ বিষন্ন চিত্তে ক'লে "সিহঁতে প্ৰায় চাৰিভাগৰ এভাগ মাংস খালেই। মই ভাবিছো ই এটা সপোনহে। মই মাছটো প্ৰকৃততে বৰশীত লগোৱাই নাছিলো। মাছ এই বাবে মই দুঃখিত। সকলো কথাই ভুল হৈ গ'ল।" তেওঁ কথা কবলৈ এৰিলে আৰু মাছটো চাবলৈ এৰিলে।

তেওঁ পুনৰ ক'লে "মাছ, মই ইমান দূৰলৈ অহা উচিত নাছিল। মই ইমান দূৰলৈ অহা বাবে তোমাৰো ভাল নহ'ল আৰু মোৰো ভাল নহ'ল। মাছ, মই বৰ দুখ পাইছো।"

তেওঁ চুৰিখনৰ বান্ধটো চিগিছেনে কি ভালদৰে পৰীক্ষা কৰিলে আৰু নিজকে যুদ্ধৰ বাবে সাজু কৰি ৰাখিলে, কাৰণ শ্বাৰ্কবোৰৰ আক্ৰমণ শেষ হোৱা বুলি কব নোৱাৰি।

এতিয়াও সিহঁতৰ বহুত আহিবলৈ আছে।

বঠাপাটৰ মূৰত চুৰিৰ গাঠিটো পৰীক্ষা কৰি বুঢ়াই ক'লে "চুৰিখন ধৰাবলৈ শিল এটা অনা হ'লে ভাল আছিল।" তেওঁ ভাবিছিল বহুত বস্তুৰেই আনিব লাগিছিল। কিন্তু সেইবোৰ অনা নহ'ল। যিবোৰ নাই এতিয়া সেইবোৰৰ কথা ভাবি লাভ নাই। বৰ্তমান হাতত যি আছে তাৰেই কি কৰিব পাৰি চিন্তা কৰা ভাল।

তেওঁ আকৌ কৈছিল "এইবোৰ বহুত ভাল উপদেশ। কিন্তু এইবোৰে মোক ভাৰাক্ৰান্ত কৰিছে।"

তেওঁ বঠাৰ নালডাল কাষলটিৰ তলত লৈ হাত দুখন পানীত জুবুৰিয়াই দিছিল। নাওখন আগবাঢ়ি গৈ আছিল।

তেওঁ ডাঙৰকৈ কৈছিল "ভগবানেহে জানে শেষৰটো শ্বাৰ্কে কিমান মাংস লৈ গ'ল। কিন্তু নাওখন এতিয়া যথেষ্ট পাতল হৈছে।" মাছটোৰ তলফালে শ্বাৰ্কে কিমান খালে সেই কথা ভাবিবলৈ তেওঁৰ মন নগল। শ্বাৰ্কে প্ৰতিটো আজোৰতে মাছটোৰ মাংস লৈ গৈছিল। মাছটোৱে সাগৰত সিহঁতৰ বাবে যেন এটা বহল পথহে তৈয়াৰ কৰি দিছিল।

তেওঁ আৰু ভাবিছিল এই মাছটোৱে এজন মানুহৰ গোটেই শীতকাল জুৰিব। লগে লগে নিজকে ক'লে "সেইবোৰ নাভাবিবা। এতিয়া জিৰণি লোৱা আৰু বাকী থকাখিনি ৰক্ষা কৰিবলৈ হাত দুখন সাজ কৰি ৰাখা। পানীত থকা মাছটোৰ তেজৰ তুলনাত মোৰ কটা হাতৰ তেজ তেনেই নগন্য। এনেদৰে কটা একো আচৰিত ঘটনা নহয়। তেজ ওলোৱাৰ বাবে মোৰ বাওহাতখন সিয়ামূৰি ধৰাৰপৰা ৰক্ষা পৰিব।"

বুঢ়াই বিৰবিৰাই ক'লে "এতিয়া মই কি ভাবিম ? একো নাভাবো। মই নিশ্চিন্ত মনে পিচৰ শ্বাৰ্কটোলৈ বাট চাই ৰ'ম। মই ভাবিছো প্ৰকৃততে ই এটা সপোনহে। কিন্তু কোনে জানে ই হয়তো দিঠকেই হব।"

ইয়াৰ পিচত আৰু এটা চেপেটা নকা শ্বাৰ্ক আহিছিল। দেখাত ই এটা ডাঙৰ গাহৰিৰ সমান। শ্বাৰ্কটোৱে মাছটোত কামোৰ দিওতেই বুঢ়াই তাৰ মূৰত চুৰি বহুৱাই দিলে। শ্বাৰ্কটোৱে উফাল মাৰি পঠিয়ালে আৰু তেওঁৰ চুৰিখন ভাগি থাকিল।

বুঢ়াৰ হুঁচ হেৰোৱা যেন লাগিল। প্ৰকৃতিস্থ হ'বলৈ তেওঁ বহি পৰিল। শ্বাৰ্কটো মৰি পানীত ডুবি যোৱাও তেওঁ দেখা নাপালে। কিন্তু এনেদৰে লাহে লাহে পানীত ডুবি যোৱা চাই তেওঁ বৰ ভাল পায়। কিন্তু, এতিয়া তেওঁ সেই দৃশ্যও চাব নোৱাৰিলে।

তেওঁ ক'লে "এতিয়া মোৰ বৰশীটোহে আছে। কিন্তু এই বৰশীটোৰ পৰা একো কামত নাহে। মোৰ দুডাল বঠা আছে। গুৰি বঠা ঘূৰোৱা নালডাল আছে আৰু এডাল চুটি লাঠি আছে।" "এতিয়া সিহঁতে চাগৈ মোক পৰাজয় কৰিব পাৰিব। শ্বাৰ্কটো মৰিয়াই মাৰিবলৈ মোৰ সিমান শক্তি নাই কাৰণ মই এজন বৃদ্ধ কিন্তু মোৰ বঠাপাট আৰু লাঠিডাল থকালৈকে মই চেষ্টা কৰিম।"

তেওঁ হাত দুখন পুনৰ পানীত জুবুৰিয়াই ধুলে। তেতিয়া গধুলি হৈছিল, বিশাল সাগৰ আৰু নীল আকাশৰ বাহিৰে তেওঁ একো দেখা পোৱা নাছিল। বতাহ লাহে লাহে বাঢ়িছিল। তেওঁ আশা কৰিছিল যে সোনকালেই পাৰৰ পোহৰ দেখা পাব।

তেওঁ মুখ ফুটাই ক'লে "বৃদ্ধ তুমি একেবাৰে ভাগৰি পৰিছা।" বেলি ডুবাৰ আগতে আৰু শ্বাৰ্ক নাহে বুঢ়াই ভাবিলে।

সেই মুহূৰ্ততে মুগা বৰণীয়া দুটা শ্বাৰ্ক পানীত ফান উলিয়াই আহি থকা তেওঁ দেখা পালে। সিহঁত বেগেৰে নাওখনৰ ফালে আহি আছিল।

তেওঁ লাখুটিডাল বিচাৰি ল'লে। সেইডাল আচলতে এপাট ভঙা বঠাৰে নাল, দীঘলে প্ৰায় আঢ়ৈ ফুট মানহে হব। লাঠিডাল ধৰিবলৈ সুবিধাজনক। তেওঁ শ্বাৰ্ক দুটা অহা লক্ষ্য কৰিলে আৰু বুজিলে সিহঁতো 'গেলনচ' প্ৰজাতিৰে।

তেওঁ ভাবিছিল প্ৰথমটোৰ মূৰত নাইবা নাকত এটা প্ৰচণ্ড কোব দিব লাগিব।

শ্বাৰ্ক দুটা ওচৰা ওচৰিকৈ আহি আছিল। প্ৰথমটোৱে মুখখন মেলি মাছত কামোৰ দিলে। তেওঁ লগে লগে লাঠিৰে মূৰত এটা প্ৰচণ্ড মাৰ সোধালে। দ্বিতীয়টো কোব তাৰ নাকত মাৰিলে, সি আঁতৰিল। আনটো শ্বাৰ্ক পানীত ওলাই সোমাই আছিল। এইবাৰ সি মুখ মেলি মাছত কামোৰ দিলে। বুঢ়াই তাৰ মূৰত মাৰ সোধালে। শ্বাৰ্কটোৱে তেওঁলৈ কেৰাহিকৈ চালে আৰু মাংস টুকুৰা চিঙি মুখত ভৰালে। তেওঁ তাক আৰু এমাৰ দিলে। সি মাংস টুকুৰা মুখত লৈ আঁতৰিল।

বুঢ়াই ক'লে "গেলনচ আহ আকৌ ওলাই আহ।"

শ্বাৰ্কটো পুনৰ আহিল। তেওঁ যিমান পাৰে তাক কোবালে। কিন্তু সি আৰু এটুকুৰা মাংস মুখতলৈহে আঁতৰিল।

সিহঁত পুনৰ আহে নেকি বুঢ়াই চাই থাকিল। কিন্তু সিহঁত নাহিল। তেওঁ ভাবিছিল সিহঁত নমৰিল। কিন্তু মই বেয়াকৈ আঘাত কৰিলো। যদি দুই হাতেৰে মাৰ সোধাব পাৰিলোহেতেন তেতিয়া হ'লে এটা নিশ্চয় মৰিলহেতেন।

মাছটো চাবলৈ তেওঁৰ মন নগ'ল। তেওঁ বুজিছিল মাছটোৰ আধাখিনি ইতিমধ্যে নষ্ট হৈছে। তেতিয়া বেলি ডুবিছিল। তেওঁ নিজকে ক'লে "সোনকালেই আন্ধাৰ হব। অলপ পিচতে মই হাভানাৰ পোহৰ দেখা পাম যদি বেচি পূৱলৈ আহিলো, মই এখন নতুন ঠাইত ওলামগৈ।"

মোৰ বাবে দুখ কৰিবলৈ কোনো নাই। অৱশ্যে ল'ৰাটোৱে দুখ কৰিব! কিন্তু মই নিশ্চিত যে তাৰ মোৰ ওপৰত অগাধ বিশ্বাস। কিছুমান বুঢ়া মাছমৰীয়াইও দুখ কৰিব। মই হয়তো এখন নতুন ঠাইত থাকিবলৈ লম! এই কথাবোৰে তেওঁৰ মনত খেলি আছিল।

তেওঁ মাছটোৰ লগত কথা পতা নাছিল। শ্বাৰ্কে মাছটো বেয়াকৈ ধ্বংস কৰি পেলালে। তেওঁ ক'লে "হেৰা মাছ, তুমি এতিয়া আধা হ'লা। মোৰ দুখ লাগিছে যে মই বহুত দূৰলৈ আহিলো। মই আমাৰ দুয়োকে ধ্বংস কৰিলো। কিন্তু আমি বহুত শ্বাৰ্ক হত্যা কৰিলো। আমি ধ্বংস হলো কিন্তু আমি আন বহুতকে ধ্বংস কৰিলো। বুঢ়া মাছ এতিয়ালৈকে তুমি বাৰু কিমান হত্যা কৰিছা? তুমি অকাৰণে মূৰত যাঠিৰ খোচ পোৱা নাই ?"

তেওঁ মাছটোৰ কথা ভাবিলে। সি যদি পানীত মুকলিকৈ থাকিব পাৰিলেহেতেন সি বাৰু শ্বাৰ্ক বিলাকক কি কৰিলেহেতেন! সিহঁতৰ লগত যুদ্ধ কৰিবলৈ মোক এপাট অস্ত্ৰ লাগিছিল। কিন্তু কুঠাৰ নাই চুৰিখনো নাই।

মোৰ যদি আৰু এখন চুৰি থাকিলহেতেন, বঠাৰ আগত বান্ধি মই এপাট অস্ত্ৰ সাজিব পাৰিলোহেতেন। তাৰেই সিহঁতৰ লগত যুজিব পাৰিলোহেতেন। সিহঁত যদি নিশা আকৌ আহে কি কৰিম?

তেওঁ ফুটাই ক'লে "সিহঁতৰ লগত যুঁজিম। মই নমৰালৈকে সিহঁতৰ লগত যুঁজিম।"

নিশাৰ আন্ধাৰ নামিল, কেনিও পোহৰ নাই। বতাহ বলি আছিল আৰু নাওখন ধীৰে ধীৰে গৈ আছিল। তেওঁৰ নিজকে মৃত যেন অনুভৱ হ'ল। তেওঁ হাতৰ সীৰা পৰীক্ষা কৰি চালে। নাই তেওঁ মৰা নাই। তেওঁ নাৱৰ টিঙত আউজি ৰ'ল। মাছটো ধৰিব পাৰিলে মই প্ৰাৰ্থনা কৰাৰ কথা আছিল। কিন্তু মই এতিয়া ভীষণ ক্লান্ত। প্ৰাৰ্থনা গোৱাৰ শক্তি মোৰ নাই। হলৌ চোলাটো পিন্ধি লোৱা ভাল হব - তেওঁ ভাবিছিল!

তেওঁ নাওখনত শুই আকাশলৈ চাই আছিল। তেওঁ ভাবিছিল, ভাগ্য ভাল যে এতিয়াও মূৰৰ পৰা আধা অংশ ৰৈছে। সৌভাগ্যবান নহ'লেও এতিয়ালৈকে একেবাৰে দুৰ্ভগীয়া হোৱা নাই। তেওঁ ক'লে "নহয়, তুমি যেতিয়া সাগৰত বহু দূৰলৈ আগবাঢ়িলা তেতিয়াই তোমাৰ ভাগ্য তুমি নিজেই নাশ কৰিলা।"

তেওঁ নিজকে ক'লে "দূৰ্বল নহবা। জাগি থাকা। এতিয়াও তোমাৰ ভাগ্য যথেষ্ট ভালেই আছে। ইয়াক বেচিব পাৰিলে মই বহুত কিবা কিনিব পাৰিম।"

তেওঁ নিজকে সুধিলে "ইয়াৰে মই কি কিনিম। ইয়াক বিক্ৰী কৰি মই মোৰ হেৰোৱা যাঠিডাল, ভঙা চুৰিখন আৰু মোৰ বেয়া হোৱা হাত দুখন কিনিব পাৰিমনে ?"

তেওঁ বিৰবিৰাই ক'লে "পাৰিবা, সাগৰত চৌৰাশী দিন কটোৱাৰ পিচত তুমি অন্ততঃ এইখিনি কিনিব পাৰিবা"।

চেঃ এই অদৰ্কাৰী কথাবোৰ নাভাবো। কোনে জানে, মানুহৰ ভাগ্য বিভিন্ন ৰূপেৰে আহিব পাৰে। যি কোনো ৰূপত মই পাব পাৰো। মই হয়তো এতিয়া পাৰৰ পোহৰ দেখা পাম। এতিয়া সেইটোৱেই মোৰ একান্ত হেপাঁহৰ বস্তু। তেওঁ এই কথাবোৰকে ভাবি গৈ আছিল। আৰাম পাবৰ কাৰণে তেওঁ ভালকৈ বহিল। দেহৰ অসহ্য বিষৰ অনুভূতিয়ে তেওঁক জনালে যে তেওঁ তেতিয়াও জীয়াই আছে।

নিশা প্ৰায় দহমান বজাত তেওঁ পাৰৰ পোহৰ দেখা পালে। পাৰ পাবলৈ আৰু বেচিপৰ নাই। শ্বাৰ্কে হয়তো পুনৰ আক্ৰমণ কৰিব পাৰে। কিন্তু এই ঘনঘোৰ আন্ধাৰত এজন নিৰস্ত্ৰ বৃদ্ধই এজাক শ্বাৰ্কক কি কৰিব পাৰিব ?

নিশাৰ ঠেৰেঙা লগা জাৰত তেওঁ কোঙা হৈ পৰিছিল। তেওঁ মনে মনে ভাবিলে শ্বাৰ্কৰ লগত যেন আৰু যুদ্ধ নহওক। মই খুউব আশা কৰিছো যুদ্ধ যেন পুনৰ নহয়।

কিন্তু মাজনিশা তেওঁ যুঁজিছিল। তেওঁ ভালদৰে জানিছিল যে এই যুদ্ধৰ পৰা একো লাভ নহয়। সিহঁত জাক পাতি আহিছিল। আন্ধাৰত তেওঁ সিহঁতক ভালদৰে দেখাও নাছিল। মাত্ৰ মঙ্গহ খোৱাৰ চপচপ শব্দহে শনিছিল। তেওঁ উমানতে জধে মধে কোবাবলৈ ধৰিলে। তেওঁ যেনিয়েই শব্দ শুনিছিল তেনিয়েই লাঠিৰে কোব দিছিল। সিহঁতৰ কোনো এটাই লাঠিডালো কামুৰি লৈ গ'ল।

তেওঁ এইবাৰ গুৰি বঠাৰ খোলণিত লগোৱা নলডাল লৈ কোবাবলৈ ধৰিলে। কিন্তু একো লাভ নহ'ল! সিহঁতে বখলা বখলে মাছটোৰ মাংস খাই শেষ কৰিলে।

শেষত এটাই মাছটোৰ মূৰত কামৰিবলৈ ধৰিলে। তেওঁ নালডালেৰে শ্বাৰ্কটোক জোৰেৰে আঘাত কৰিলে। বেচি জোৰেৰে কোবোৱাৰ ফলত তেওঁৰ নালডালো ভাগিল। এইবাৰ তেওঁ নালৰ ভঙা জোংটোৰে তাক খুচিবলৈ ধৰিলে। শ্বাৰ্কটো আঁতৰি গ'ল। মাছটোৰ মঙ্গহ ইতিমধ্যে শেষ হল।

বুঢ়াই ফোঁপাবলৈ ধৰিলে। তেওঁ সাগৰলৈ পেৰেককৈ এসোপা থুই পেলাই ক'লে " গেলনচ এই সোপাও খা আৰু এটা মানুহ খোৱা বুলি মনে মনে কল্পনা কৰি থাক।"

অৱশেষত তেওঁ পৰাজিত হ'ল। তেওঁ গুৰি বঠাৰ খোলনিত নালডালৰ ভঙা অংশটো লগাই দিলে। তেওঁ ভাবিলে কাম চলিব। তেওঁ হলৌ চোলাটো গাত মেৰিয়াই লৈ ঘৰমুৱা নাও এৰিলে।

তেওঁৰ সকলো ভাৱ চিন্তা লোপ পাইছিল। নিশা শ্বাৰ্কে মাছৰ জকাটোও কামুৰিছিল। তেওঁ গম পাইছিল যদিও আওকান কৰিছিল। মাছটোৰ ওজন নাইকিয়া হোৱাত নাওখন পাতল হৈ পৰিছিল আৰু জোৰেৰে বন্দৰৰ কাষ চাপি গৈছিল।

তেওঁ ভাবিছিল নাওখনৰ একো ক্ষতি হোৱা নাই। মাত্ৰ গুৰি বঠা ঘূৰোৱা নালডালহে ভাগিছিল। সেই ডাল সহজেই সলাই লব পৰা হব।

নাও বন্দৰৰ একেবাৰে কাষ চাপিছিল। তেওঁ ভাবিছিল এই বিশাল সাগৰ আৰু বতাহ আমাৰ বন্ধু, কিন্তু সকলো সময়তে বন্ধু নহবও পাৰে। কেতিয়াবা আমাৰ বন্ধু, কেতিয়াবা শত্ৰু কিন্তু বিচনা, বিচনাই হৈছে আমাৰ পৰম বন্ধু, তেওঁ বিৰবিৰালে “সহজেই পৰাজিত হলো। পৰাজয় ইমান সহজ বুলি মই জনা নাছিলো। মোক বাৰু প্ৰকৃততে কোনে পৰাজিত কৰিলে।” তেওঁ ডাঙৰকৈ ক'লে “মই হৰা নাই। আচল কথা সাগৰত মই বহুত দূৰ অতিক্ৰম কৰিলো।”

বুঢ়া যেতিয়া উপকূল পাইছিল কাৰো ঘৰত পোহৰ নাছিল। সকলো তেতিয়া গভীৰ টোপনিত লালকাল। লাহে লাহে ধুমুহা আৰম্ভ হৈছিল। বন্দৰ নীৰৱ আৰু নিস্তব্ধ হৈ আছিল। তেওঁক সহায় কৰিবলৈ তাত কোনো নাছিল। অকলেই টানি টানি তেওঁ নাওখন বান্ধিলে।

মস্তুলডাল কান্ধত লৈ তেওঁ ওপৰলৈ উঠিল। ভাগৰত তেওঁ সম্পূৰ্ণ অবশ হৈ পৰিছিল। তেওঁ ক্ষন্তেক ৰৈ ষ্ট্ৰীট লাইটৰ পোহৰত নাওখনলৈ চালে। পানীত ওপঙি থকা মাছটোৰ ডাঙৰ ফিচা খন, ৰাজহাড় ডাল আৰু মূৰৰ লাওখোলাটো দেখা পালে।

থিৰেৰে ৰ'ব নোৱাৰি তেওঁ পৰি গ'ল। উঠিবলৈ যত্ন কৰিও তেওঁ উঠিব পৰা নাছিল। মাটিতে বহি তেওঁ ৰাস্তালৈ চাই আছিল। এটা মেকুৰী পাৰহৈ গৈছিল। তেওঁ নিৰ্বিকাৰ হৈ দূৰলৈ চাই আছিল।

মাস্তুল ডালত ভেজা দি বুঢ়া থিয় হ'ল আৰু খোজ আৰম্ভ কৰিলে। তেওঁ ইমান অবশ আছিল যে ঘৰ পোৱালৈ বাটত কেইবাবাৰো জিৰাব লগা হৈছিল।

বেৰত মাস্তুলডাল আউজাই থলে। আন্ধাৰতে পানীৰ বটলটো বিচাৰি পিয়াহ পলুৱাই পানী খালে আৰু বিচনাত বাগৰ দিলে। কম্বলখন ঘুম মাৰি লৈ তেওঁ শুই পৰিল !

ধুমুহা বৈ আছিল, কোনেও নাও মেলিব পৰা নাছিল। ল'ৰাটোও দেৰিলৈকে শুইছিল। সদায় ৰাতিপুৱা অহাৰ দৰে ল'ৰাটো বুঢ়াৰ ঘৰলৈ আহিছিল। সি বুঢ়াক যেতিয়া দেখা

পাইছিল তেতিয়া তেওঁ টোপনিত লালকাল। বুঢ়াৰ কটা হাত দুখন দেখি সি বেজাৰত চকুলোটুকি কান্দিছিল। সি বুঢ়াৰ কাৰণে কফি অনাৰ কথা ভাবি বন্দৰৰ হোটেললৈ গৈছিল। যাওঁতে সি বাটচোৰা কান্দি কান্দিয়েই গৈছিল।

বহুত মাছমৰীয়াই নাওখন বেৰি বান্ধি থোৱা জকাটো চাই আছিল। তাৰে এজনে পানীত নামি জকাটো জুখিছিল।

ল'ৰাটো ওচৰলৈ যোৱা নাছিল। এজনে তাক চিঞৰি বুঢ়াৰ বতৰা লৈছিল।

ল'ৰাটোৱে ক'লে "তেওঁ শুই আছে। এতিয়া কোনেও জগাই তেওঁক আমনি নকৰিবা।" পানীত নামি থকা মাছমৰীয়াজনে ক'লে "জকাটো ওঠৰ ফুট দীঘল।"

ল'ৰাটোৱে শলাগিলে।

সি হোটেলৰ পৰা এগিলাচ গৰম কফি কিনিলে। হোটেল মালিকে তাক আৰু কিবা লাগিবনে কি সুধিছিল।

সি উওৰ দিলে "নালাগে, তেওঁ কিবা খাব খুজিলে মই পিচত নিম।"

হোটেলৰ মালিকজনে ক'লে "সেইটো বাৰু কি মাছ। আগতে কেতিয়াও ইমান ডাঙৰ মাছ দেখা নাছিলো। কালি তুমিও দুটা ভাল মাছ ধৰিছিলা।"

ল'ৰাটোৱে ক'লে "মোৰ মাছৰ কথা বাদ দিয়া।" সি পুনৰ কান্দিবলৈ ধৰিলে ।

মালিকজনে সুধিলে "তুমি কিবা খাবানে কি ?"

ল'ৰাটোৱে উওৰ দিলে "নখাও, তেওঁলোকক কবা চেন্টিয়াগ'ৰ কথা চিন্তা কৰিব নালাগে। মই পিচত আহিম।"

মালিকজনে ক'লে "চেন্টিয়াগ'ক কবা মই তেওঁৰ বাবে দুঃখিত।"

ল'ৰাটোৱে হোটেলৰ মালিকক ধন্যবাদ জনাই কফিৰ পাত্ৰটো লৈ বুঢ়াৰ ঘৰলৈ গ'ল। বুঢ়াই সাৰ পোৱালৈকে সি তাতে বহি থাকিল। এবাৰ বুঢ়াই এঙামুৰি দিছিল। কিন্তু পুনৰ গভীৰ টোপনিত পৰিল। কফি খিনি আকৌ গৰম কৰিবৰ বাবে ল'ৰাটো খৰি বিচাৰি ওলাল।

বুঢ়াই সাৰ পালে।

ল'ৰাটোৱে ক'লে "নুঠিবা, এইয়া খোৱা।" সি এগিলাচ কফি দিলে।

বুঢ়াই কফি খাই ক'লে "মেনলিন, সিহঁতে মোক পৰাজিত কৰিলে। সঁচাকৈ মই হাৰ মানিলো।"

"নহয় তুমি হৰা নাই। মাছটোৱে তোমাক পৰাজিত কৰা নাই।"

"সঁচাকৈ সি মোক পৰাজয় কৰিব পৰা নাছিল। মই পিচতহে পৰাজিত হলো।"

"পেড্ৰিকই মাছৰ মূৰৰ লাওখোলাটোলৈ বৰ হেপাঁহেৰে চোৱা দেখিলো। তুমি সেইটোৰে বাৰু কি কৰিম বুলি ভাবিছা ?"

"সেইটো পেড্ৰিকক দিবা। তেওঁ সেইটো গুড়ি কৰি মাছৰ টোপ বনাব পাৰিব।" "মাছৰ পিঠিৰ এই কুঠাৰৰ নিচিনা ফানখনেৰে কি কৰিবা ?" ল'ৰাটোৱে সুধিলে।

"ইচ্ছা কৰিলে তুমি লব পাৰা।"

ল'ৰাটোৱে ক'লে "মই লম। আমি এতিয়া বেলেগ পৰিকল্পনা কৰিব লাগিব।"

"সিহতে বাৰু মোৰ খবৰ লৈছিলনে ?"

বুঢ়াই আবেগেৰে সুধিলে।

“হয় সকলোৱে তোমাক বিচাৰিছিল। আনকি প্লেনৰ সহায়েৰেও তোমাক বিচাৰিছিল।”

বুঢ়াই গহীনাই ক’লে “সাগৰখন বৰ বিশাল। কিন্তু মোৰ এই নাওখন নিচেই সৰু, দেখা পোৱা টান। কাৰোবাৰ লগত যে কথাপাতি কিমান ভাল লাগে বুঢ়াই সেই কথা এতিয়াহে অনুভৱ কৰিলে। কাৰণ যোৱা দিন কেইটা তেওঁ সাগৰৰ লগত অকলে অকলে কথা পাতিয়েই পাৰ কৰিছিল।

ল’ৰাটোৱে সধিলে”তুমি বাৰ মুঠতে কেইটা মাছ ধৰিছিলা।"

তেওঁ ক’লে “প্ৰথম দিনা এটা; দ্বিতীয় দিন দুটা আৰু তৃতীয় দিনাও মই দুটা মাছ ধৰিছিলো।” “এনেকৈ মাছ ধৰি বৰ ভাল লাগে নহয়নে? আমি আকৌ একেলগে মাছ মাৰিম ?”

“নহয়, মোৰ ভাগ্য ভাল নহয়। আৰু মই কেতিয়াও ভাগ্যবান হব নোৱাৰো।”

ল’ৰাটোৱে কলে “বাদ দিয়া, ভাগ্য নৰকত পচক। মই মোৰ ভাগ্য নিজেই ঘূৰাই আনিম।”

“তোমাৰ ঘৰে কি কয় ?” বঢ়াই সুধিলে।

“মই তেওলোকৰ কথা নামানো। কালি মই দুটা মাছ ধৰিছিলো। কিন্ত এতিয়াৰ পৰা আমি একেলগে মাছ মাৰিম। তোমাৰ পৰা মই শিকিব লগা বহুত আছে।

বুঢ়াই ক’লে”আমি এডাল ভাল যাঠি বনাব লাগিব। যাঠিডালৰ জোঙটো ভাল লোহাৰে বনাবা। পিচত আমি শানত দিম। সেই ডাল চোকা হব লাগিব কিন্তু ভাগি যোৱাকৈ তাৰ পাক টান হব নালাগিব। মোৰ চুৰিখন সেই বাবেই ভাগিছিল।"

ল’ৰাটোৱে শলাগি ক’লে “মই এখন চুৰি আৰু এডাল ভাল লোহা আনিম।” সি সুধিলে “এই ধুমুহা বতাহ বাৰু কেইদিন মান চলিব ?”

“কমেও তিনি দিন মান চলিব।” ল’ৰাটোৱে কলে “মই সকলো যোগাৰ কৰিম। হাত দুখন ভাল কৰাৰ যত্ন কৰা।”

“হাতৰ যত্ন মই লম। কিন্তু নিশা মোৰ বুকুখন বৰকৈ বিষাইছিল। বিষত বকুখন ভাঙি যোৱা যেন লাগিছিল।”

ল’ৰাটোৱে ক’লে “সকলো ভাল হৈ যাব। তুমি শুই থাকা। মই তোমালৈ এটা চোলা আৰু খোৱাৰ আহাৰ আনো।”

বুঢ়াই ক’লে “খবৰ কাগজ লৈ আনিবা, পাৰিলে যোৱা তিনি দিনৰে আনিবা।”

“তুমি মোনকালে ভাল হোৱা। তোমাৰ পৰা শিকিবলৈ মোৰ বহুত আছে। তুমি মোক শিকাব লাগিব। তুমি বাৰু কিমান কষ্ট খালা ?”

বুঢ়াই ক’লে “অশেষ কষ্ট পালো।”

ল’ৰাটোৱে ক’লে “তুমি জিৰণি লোৱা। মই তোমালৈ আহাৰ আৰু খবৰ কাগজ আনোগৈ। তোমাৰ বাবে মই দৰবো আনিম।”

“পেড্ৰিকক কবা যে মাছৰ মূৰটো তেওঁক দিছো। তুমি তেওঁক কবলৈ নাপাহৰিবা।”

ল’ৰাটোৱে চমু উওৰ দিলে “নাপাহৰো।”

ল’ৰাটো গ’ল। যাওঁতে সি বাটে বাটে কান্দি গৈছিল।

সেইদিনা বন্দৰলৈ এটা ভ্ৰমণকাৰী দল আহিছিল। এগৰাকী মহিলাই জোৱাৰত উঠি অহা মাছৰ জ'কাটো দেখিলে।

মহিলা গৰাকীয়ে বন্দৰৰ কৰ্মী এজনক সুধিছিল "সেইটো কি?"

"শ্বাৰ্ক" কৰ্মীজনে কথাটো বুজাবলৈ যত্ন কৰিছিল। মহিলা গৰাকীয়ে তপৰাই ক'লে "শ্বাৰ্কৰ ইমান ধুনীয়া ফিচা থাকে বুলি মই জনা নাছিলো।"

তেওঁৰ পুৰুষ সঙ্গীয়ে কলে "মইও নাজানো।"

জুপুৰীত বুঢ়া শুই আছিল। ল'ৰাটো তেওঁৰ কাষতে বহি আছিল। বুঢ়াই সিংহৰ সপোন দেখি আছিল।

সমাপ্ত

ব্লগ অসম (blogasom.blogspot.com) ৰ দ্বাৰা প্ৰকাশিত।

প্ৰকাশ - ১৭/০৫/২০২১

প্ৰচ্ছদ ছবিৰ সৌজন্য - PNG Find (https://pngfind.com/)

এই গ্ৰন্থখনৰ লগত জড়িত যিকোনো বিষয়ৰ বাবে নাইবা অসমীয়া ই-কিতাপ সংক্ৰান্তীয় অন্যান্য বিষয়ৰ বাবে অনুগ্ৰহ কৰি ''nibirborpuzari@gmail.com'' ত যোগাযোগ কৰক। অসমীয়া ই-কিতাপৰ প্ৰসাৰ আৰু প্ৰচাৰত সহায় কৰাৰ বাবে ধন্যবাদ।